● গুৱাহাটী, যোৰহাট আৰু তেজপুৰৰ পৰা প্ৰকাশিত

গুৱাহাটী (০৩৬১) ২২৬১৯২৩
চাৰ্কুলেচন ঃ ম'বাইল ঃ ৮৪৮৬৯৮০২৮১
বিজ্ঞাপন ঃ ম'বাইল ঃ ৯৮৬৪৮৯৭১৭৫
যোৰহাট ঃ (০৩৭৬) ২৩৭১৮৯৫, তেজপুৰ ঃ (০৩৭১২) ২২১৫৫১, ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৭৮৫৯
হোৱাটছএপ ঃ ৭৬৩৮০৫৮০৫৪ (সম্পাদনা)
agradoot@gmail.com
editor.agradoot@gmail.com
■ কাকত নাপালে ফোন কৰক ঃ ৯১০১২-৩৮০০৩

দেওবৰীয়া দৈনিক

# অগ্ৰদূত

সামাজিক দায়বদ্ধতাত অবিচল

www.dainikagradoot.in

**দিগ্‌দৰ্শন**

এখন দেশ, য'ত সুশাসন চলিছে বুলি দাবী কৰা হয়, তাত দাৰিদ্ৰ্য এক চৰম লজ্জাজনক বিষয়।

কনফুচিয়াছ
*চীনা দাৰ্শনিক*



৫ সংকটত দক্ষিণ কামৰূপৰ প্ৰকৃতি
১৫ আজি আইপিএল দখলৰ যুঁজত গুজৰাট-ৰাজস্থান
৪ দিগন্তৰ পৰা দিগন্তলৈ কেৱল শূন্যতা

RNI-Regd No. 62953/96 ■ সপ্তবিংশতিতম বছৰ ● ২২৮তম সংখ্যা ● গুৱাহাটী ● দেওবাৰ ১৪ জেঠ ১৪২৯ ভাস্কৰাব্দ ২৯ মে' ২০২২ চন ■ DAINIK AGRADOOT ● Guwahati ● Sunday 29 May 2022 মূল্য ঃ ৯.০০ টকা

## প্ৰায় নিৰপেক্ষ

**ধীমান সিন্‌হাৰ পষেকীয়া কলম**

### (১) আকৌ বানপানী



কলম লেখক এজনৰ সীমাৰদ্ধতা তেতিয়া আহি পৰে, যেতিয়া কাব্য কল্পনা আৰু মনৰ ভাবৰ বিপৰীতে বাস্তৱ অভিজ্ঞতাৰ বিষয়ে গদ্য লেখিবলগীয়া হয়। সীমাৰদ্ধতা, কাৰণ একেবোৰ দুৰ্যোগৰ প্ৰায়েই পুনৰাবৃত্তি হয় যাক গদ্যত প্ৰকাশ কৰা দুৰ্বিষহ। বানপানী আৰু চহৰীয়া বানপানী অসমৰ তেনে এটা বিষয়। ৰাজনৈতিক আৰু সামাজিক সমস্যা যিমানেই জটিল নহওক কিয়, সেইবোৰৰ সমাধান দীৰ্ঘম্যাদী নীতি ১০ পৃষ্ঠাত চাওক

■ সংবিধান উলংঘা কৰি পৰেশ বৰুৱাক ক্ষমা ভিক্ষা মন্ত্ৰী সঞ্জয় কিষাণৰ ■ কেন্দ্ৰৰ সকীয়নিত দুসপ্তাহৰ মূৰত কৈফিয়ৎ তলব কৰিলে মুখ্যমন্ত্ৰীয়ে ■ চৰম অস্বস্তিত পৰিছে অসম আৰক্ষীও

# আলফাক ক্ষমা খুজি মন্ত্ৰিত্ব সংকটত





**স্টাফ ৰিপ'ৰ্টাৰ**

**গুৱাহাটী, ২৮ মে' ঃ** নিষিদ্ধ সংগঠন আলফা (স্বাধীন)ৰ সপক্ষে মন্তব্য দাঙি ধৰাৰ পাছতে অসম আৰক্ষীয়ে শেহতীয়াকৈ কে'বাগৰাকী যুৱক-যুৱতীক গ্ৰেপ্তাৰ কৰিছে। তাৰ বিপৰীতে ভাৰতীয় সংবিধানৰ প্ৰতি দায়বদ্ধতাৰ শপত লৈ স্বয়ং ৰাজ্য চৰকাৰৰ মন্ত্ৰী সঞ্জয় কিষাণে এটা মাত্ৰ সকীয়নিতে ২৪ ঘণ্টাৰ ভিতৰত আলফা (স্বাধীন)ৰ সেনাধ্যক্ষ পৰেশ বৰুৱাৰ ওচৰত ক্ষমা ভিক্ষা বিচৰা কাৰ্যই অসম ১০ পৃষ্ঠাত চাওক

■ ৩১জনীয়া তালিকাৰ ১৯জনক পাঁচ লাখকৈ টকা অৰ্থ সাহায্য প্ৰদান ৩১ মে'ত

## বড়ো আন্দোলনৰ অবড়ো ছহিদক ক্ষতিপূৰণ দিয়াৰ সিদ্ধান্ত ৰাজ্য চৰকাৰৰ

**স্টাফ ৰিপ'ৰ্টাৰ**

**গুৱাহাটী, ২৮ মে' ঃ** বড়ো আন্দোলনৰ সময়ত প্ৰাণ হেৰুওৱা অবড়ো সম্প্ৰদায়ৰ লোকক ক্ষতিপূৰণ প্ৰদানৰ সিদ্ধান্ত গ্ৰহণ কৰিছে অসম চৰকাৰে। অহা ৩১ মে'ত প্ৰথম পৰ্যায়ত তাৰে একাংশৰ নিকটাত্মীয়ৰ প্ৰত্যেককে জনতা ভৱনত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই পাঁচ লাখকৈ ১০ পৃষ্ঠাত চাওক

## বিহাৰৰ ৰেল ষ্টেছনত উদ্ধাৰ মহানগৰীৰ পৰা নিৰুদ্দেশ হোৱা শিশুদ্বয়ক

আনিলে গুৱাহাটীলৈ

**স্টাফ ৰিপ'ৰ্টাৰ**

**গুৱাহাটী, ২৮ মে' ঃ** মহানগৰীৰ হাতীগাঁও আৰক্ষী থানাৰ অন্তৰ্গত সিজুবাৰীৰ পৰা কালি ৰহস্যজনকভাৱে নিৰুদ্দেশ হোৱা শিশু ভগ্নী-ভ্ৰাতৃদ্বয়ক ৰেল সুৰক্ষা কৰ্মীৰ তৎপৰতাত বিহাৰৰ কিষাণগঞ্জ ৰেল ষ্টেছনত উদ্ধাৰ কৰা হৈছে। ১০ পৃষ্ঠাত চাওক

■ মহানগৰীত এক্ট ইষ্ট নীতিৰ সন্মিলনত বৈদেশিক মন্ত্ৰী

## এক্ট ইষ্ট নীতিৰে বুৰঞ্জী নতুনকৈ লিখিব পাৰে ভাৰতে ঃ জয়শংকৰ

**স্টাফ ৰিপ'ৰ্টাৰ**

**গুৱাহাটী, ২৮ মে' ঃ** 'এক্ট ইষ্ট' আৰু 'চুবুৰীয়া প্ৰথম' নীতিয়ে সমগ্ৰ দক্ষিণ-পূব এছিয়াৰ ওপৰত ভাৰতৰ প্ৰভাৱক প্ৰতিষ্ঠা কৰিব বুলি আজি ইয়াত মন্তব্য কৰে কেন্দ্ৰীয় বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড° সুব্ৰমণিয়ম জয়শংকৰে। আজিৰ পৰা মহানগৰীত বংগোপসাগৰীয় অঞ্চল আৰু দক্ষিণ পূব এছিয়াৰ দেশসমূহৰ মাজত আঞ্চলিক সহযোগিতাত সামূহিক কাৰ্যসূচী নিৰ্ধাৰণৰ বাবে ভাৰত চৰকাৰৰ বৈদেশিক পৰিক্ৰমা মন্ত্ৰণালয় আৰু অসম চৰকাৰৰ এক্ট ইষ্ট পলিচি বিভাগে দুদিনীয়াকৈ এক সন্মিলনৰ আয়োজন কৰিছে। 'আছিয়ান কনফ্লুয়েঞ্চ ৰিভাৰ ১০ পৃষ্ঠাত চাওক

মহানগৰীত উৎখাত বেআইনী আন্তঃৰাষ্ট্ৰীয় কল চেণ্টাৰ

## হায়দৰাবাদৰ পৰা আন্তঃৰাষ্ট্ৰীয় কল সলনি কৰি হাৱালাৰে ধন সংগ্ৰহ

**স্টাফ ৰিপ'ৰ্টাৰ**

**গুৱাহাটী, ২৮ মে' ঃ** মহানগৰ আৰক্ষীৰ অপৰাধ শাখাই আজি পল্টন বজাৰ আৰক্ষী থানাৰ অন্তৰ্গত উলুবাৰীৰ উপাসনা কমাৰ্চিয়েল কমপ্লেক্সত চলি থকা ভেনাছ বিজনেছ ইণ্টাৰনেচনেল নামৰ এটা আন্তঃৰাষ্ট্ৰীয় বেআইনী কল চেণ্টাৰ উৎখাত কৰে। লগতে ইয়াত জড়িতৰ অভিযোগত বিহাৰৰ সমষ্টিপুৰৰ বাসিন্দা আদিত্য কুমাৰ নামৰ এজন লোকক গ্ৰেপ্তাৰ কৰে। তদুপৰি কেন্দ্ৰটোত ব্যৱহাৰ কৰা বিভিন্ন সা-সজুলিও জব্দ কৰা হয়। অপৰাধ শাখাৰ অতিৰিক্ত উপ-আৰক্ষী ১০ পৃষ্ঠাত চাওক

## বিমান চালকক সন্মান জনাবলৈ বিমানকোঠলৈ গৈছিল ড° শৰ্মা

চীনৰ পৰা পিপিই কিট ক্ৰয়ত দুৰ্নীতি অস্বীকাৰ



**বিশেষ সংবাদদাতা**

**ডিফু, ২৮ মে' ঃ** কৰ'নাৰ ভয়ত সমগ্ৰ মানৱ জাতি ঘৰৰ ভিতৰত সোমাই থকাৰ সময়ত কেইজনমান সাহসী বিমান চালকে চীনৰ পৰা পিপিই ১০ পৃষ্ঠাত চাওক






দেওবৰীয়া দৈনিক
অগ্ৰদূত
গুৱাহাটী, ২৯ মে', ২০২২ দেওবাৰ পৃষ্ঠা তিনি

# বানত নগাঁও জিলাৰ ক্ষয়-ক্ষতিৰ বুজ ল'লে কেন্দ্ৰীয় পৰ্যবেক্ষকে

## এইবাৰৰ বানত নগাঁও জিলাত মৃত্যুক সাবটিলে ১৪ জনে

বিশেষ সংবাদদাতা
**নগাঁও, ২৮ মে' ঃ** নগাঁও জিলাৰ বান পৰিস্থিতি শাম কাটিছে যদিও স্বাভাৱিক অৱস্থা এতিয়াও ঘূৰি অহা নাই। কপিলী, বৰপানী, হাৰিয়া, কলঙৰ জলপৃষ্ঠ নিয়ন্ত্ৰণাধীন। আটাইকেই নদীৰ জলপৃষ্ঠ বিপদসীমাৰ আঠ পৃষ্ঠাত চাওক

# মেৰাপানীত বৃহৎ পৰিমাণৰ ড্ৰাগছ-নগদ ধনসহ ধৃত মহিলা



অগ্ৰদূত বাৰ্তা
**মেৰাপানী, ২৮ মে' ঃ** মেৰাপানী আৰক্ষী থানাৰ অন্তৰ্গত ভেলৌগুৰি গাঁৱত আজি বিয়লি মেৰাপানী আৰক্ষী আৰু চিআৰপিএফে অভিযান চলাই আব্দুল জাহ্বাৰ নামৰ এজন লোকৰ গৃহত বৃহৎ পৰিমাণৰ ড্ৰাগছ আৰু নগদ ধন জব্দ কৰে। অভিযানকাৰী দলটোৱে ঘটনা সন্দৰ্ভত দুগৰাকী মহিলাক গ্ৰেপ্তাৰ কৰে। ভেলৌগুৰিৰ নিবাসী আব্দুল জাহ্বাৰ আৰু চালামউদ্দিন নামৰ দুই ভ্ৰাতৃয়ে দীৰ্ঘদিন ধৰি আঠ পৃষ্ঠাত চাওক

# ব্যক্তিগত বিদ্যালয়ৰ সমানে ফেৰ মাৰি জিলিকিছে মধ্য যোৰহাটৰ চমুৱা গছপুৰীয়া প্ৰাথমিক বিদ্যালয়



## চৌহদতে খেতি কৰে মধ্যাহ্ন ভোজনৰ পাচলি

অগ্ৰদূত বাৰ্তা
**লাহদৈগড়, ২৮ মে' ঃ** অহা দুই জুনৰ পৰা যোৰহাট জিলাত আৰম্ভ হ'ব গুণোৎসৱ। তাক লৈ এতিয়া জিলাখনৰ সকলো চৰকাৰী প্ৰাথমিক বিদ্যালয়ৰ শিক্ষক-কৰ্মচাৰী তথা ছাত্ৰ-ছাত্ৰী ব্যস্ত হৈ পৰিছে। অথচ যোৰহাট জিলাৰে এখন ব্যতিক্ৰমী চৰকাৰী বিদ্যালয়ে আসন্ন গুণোৎসৱৰ বাবে অন্যান্য বিদ্যালয়ৰ দৰে বিশেষ একো প্ৰস্তুতি গ্ৰহণ কৰিবলগীয়া হোৱা নাই। কিয়নো বিদ্যালয়খনে ব্যতিক্ৰমী কাৰ্যপ্ৰণালীৰে ইতিমধ্যেই সকলোৰে দৃষ্টি আকৰ্ষণ কৰিবলৈ সক্ষম হৈছে। প্ৰায় প্ৰতিটো বিভাগতে এই বিদ্যালয়খনে ব্যক্তিগত খণ্ডৰ বিদ্যালয়ৰ সমানে ফেৰ মাৰিবলৈ সক্ষম হৈছে। এই বিদ্যালয়খন আঠ পৃষ্ঠাত চাওক

# তিনিচুকীয়াত আৰক্ষী চকীৰ পৰা পলায়ন হত্যাত অভিযুক্তক গ্ৰেপ্তাৰ

## মাতৃহন্তাৰ ভাষ্যৰ ভিত্তিত আৰক্ষীয়ে উদ্ধাৰ কৰিলে মৃতদেহ

অগ্ৰদূত বাৰ্তা
**তিনিচুকীয়া, ২৮ মে' ঃ** তিনিচুকীয়া জিলাৰ হিজুগুৰি আৰক্ষী চকীৰ পৰা পলায়ন কৰা হত্যাত অভিযুক্ত এজনক নিশা আৰক্ষীয়ে পুনৰ কৰায়ত্ত কৰিবলৈ সক্ষম হয়। ইয়াৰ পাছতে অভিযুক্তৰ ভাষ্যৰ ভিত্তিত আৰক্ষীয়ে মৃতদেহ উদ্ধাৰ কৰে। মাতৃক হত্যাৰ অভিযোগত অভিযুক্ত সুৰয প্ৰসাদ মাহাতোৱে কালি দিনৰ ভাগত আৰক্ষী চকীৰ পৰা পলায়ন কৰিছিল। ইয়াৰ পাছতে অভিযোগকাৰী তথা পৰিয়ালবৰ্গই আৰক্ষী চকীত এক উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি কৰিছিল । ঘটনাৰ বিৱৰণী অনুসৰি, শুক্ৰবাৰে পুৱাৰ ভাগত তিনিচুকীয়াৰ ডিআৰএম কল'নীৰ পৰা হিজুগুৰি আৰক্ষীয়ে মাতৃক হত্যা কৰাৰ অভিযোগত মাহাতোক তদন্তৰ বাবে আৰক্ষী আঠ পৃষ্ঠাত চাওক

## নিজ পত্নীক দেহ ব্যৱসায়ত জড়িত কৰোৱাৰ অভিযোগ

# নিশা তেতেলীয়াত নগাঁৱৰ দম্পতী ৰাইজৰ হাতত কৰায়ত্ত

অগ্ৰদূত বাৰ্তা
**সোণাপুৰ, ২৮ মে' ঃ** একাংশ হিন্দু যুৱতীক বিশেষ সম্প্ৰদায়ৰ যুৱকে নিজকে হিন্দু বুলি পৰিচয় দিয়াৰ লগতে বিভিন্ন প্ৰলোভনেৰে হিন্দু যুৱতীক বিয়া পাতি পাছলৈ দেহ ব্যৱসায়ৰ দৰে অপকৰ্মত লিপ্ত কৰোৱাৰ ঘটনা এটি সম্প্ৰতি পোহৰলৈ আহিছে। ক্ষেত্ৰী আৰক্ষী থানাৰ অন্তৰ্গত তেতেলীয়াত কালি সন্ধিয়া এহাল যুৱক-যুৱতীক স্থানীয় ৰাইজে কৰায়ত্ত কৰাৰ পাছতে এই ঘটনা পোহৰলৈ আহে। কালি সন্ধিয়া আঠ বজাত বৰা উপাধি (২৩)ৰ এগৰাকী যুৱতীয়ে গুৱাহাটীৰ পৰা নগাঁও অভিমুখী বাছৰ পৰা নামি তেতেলীয়াৰ বজাৰৰ ৩৭ নম্বৰ ঘাইপথৰ দাঁতিতে চিঞৰ-বাখৰ কৰি আছিল। যুৱতীগৰাকীৰ হুলস্থুল শুনি বজাৰৰ একাংশ লোকে যুৱতীগৰাকীক সোধ-পোছ কৰাত যুৱতীগৰাকীয়ে তেওঁৰ স্বামীয়ে বলপূৰ্বকভাৱে অপকৰ্মত লিপ্ত কৰাব খোজাৰ আঠ পৃষ্ঠাত চাওক

# ■ নগাঁও জিলা পৰিষদৰ সভানেত্ৰী পদক লৈ টনা-আঁজোৰা ■

# অনাস্থা প্ৰস্তাৱৰ বাবে জিলা পৰিষদত অচলাৱস্থা

বিশেষ সংবাদদাতা
**নগাঁও, ২৮ মে' ঃ** শাসকীয় দল বিজেপিৰ দখলত থকা নগাঁও জিলা পৰিষদৰ সভানেত্ৰীৰ আসনক লৈ টনা-আঁজোৰা চলি থকাৰ ফলত বিগত পাঁচ মাহ ধৰি জিলা পৰিষদৰ কাম-কাজত চৰম অচলাৱস্থাৰ সৃষ্টি হৈছে। মূলতঃ সভাপতিৰ আসনক লৈ সৃষ্টি হোৱা সংঘাতৰ বাবে মিত্ৰদল বিজেপি-অগপৰ নিৰ্বাচিত সদস্যসকল দুটা ভাগত বিভক্ত হৈ পৰিছে। উল্লেখ্য যে অনুসূচিত জাতিৰ মহিলাৰ বাবে সংৰক্ষিত সভানেত্ৰীৰ আসনখনৰ বাবে জিলা পৰিষদ গঠনৰ সময়ত দুগৰাকী প্ৰাৰ্থী আছিল। সেই দুগৰাকী আছিল শাসকীয় বিজেপিৰ। এগৰাকী হ'ল বৰ্তমানৰ সভানেত্ৰী পূব থৰীয়া জিলা পৰিষদৰ সদস্যা মুনমণি দাস বৰা আৰু আনগৰাকী হ'ল চামগুৰি জিলা পৰিষদ সমষ্টিৰ সদস্যা ৰীতা কাকতি। দলীয় চুক্তি অনুসৰি সভানেত্ৰীৰ আসনত এই দুগৰাকী সদস্যই আঢ়ৈ বছৰীয়াকৈ কাৰ্যকাল চম্ভালাৰ কথা আছিল, কিন্তু বৰ্তমানৰ সভানেত্ৰী মুনমণি দাস বৰাই আঢ়ৈ বছৰীয়া কাৰ্যকাল অতিক্ৰম কৰাৰ পাছতো আসনখন এৰি নিদিয়াক লৈ পাঁচ মাহে পূৰ্বেই আৰম্ভ হৈছিল বিসম্বাদ। আনকি বিজেপিৰ সদস্য ৰীতা কাকতিৰ নেতৃত্বত ২০জন সদস্যই যোৱা দুই মাৰ্চত বৰ্তমানৰ আঠ পৃষ্ঠাত চাওক



মুখা প্ৰস্তুতত ব্যস্ত মাজুলীৰ শিল্পী হেমচন্দ্ৰ গোস্বামী, শনিবাৰে।

# ছৈখোৱাৰ ব্ৰহ্মপুত্ৰ বালিচৰত উদ্ধাৰ তালাপৰ সন্ধানহীন যুৱকৰ মৃতদেহ

অগ্ৰদূত বাৰ্তা
**তিনিচুকীয়া, ২৮ মে' ঃ** সম্পূৰ্ণ আঠ দিনৰ পাছত তিনিচুকীয়া জিলাৰ তালাপৰ সন্ধানহীন যুৱক অজয় দেৱনাথৰ মৃতদেহ আজি ছৈখোৱাৰ ধলা আৰক্ষী থানাৰ নাওকাটা অঞ্চলৰ ব্ৰহ্মপুত্ৰৰ বালিচৰত উদ্ধাৰ হয়। বিগত ২১ মে'ত তালাপ আৰক্ষী চকীৰ অন্তৰ্গত তালাপ ককৰাতলিৰ নিবাসী দিগেশ দেৱনাথ আৰু বাসন্তী দেৱনাথৰ পুত্ৰ অজয়ে সমনীয়াৰ স'তে ফুৰিবলৈ বুলি ঘৰৰ পৰা ওলাই গৈ সন্ধানহীন হৈছিল। পৰৱৰ্তী সময়ত ধলা আৰক্ষী থানাৰ অন্তৰ্গত ফেলাইৰ সমীপৰে বৈ যোৱা মহাবাহু ব্ৰহ্মপুত্ৰৰ পাৰত অতি ৰহস্যজনকভাৱে উদ্ধাৰ হয় সন্ধানহীন অজয়ৰ চেণ্ডেল, এটা ক'লা ৰঙৰ চোলা আৰু তেওঁৰ ম'বাইল ফোন। ব্ৰহ্মপুত্ৰৰ পাৰত অজয়ৰ চেণ্ডেল, চোলা আৰু ম'বাইল ফোন উদ্ধাৰ হোৱাৰ আঠ পৃষ্ঠাত চাওক

# দুশ টকাৰ চেক লাভ কৰাত মন্ত্ৰী-বিধায়কৰ সন্মুখতে ক্ষোভ হিতাধিকাৰীৰ

## পলাশবাৰীত প্ৰধানমন্ত্ৰী আৱাস যোজনা (গ্ৰামীণ)ৰ হিতাধিকাৰীক মঞ্জুৰিপত্ৰ বিতৰণ



অগ্ৰদূত বাৰ্তা
**পলাশবাৰী, ২৮ মে' ঃ** পলাশবাৰী সমষ্টিৰ আৰবি উচ্চতৰ মাধ্যমিক আৰু বহুমুখী বিদ্যালয় খেলপথাৰত আজি প্ৰধানমন্ত্ৰী আৱাস যোজনা (গ্ৰামীণ)ৰ হিতাধিকাৰীক মঞ্জুৰিপত্ৰ বিতৰণ আৰু 'অসম মাইক্ৰ'ফাইনেন্স উদগনি আৰু সকাহ আঁচনি, ২০২১ বিতৰণ সভা অনুষ্ঠিত হয়। ছয়ানী বৰদুৱাৰ আৰু ৰামপুৰ উন্নয়ন খণ্ডৰ উদ্যোগত অনুষ্ঠিত বিতৰণী সভাত আঁচনিখনৰ হিতাধিকাৰীসকলক চেক বিতৰণ আঠ পৃষ্ঠাত চাওক

# মালয়বাৰীত অগ্নিকাণ্ড

অগ্ৰদূত বাৰ্তা
**সোণাপুৰ, ২৮ মে' ঃ** ক্ষেত্ৰী আৰক্ষী থানাৰ অন্তৰ্গত মালয়বাৰীৰ শংকৰ নগৰত আজি এক অগ্নিকাণ্ডৰ সূত্ৰপাত ঘটে। দুপৰীয়া এক বজাত সংঘটিত হোৱা অগ্নিকাণ্ডত অমৃত দাস নামৰ লোকজনৰ বাসগৃহৰ একাংশ ক্ষতিগ্ৰস্ত হয়। গোহালিৰ মহ-মাখি খেদিবৰ বাবে লগাই থোৱা তুঁহ জুইৰ পৰা এই অগ্নিকাণ্ডৰ সূত্ৰপাত হোৱা বুলি অনুমান কৰা হৈছে। ঘটনাৰ খবৰ পোৱা মাত্ৰকে ঘটনাস্থলীত সোণাপুৰৰ পৰা যোৱা অগ্নিনিৰ্বাপক বাহিনীৰ লোক উপস্থিত হৈ জুই নিৰ্বাপণ কৰিবলৈ সক্ষম হয় । অৱশ্যে অগ্নি কাণ্ডৰ ফলত কোনো লোক হতাহত হোৱা নাই ।

# ২০ ঠাইতকৈ অধিক ঠাইত বিদ্যুৎ তাঁৰ ছিঙি বিদ্যুৎ সংযোগ ব্যাহত

# লালুকত বিধ্বংসী ধুমুহাৰ তাণ্ডৱঃ বাসগৃহ, গছ-গছনি ভাঙি তচ্ নচ্ কৰিলে বৃহৎ অঞ্চল

অগ্ৰদূত বাৰ্তা
**লালুক, ২৮ মে' ঃ** আজি দিনত অহা এজাক তীব্ৰ বেগী ধুমুহাই লালুকৰ এক বৃহৎ অঞ্চলত বিস্তৰ ক্ষতিসাধন কৰে। বিধ্বংসী ধুমুহাৰ ফলত বহু লোকৰ বাসগৃহ বিধ্বস্ত কৰাৰ লগতে গছ-গছনি ভাঙি-ছিঙি পেলোৱাৰ উপৰি বহু ঠাইত বিদ্যুতৰ তাঁৰ ছিঙি বিদ্যুৎ সংযোগ ব্যাহত কৰিছে। আজি দুপৰীয়া ১২ বজাত অহা ধুমুহাজাকে লালুকৰ কাষৰীয়া প্ৰায় ১০-১২ খন গাঁৱত বহু ক্ষতিসাধন কৰে। প্ৰাপ্ত তথ্য অনুসৰি, প্ৰচণ্ড ধুমুহাজাকে লালুক বাৰমাইল পুখুৰীয়া, ১০ মাইল, বোকানদী, পদুমনি, এক নম্বৰ ধৰ্মপুৰ, দুই নম্বৰ কেহুতলি, বলমা, পশ্চিম নাওবৈচা, বিষ্ণুপুৰ আদি কৰি প্ৰায় ১০-১২ খন গাঁৱত বিস্তৰ ক্ষতিসাধন কৰে। প্ৰচণ্ড ধুমুহাজাকে লালুক বাৰমাইল পুখুৰীয়াৰ দেৱজিৎ বৰাৰ পৰিয়ালৰ বাসগৃহটো সম্পূৰ্ণৰূপে ভাঙি আঠ পৃষ্ঠাত চাওক



# সোণতলী বজাৰত ড্ৰাগছসহ ধৃত কিশোৰ

অগ্ৰদূত বাৰ্তা
**সোণতলী, ২৮ মে' ঃ** আজি কামৰূপ জিলাৰ সোণতলী বজাৰৰ পৰা ৰাইজে খেদি খেদি কৰায়ত্ত কৰে ছফিকুল ইছলাম নামৰ এজন ড্ৰাগছ সৰবৰাহকাৰীক। পুৰাণগাঁৱৰ স্বাইজুদ্দিনৰ পুত্ৰ ছফিকুল ইছলাম (১৫)-এ বিক্ৰীৰ বাবে সোণতলী বজাৰত আনিছিল চাৰিটা ড্ৰাগছ কণ্টেইনাৰ। পাছত ৰাইজে কিশোৰজনৰ লগতে ড্ৰাগছ কণ্টেইনাৰসহ সোণতলী আৰক্ষীক গতাই দিয়ে।

# দুলীয়াজানত অগ্নিকাণ্ডত আঠখন ব্যৱসায়িক প্ৰতিষ্ঠান ভস্মীভূত

অগ্ৰদূত বাৰ্তা
**দুলীয়াজান, ২৮ মে' ঃ** তৈলনগৰী দুলীয়াজানৰ কুমুদ নগৰৰ প্ৰৱেশ পথৰ সমীপত থকা আঠখন ব্যৱসায়িক প্ৰতিষ্ঠান যোৱা নিশা সংঘটিত অগ্নিকাণ্ডত ভস্মীভূত হয়। স্থানীয়লোকে বিদ্যুৎ বিজুতিৰ ফলত উক্ত অগ্নিকাণ্ড সংঘটিত হোৱা বুলি সন্দেহ কৰিছে। উক্ত অগ্নিকাণ্ডত কে'বালাখ টকা মূল্যৰ সা-সম্পত্তি জাহ যায়। পাছত অইল ইণ্ডিয়া লিমিটেডৰ তিনিখনকৈ অগ্নিনিৰ্বাপক বাহিনীৰ বাহনে এঘন্টাজোৱা প্ৰচেষ্টাৰ অন্তত জুই নিৰ্বাপিত কৰে।

## চালকক আটক ঃ অন্ধকাৰৰ সুযোগ লৈ এজনৰ পলায়ন

# কমাৰগাঁৱত বাহনসহ জব্দ আঠটা বলদ গৰু



**খুমটাই, ২৮ মে' ঃ** গোলাঘাট জিলাৰ কমাৰগাঁও আৰক্ষীয়ে যোৱা নিশা অভিযান চলাই বাহনসহ জব্দ কৰিলে চোৰাংকৈ সৰবৰাহ কৰা আঠটা গৰু। আৰক্ষীয়ে লগতে বাহনখনৰ চালকক আটক কৰে। আৰক্ষী সূত্ৰই জনোৱা মতে, এক গোপন খবৰৰ ভিত্তিত আৰক্ষীৰ দল এটাই কমাৰগাঁৱৰ ৩৭ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথত তালাচী চলায়। তেতিয়াই এখন এএছ-০২ চিচি ৮৬১৬ নম্বৰৰ চোৰাং গৰুভৰ্তি বলেৰ' পিকআপ ভান জব্দ কৰাৰ লগতে গাড়ীখনৰ চালকক আটক কৰে। গাড়ীখনত আঠটা বলদ গৰু সৰবৰাহ কৰা হৈছিল। ধৃত চালকজনৰ ভাষ্য অনুসৰি, নিশা দেৰগাঁৱৰ দিছৈ অঞ্চলৰ আঠ পৃষ্ঠাত চাওক

# আমলখিত ৰেলৰ খুন্দাত মহিলা নিহত

অগ্ৰদূত বাৰ্তা
**চামগুৰি, ২৮ মে' ঃ** নগাঁও জিলাৰ চামগুৰিৰ আমলখি চাহ বাগিচাৰ ১০ নম্বৰ লাইনৰসমীপত থকা শিলঘাট-গুৱাহাটী ৰেল পথত আজি পুৱা এগৰাকী মহিলাৰ মৃতদেহ উদ্ধাৰ হয়। পুৱা ৮-৪৫ বজাত স্থানীয় লোকে ৰেলপথত এগৰাকী মহিলাৰ মৃতদেহ প্ৰত্যক্ষ কৰি শালনা আৰক্ষী চকীৰ আৰক্ষীক খবৰ দিয়ে। মহিলাগৰাকীৰ মৃতদেহটো উদ্ধাৰ হোৱাৰ ঘটনাৰ পাছতে অঞ্চলটোত চাঞ্চল্যৰ সৃষ্টি হয়। পৰৱৰ্তী সময়ত শালনা আৰক্ষী চকীৰ আৰক্ষী আৰু ৰেল বিভাগৰ এটা আৰক্ষীৰ দল ঘটনাস্থলীত উপস্থিত হৈ মৃতদেহটো উদ্ধাৰ কৰে। আৰক্ষীয়ে মৃতদেহটো শালনা বৰঘাটৰ ছয় নম্বৰ লাইনৰ নিবাসী মাৰ্গেৰ কৰ্মকাৰৰ পত্নী চান্দনী তাঁতী (২৩) বুলি চিনাক্ত কৰে। পুৱা আঠ পৃষ্ঠাত চাওক

# দিছপুৰ আৰক্ষীৰ জালত প্ৰৱঞ্চক ঃ সাক্ষাৎকাৰ ল'বলৈ আহি ৰাইজৰ ৰোষত অইলৰ ভুৱা গাণনিক বিষয়া

# অইলত চাকৰি দিয়াৰ নামত লাখ লাখ টকা আত্মসাৎ

ষ্টাফ ৰিপ'ৰ্টাৰ
**গুৱাহাটী, ২৮ মে' ঃ** অইল ইণ্ডিয়া লিমিটেডৰ বিভিন্ন পদত চাকৰি দিয়াৰ প্ৰলোভনেৰে বিভিন্নজনৰ পৰা টকা আত্মসাৎ কৰি অহা এজন প্ৰৱঞ্চকক আজি ৰাইজৰ সহযোগত দিছপুৰ আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হয়। ধৃত প্ৰৱঞ্চকজন বিবেক পাঠক(৪৫) বুলি আৰক্ষীয়ে সদৰী কৰিছে। উল্লেখ্য যে ধৃত পাঠকে আজি ছয়মাইলত এগৰাকী যুৱতীৰ চাকৰিৰ সাক্ষাৎকাৰ ল'বলৈ আহোতে পূৰ্বতে চাকৰিৰ নামত টকা লৈ থোৱা এটা পৰিয়ালৰ ৰোষত পৰে আৰু স্থানীয় ৰাইজে প্ৰৱঞ্চকটোক উত্তম-মধ্যম শোধাই থকাৰ অৱস্থাত আৰক্ষী উপস্থিত হৈ আটক কৰে। ঘটনাৰ সন্দৰ্ভত আৰক্ষীয়ে সদৰী কৰা অনুসৰি, ধৃত পাঠকে নিজকে অইলৰ গাণনিক বিষয়া বুলি পৰিচয় দি চাকৰি দিয়াৰ নামত বিভিন্নজনৰ পৰা ধন আত্মসাৎ কৰি আহিছিল। ৰুক্মিণীগাঁৱৰ এটা পৰিয়ালৰ যুৱকক অইলত অভিযন্তাৰ চাকৰি দিয়াৰ নামত এক লাখ ২০ হেজাৰ টকা প্ৰৱঞ্চনাৰে সৰকাইছিল আৰু আজি পৰিয়ালটোৰ তৎপৰতাত কৰায়ত্ত কৰিবলৈ সক্ষম হোৱা বুলি আৰক্ষীয়ে কয়। উল্লেখ্য যে ধৃত আঠ পৃষ্ঠাত চাওক

# লাহৰীঘাটত পুনৰ ড্ৰাগছসহ সৰবৰাহকাৰীক গ্ৰেপ্তাৰ

অগ্ৰদূত বাৰ্তা
**লাহৰীঘাট, ২৮ মে' ঃ** মৰিগাঁও জিলাৰ লাহৰীঘাটত আৰক্ষীয়ে অভিযান চলাই পুনৰ ড্ৰাগছসহ এজন সৰবৰাহকাৰীক গ্ৰেপ্তাৰ কৰে। ধৃত ড্ৰাগছ সৰবৰাহকাৰীজন কছাৰীবড়ীৰ ৰোকুন উদ্দিন (২৮)। যোৱা নিশা মৰিগাঁও আৰু লাহৰীঘাট আৰক্ষীয়ে যৌথভাৱে কছাৰীবড়ী গাঁৱত অভিযান চলাই ড্ৰাগছসহ লোকজনক গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হয়। আৰক্ষীয়ে আঠ পৃষ্ঠাত চাওক

# হৰিদেৱৰ তিথি উপলক্ষে কৈহাটীত ধৰ্মীয় পুথিভঁৰাল উদ্বোধন

**কৈহাটী, ২৮ মে' ঃ** শ্ৰীশ্ৰী হৰিদেৱৰ তিৰোধান তিথি উপলক্ষে শ্ৰীশ্ৰী হৰিদেৱ সত্ৰ, বৰকৈহাটী সত্ৰৰ পৰিচালনা সমিতিৰ উদ্যোগত অহা ৩০ মে'ত এটা ধৰ্মীয় পুথিভঁৰাল উদ্বোধন কৰা হ'ব। আঠ পৃষ্ঠাত চাওক



# স্বমহিমাৰে সমুজ্জ্বল লখিমপুৰৰ লীলাবাৰীস্থিত 'মৈত্ৰী আশ্ৰম'



অগ্ৰদূত বাৰ্তা
**লখিমপুৰ, ২৮ মে' ঃ** লখিমপুৰ লীলাবাৰীস্থিত উজ্জ্বলপুৰৰ 'মৈত্ৰী আশ্ৰমে' প্ৰতিষ্ঠা কালৰে পৰা আশ্ৰমৰ নিজস্ব ভাৱ মূৰ্তিৰ বৈশিষ্ট্যৰে সমুজ্জ্বল হৈ আজিও মৈত্ৰীৰ বাণী বিলাই আছে। ধেয় মৈত্ৰী, উদ্দেশ্য মৈত্ৰী, কাৰ্যক্ষম মৈত্ৰী- এই মহান উদ্দেশ্য শিৰোগত কৰি মৈত্ৰী ভাবাদৰ্শৰে প্ৰতিষ্ঠিত 'মৈত্ৰী আশ্ৰম' ভাৰতৰ সীমামূৰীয়া ভূটান, তিব্বত, চীন ব্ৰহ্মদেশৰ সৰ্বোদয়ৰ ভেটি হিচাপে পৰিচিত। ১৯৬২ৰ পাঁচ মাৰ্চত গান্ধীবাদী বিনোৱাজীয়ে প্ৰতিষ্ঠা কৰা এই আশ্ৰমে শ্ৰমৰ আধাৰত আধ্যাত্মিক সাধনা আৰু সমাজ সেৱাৰ আঠ পৃষ্ঠাত চাওক

দেওবৰীয়া দৈনিক
অগ্ৰদূত
গুৱাহাটী, দেওবাৰ ১৪ জেঠ ১৪২৯ ভাস্কৰাব্দ ২৯ মে' ২০২২



## ঐতিহাসিক ৰায়



উচ্চতম ন্যায়ালয়ে এক ঐতিহাসিক, সুদূৰপ্ৰসাৰী ৰায়দান কৰিছে গণিকা বৃত্তিৰ সন্দৰ্ভত। এই ৰায়ৰ যোগেদি দেশত গণিকা বৃত্তিক আইনগত স্বীকৃতি প্ৰদান কৰা হৈছে। ইয়াৰ ফলত দেশত প্ৰথমবাৰৰ বাবে আন বৃত্তিৰ দৰেই গণিকা বৃত্তিও আইনসন্মত অধিকাৰ হিচাপে পৰিগণিত হ'ল। সেই অনুসৰি গণিকা বৃত্তি এক অপৰাধ নহয়, ই বেআইনীও নহয়। উল্লেখ্য যে যোৱা ২০২০তেই বোম্বে উচ্চ ন্যায়ালয়ে তিনিগৰাকী যৌনকৰ্মীক কাৰাগাৰৰ পৰা মুক্তি দিছিল গণিকা বৃত্তি অপৰাধ নহয় বুলি যুক্তি দৰ্শাই। বোম্বে উচ্চ ন্যায়ালয়ৰ এনে ৰায়ৰ পাছত উচ্চতম ন্যায়ালয়ৰ ৰায়দান সমগ্ৰ দেশৰ সকলো ৰাজ্য তথা কেন্দ্ৰীয় শাসিত অঞ্চলবোৰত প্ৰযোজ্য হ'ব। এই মুহূৰ্তত ভাৰতত আঠ-ন লাখ গণিকা বৃত্তিৰ স'তে জড়িত মহিলা আছে আৰু উচ্চতম ন্যায়ালয়ৰ ৰায়ে সেইসকলৰ জীৱনৰ ওপৰত ইতিবাচক প্ৰভাৱ পেলাব বুলি আশা কৰা হৈছে। উচ্চতম ন্যায়ালয়ৰ ন্যায়াধীশ এল নাগেশ্বৰ ৰাও, ন্যায়াধীশ বি আৰ গভয় আৰু ন্যায়াধীশ বি এছ বোপান্নাৰ বিচাৰপীঠে দিয়া ৰায় অনুসৰি গণিকালয় বা গণিকা বৃত্তিত জড়িত মহিলাসকলৰ ওপৰত আৰক্ষী তথা প্ৰশাসনে আতিশয্য চলাব নোৱাৰিব, তেওঁলোকক গ্ৰেপ্তাৰ কৰিব নোৱাৰিব আৰু তেওঁলোকৰ বিৰুদ্ধে অপৰাধৰ গোচৰ ৰুজু কৰিব নোৱাৰিব। আন বৃত্তি যিদৰে সন্মানজনক, সেইদৰে গণিকা বৃত্তিও সন্মানজনক আৰু যৌনকৰ্মীসকল সেয়ে সন্মানৰ যোগ্য। এইটো যিহেতু এটা বৃত্তি হিচাপে যৌনকৰ্মীসকলে গ্ৰহণ কৰিছে, সেয়ে এক বৃত্তি হিচাপেই ইয়াক সন্মানৰ চকুৰে চাব লাগিব। উল্লেখ্য যে বৰ্তমান ভাৰতত, ভাৰতীয় সমাজত গণিকা বৃত্তিক নিকৃষ্ট বৃত্তি হিচাপে, বেআইনী হিচাপে, এক অপৰাধ হিচাপে গণ্য কৰা হয়। কোনো যৌনকৰ্মীক সন্মান কৰা নহয়, সন্মানৰ চকুৰে চোৱা নহয়। তেওঁলোকক সমাজৰ মূলসুঁতিৰ পৰা বিচ্ছিন্ন কৰি ৰখা হয়। তেওঁলোক যি ঠাইত থাকে, সেই ঠাইক 'নিষিদ্ধ গলি', 'ৰেড লাইট' অঞ্চল বুলি কোৱা হয়। গণিকা বৃত্তিত জড়িত মহিলাসকলক সকলোৱেই শোষণ-নিৰ্যাতন চলোৱা দেখা যায়। যিসকল লোকে তেওঁলোকক ৰাখে আৰু এই বৃত্তিত জড়িত কৰে, সেইসকলেও তেওঁলোকক প্ৰাপ্য ধন নিদিয়ে; তেওঁলোকক অৱদমন কৰি ৰখা হয়। যৌনকৰ্মীসকলৰ ইচ্ছা-অনিচ্ছাৰ মূল্য দিয়া নহয়। তেওঁলোকক পৰাধীন আৰু যৌন দাসীৰ দৰে ৰখা হয়। বেংক একাউন্ট নাইবা আন বিত্তীয় সাহায্য, আধাৰ কাৰ্ড আদিৰ পৰাও তেওঁলোকক বঞ্চিত কৰি ৰখা হয়। তেওঁলোকে সেয়ে চৰকাৰৰ জনকল্যাণমূলক আঁচনিবোৰ লাভ কৰিব নোৱাৰে। দেশৰ নাগৰিক হোৱা সত্ত্বেও ভোটদানৰ অধিকাৰৰ পৰাও বঞ্চিত। তেওঁলোক দেশৰ দ্বিতীয় শ্ৰেণীৰ নাগৰিক, যিসকল নাগৰিকৰ মৌলিক অধিকাৰৰ পৰা বঞ্চিত।

উচ্চতম ন্যায়ালয়ৰ শেহতীয়া ৰায় সেয়ে অত্যন্ত গুৰুত্বপূৰ্ণ আৰু সুদূৰ প্ৰসাৰী। দেশৰ লাখ লাখ গণিকা বৃত্তিত জড়িত মহিলাৰ বৃত্তিটো এতিয়াৰ পৰা অপৰাধ নহ'ব। দেশৰ আন নাগৰিকৰ সমানেই সকলো অধিকাৰ লাভ কৰিব তেওঁলোকে। আনবোৰ লোকে পোৱাৰ দৰেই সমাজত তেওঁলোকে স্থান লাভ কৰিব। তেওঁলোকক কোনেও গণিকা বৃত্তিত জড়িত থকাৰ বাবে হেয় কৰিব নোৱাৰিব। উচ্চতম ন্যায়ালয়ৰ এই ৰায়ে ভাৰতীয় সমাজৰ বাবে, বিশেষকৈ মহিলা সমাজৰ বাবেও সুদূৰপ্ৰসাৰী পৰিৱৰ্তনৰ বাৰ্তা দিছে; কিন্তু দেশবাসীয়ে এই ৰায়ক কিদৰে গ্ৰহণ কৰে, সেইটো লক্ষ্যণীয় হ'ব। নানান অন্ধবিশ্বাস, কুসংস্কাৰ ভাৰতীয় সমাজ-সংস্কৃতিত আজিও বৰ্তি আছে। চৰকাৰ-প্ৰশাসনৰ দায়িত্ব হ'ল, সেই কুসংস্কাৰসমূহ দূৰ কৰাত সহায় কৰা বা ইয়াৰ বাবে পদক্ষেপ গ্ৰহণ কৰা। বিশেষকৈ উচ্চতম ন্যায়ালয়ৰ ৰায়ৰ পাছত কেন্দ্ৰীয় চৰকাৰ, ৰাজ্য চৰকাৰ তথা প্ৰশাসনে গণিকা বৃত্তিৰ সন্দৰ্ভত জড়িত কুসংস্কাৰবোৰৰ পৰা দেশৰ জনসাধাৰণক মুক্ত কৰাৰ ব্যৱস্থা হাতত লোৱাটো প্ৰধান দায়িত্ব। এনে দায়িত্বৰ প্ৰতি অৱহেলা মানে প্ৰকৃততে উচ্চতম ন্যায়ালয়ৰ ৰায়ৰ প্ৰতি অৱহেলা। আৰক্ষী-আদালতেও উচ্চতম ন্যায়ালয়ৰ ৰায় অনুসৰি পদক্ষেপ গ্ৰহণ কৰাটো জৰুৰী হৈ পৰিছে। উচ্চতম ন্যায়ালয়ে গণিকা বৃত্তি আৰু গণিকা বৃত্তিত জড়িত মহিলাসকলৰ নাগৰিক অধিকাৰসমূহ তথা ব্যক্তিগত স্বাধীনতাক স্বীকৃতি দিছে বা এই বৃত্তিক অপৰাধ হিচাপে গণ্য কৰাত বাধা আৰোপ কৰিছে। লগতে বলপূৰ্বক গণিকা বৃত্তিত জড়িত কৰোৱা, নাইবা গণিকা বৃত্তিৰ বাবে যুৱতী-মহিলাক প্ৰৰোচিত কৰা, ধনৰ বিনিময়ত সৰবৰাহ কৰা আদি কাৰ্যবোৰক অপৰাধ হিচাপে ঘোষণা কৰিছে। অপ্ৰাপ্তবয়স্ক ছোৱালীক এই বৃত্তিত জড়িত কৰোৱাৰ অপচেষ্টাও বেআইনী আৰু অপৰাধমূলক কাৰ্য হিচাপে পৰিগণিত হৈ থাকিব। এই ক্ষেত্ৰত আৰক্ষী প্ৰশাসনৰ লোকসকল সজাগ হোৱা আৰু প্ৰশিক্ষণপ্ৰাপ্ত হোৱাৰ প্ৰয়োজন আছে। ন্যায়ালয়ৰ ৰায়, মানৱ অধিকাৰ আদিৰ বিষয়ত আৰক্ষী-প্ৰশাসনৰ লোকসকল সজাগ-সচেতন হোৱা উচিত। দেশৰ আইনেও গতিশীল ৰূপ লাভ কৰা দেখা গৈছে। সেয়ে আইনৰ ৰখীয়াসকল, আৰক্ষী প্ৰশাসন এই সন্দৰ্ভত সজাগ-সচেতন হ'ব লাগিব। ন্যায়ালয়ৰ ৰায় কাৰ্যকৰী কৰা, মানি চলাৰ ক্ষেত্ৰত আৰক্ষী-প্ৰশাসনৰ দায়িত্ব বেছি। সমাজলৈ পৰিৱৰ্তন অনাত এই বিভাগবোৰে সম্পূৰ্ণ সহায়-সহযোগ আগবঢ়াব লাগিব। কেৱল উচ্চতম ন্যায়ালয় বা উচ্চ ন্যায়ালয়ৰ ৰায়েই সমাজৰ পৰিৱৰ্তন সাধন কৰিব নোৱাৰিব। বিভিন্ন এজেন্সী বা বিভাগবোৰে এই কাৰ্যত সহায়-সহযোগ আগবঢ়াব লাগিব। 'নিষিদ্ধ', 'অপৰাধ' হিচাপে পৰিগণিত হৈ অহা সংস্কৃতি-পৰম্পৰাক বৈধ, আইনসন্মত আৰু মহিলাৰ বৃত্তিগত অধিকাৰ হিচাপে স্বীকৃতি দিয়াৰ বাবে এতিয়াই ভাৰতীয় সমাজ হয়তো প্ৰস্তুত নহয়। ইয়াৰ বাবে হয়তো সমাজক কিছু সময়ৰ প্ৰয়োজন হ'ব; কিন্তু উচ্চতম ন্যায়ালয় নাইবা উচ্চ ন্যায়ালয়সমূহৰ ৰায়ক দেশৰ সকলোৱে সন্মান জনাবই লাগিব। উচ্চতম ন্যায়ালয়ে যদি প্ৰচলিত কুপ্ৰথা বা কুসংস্কাৰৰ বিৰুদ্ধে ৰায় দিছে, তেন্তে সেই কুসংস্কাৰবোৰ পৰিহাৰ কৰাৰ বাহিৰে জনসাধাৰণৰ বাবে আন বিকল্প নাই। পশ্চিমীয়া দেশবোৰত গণিকা বৃত্তি আগৰে পৰাই আইন-আদালতৰ দ্বাৰা স্বীকৃত বৃত্তি। ভাৰতে পশ্চিমৰ পৰা বেলেগ বুলি গণ্য কৰি এই বৃত্তিক অপৰাধ, ঘৃণনীয়, নিকৃষ্ট আৰু সন্মান হানিকাৰক বুলি এই অতি প্ৰাচীন বৃত্তিত জড়িত মহিলাসকলক অৱদমন কৰি, নিৰ্যাতন চলাই থকাটো সমাজৰ পৰিৱৰ্তনৰ বাবে হেঙাৰ হৈ পৰিব পাৰে। একাংশ ধৰ্মীয় মৌলবাদীয়ে হয়তো উচ্চতম ন্যায়ালয়ৰ ৰায়ৰ প্ৰতি ইতিবাচক সঁহাৰি দিয়াৰ পৰিপন্থী হৈ থিয় দিব। এই ক্ষেত্ৰত চৰকাৰ-প্ৰশাসন তথা জনসাধাৰণৰ দায়িত্ব বেছি। বিশেষকৈ নাৰী স্বাধীনতাৰ হকে মাত মাতি অহাসকলে উচ্চতম ন্যায়ালয়ৰ ৰায় সঠিকভাৱে কাৰ্যকৰী কৰাত ভূমিকা পালন কৰিব লাগিব। নাৰীক সম-অধিকাৰ, সম-মৰ্যাদাৰ অধিকাৰী কৰাৰ ক্ষেত্ৰত উচ্চতম ন্যায়ালয়ৰ ৰায়ে সুদূৰপ্ৰসাৰী ভূমিকা ল'ব। নাৰীক নিকৃষ্ট অস্পৃশ্যৰ শাৰীলৈ ঠেলি দিয়া কুসংস্কাৰৰ পৰা উদ্ধাৰ কৰিব বুলিও আশা কৰা হৈছে।

# দিগন্তৰ পৰা দিগন্তলৈ কেৱল শূন্যতা

## সুন্দৰ অসমৰ সপোন দেখা ৮৬০ গৰাকী ছহিদ এতিয়া নিজেই অতীত



### আত্মজিজ্ঞাসা

কানাডাৰ পৰা **মুস্তাফিজুৰ ৰহমান**

মানুহৰ অসহায়তা এতিয়া দেশৰ ইতিহাসত সবাতোকৈ ভয়াৱহ। জীৱন যাত্ৰাত চাপ। উৎকণ্ঠাত মানুহ। নিত্য প্ৰয়োজনীয় বয়-বস্তুৰ দাম দিনে দিনে বাঢ়িয়েই আছে। দেশৰ মানুহ যে ভালে নাই, সেয়া বুজাৰ ক্ষমতা ক্ষমতাসীন চৰকাৰে বহু আগতেই হেৰুৱাই পেলাইছে। সেইবাবেই প্ৰয়োজনীয় পণ্যৰ অস্বাভাৱিক মূল্যবৃদ্ধিৰ পাছতো মন্ত্ৰী-বিধায়ক চৰকাৰৰ উচ্চ পৰ্যায়ৰ দায়িত্বশীল ব্যক্তিয়ে অসংলগ্ন বক্তব্য প্ৰকাশ কৰিছে। আমাৰ ৰাজনৈতিক সংস্কৃতিত সহমৰ্মিতা, শ্ৰদ্ধাবোধ, ন্যায়পৰায়ণতা, নৈতিকতা, আদৰ্শ আৰু বিদ্যা শিক্ষাৰ এতিয়া আকাল চলিছে। বিদ্যা শিক্ষা কেৱল ডিগ্ৰী অৰ্জন নহয়, তাৰ ভিতৰত আৰু কিছু নিহিত আছে, যিয়ে চিহ্নিত কৰে সংস্কৃতিক।

চৰকাৰৰ এটা বছৰ পূৰ্ণ হ'ল। ধুমধামেৰে পালন কৰা হ'ল বৰ্ষপূৰ্তি। ক্ষমতাৰ দম্ভ, উন্নাসিকতাই কোনো দল, গোষ্ঠী নাইবা ব্যক্তিৰ বাবে কল্যাণ কঢ়িয়াই নানে। অসুস্থ ৰাজনীতিৰ অসভ্য কৰ্মকাণ্ডৰ চিত্ৰপট চৌদিশে উদ্ভাসিত। ৰাজনৈতিক শিষ্টাচাৰ আৰু সংস্কৃতিৰ ঘটিছে ৰক্তক্ষৰণ। জাতীয় স্বাৰ্থ, দলীয় স্বাৰ্থ আৰু ব্যক্তি স্বাৰ্থ একেবাৰেই ভিন্ন তিনি ধৰণৰ বিষয়। জাতীয় স্বাৰ্থ আৰু দলীয় স্বাৰ্থ এক হ'লে শুভ ফল কঢ়িয়াই আনে। তুচ্ছ বিষয়ত আমি বিপুল সময় আৰু প্ৰচুৰ মেধা নষ্ট কৰিছো আৰু জাতীয় জীৱনৰ গভীৰতৰ বিষয় পৰি আছে অন্ধকাৰত। বিভেদ আৰু বিচ্ছেদৰ, ঘৃণা আৰু হিংসাৰ ৰাজনীতিয়ে আৱৰি আছে দেশ। মানুহে মানুহে নাই সম্প্ৰীতি ভালপোৱা। নাই জীয়াই থকাৰ আশা আৰু আশ্বাস। সুখত থাকিবৰ বাবে দেশততো তেনে একোৱেই নাই।

দিগন্তৰ পৰা দিগন্তলৈ শূন্যতা। কেৱল শূন্যতা। ৮৬০ গৰাকী ছহিদৰ লক্ষ্য আছিল সুন্দৰ ভৱিষ্যৎ। তেওঁলোক নিজেই এতিয়া অতীত। ছহিদৰ সৌধ গঢ়ো মই বিবেকেৰে। মালা গাঁথো শব্দেৰে। ছহিদৰ স্বপ্ন আছিল। আদৰ্শ আছিল। সেই স্বপ্ন আৰু আদৰ্শই তেওঁলোকক পৰিণত কৰিছে ৰক্ত মাংসহীন অস্থিত। চৰকাৰে ছহিদক কৰিছে গৌৰৱহীন। পাহৰি গৈছে তেজ আৰু অশ্ৰুৰ প্ৰতিশ্ৰুতি। সিহঁতৰ ক্ষমতাই নাজানে কোনো ভদ্ৰতা। অনেক অপমান কৰি নিজকে কৰিছে সন্মানিত। সিহঁতে হয়তো নাজানে যে ক্ষমতা লৈ দাম্ভিকতাৰ একো নাই। ক্ষমতাৰ দৰ্প চূৰ্ণ হ'বলৈ বেছি সময় নালাগে। ক্ষমতা হেৰুৱাই ডাষ্টবিনত হেৰাই যোৱা মানুহ এই যুগত কম নহয়।

দেশৰ বুকুতেই জীয়াই থাকে দেশ। এখন দেশ থাকে মানচিত্ৰত। আনখন বুকুৰ মাজত।

**দুই**

ক্ষুধাৰ বাহিৰেও আৰু কিছু আলোহীনতাই ক্ষুধাক্লান্ত মানুহক থাকে আৱৰি। মন আৰু মননত আহত পৰ্যুদস্ত মানুহ হৈ পৰে নিৰুপায় ক্ৰীতদাস। দেশত সেয়াই নিৰ্যাতিত আৰু পৰাজিত শ্ৰমজীৱী মানুহৰ জীৱন। সমগ্ৰ জীৱন যিসকলে হাঁড় ভঙা পৰিশ্ৰম কৰে, তেওঁলোকে কিছু মানুহৰূপী দৈত্যকুলৰ অন্তহীন দৌৰাত্ম্যত অনন্তকাল ধৰি বঞ্চিত থাকে, ন্যূনতম পেটৰ জুই নুমুৱাবৰ বাবে যিখিনি আহাৰৰ দৰকাৰ সেইখিনিও নাপায়। অপ্ৰাপ্তিৰ বেদনাৰে পীড়িত বিধ্বস্ত ক্ষত-বিক্ষত নাজানে সিহঁতে জীৱন কাক কয়? জীৱনৰ সুখে সিহঁতক নকৰে স্পৰ্শ। কেৱল দুখৰ স্বৰূপ চিনি পায়। তেওঁলোকৰ দুখ-দুৰ্দশাৰ বিলুপ্তি ঘটোৱাৰ কথা মুখ্যমন্ত্ৰীয়ে চিন্তা নকৰে। মুখ্যমন্ত্ৰীৰ চিন্তা মাদ্ৰাছা শব্দটো বিলুপ্ত কৰাৰ। তাৰ বাবে আৰ এছ এছৰ হাত চাপৰি পাব পাৰে; কিন্তু সমস্যাৰ সমাধান নহয়। বাঢ়ে।

দেশত এতিয়া আচল-নকল, জাল-ভেজালৰ জঞ্জাল। নিৰ্ভেজাল বস্তু দেশত এতিয়া দুৰূহ। সকলোতে ভেজাল কেৱল ডাবৰ পানীৰ বাহিৰে। ভেজাল কেৱল খাদ্যত নহয়। ভেজাল তথ্যত। ভেজাল সত্যত। আজি-কালি হিমন্ত বিশ্বৰ প্ৰশংসা কৰাৰ প্ৰতিযোগিতাত নামিছে একাংশ বুদ্ধিজীৱী। চৰকাৰৰ এবছৰ পাৰ হৈ গ'ল, আজিলৈকে সম্পূৰ্ণ মন্ত্ৰীসভা গঠন নহ'ল। জধে-মধে অৱশ্যে বহুতকে কেবিনেট মৰ্যাদা দিয়া হৈছে। 'আকৌ এবাৰ মোদী চৰকাৰ' গানটোৰ গায়কজনক দিয়া হৈছে চলচ্চিত্ৰ নিগমৰ অধ্যক্ষৰ পদ। পদটোৰ বাবে তেওঁ যোগ্যনে? আজি বিজেপিত আচল বিজেপি কোনো নাই। আন দলৰ পৰা দলত্যাগ কৰি অহা দুৰ্নীতিবাজবোৰৰেই দপ্‌দপনি।

দেশত শিক্ষিত নিবনুৱাৰ সংখ্যা ২৫ লাখ। বেকাৰত্বই মানুহক আত্মমৰ্যাদাহীন কৰি তোলে। সৃষ্টিশীলতা পৰিণত হয় ধ্বংসস্তূপত। সেই স্তূপৰ বোজা বহন কৰি ক্লান্ত হয়। হেৰাই যায় আত্মবিশ্বাস। ২৫ লাখ নিবনুৱাৰ বাবে চৰকাৰৰ কোনো চিন্তা-ভাৱনা নাই। পূৰণ কৰিছে কেৱল খালী হৈ থকা পদ। নতুন চাকৰি সৃষ্টি কৰিব পৰা নাই। পাতিছে কেৱল উৎসৱ। উৎসৱমুখৰ এখন দেশ, তাতে আকৌ চুলাই মদেও লাভ কৰিছে চৰকাৰী স্বীকৃতি। উৎসৱ আৰু মদ। কি মধুৰ সংযোগ। চৰকাৰ গদ্‌গদ্‌।

**তিনি**

অসভ্যতাৰ এক আন্তৰ্জাতিক সূচক আছে। সূচকটো হ'ল ৰাষ্ট্ৰৰ সামৰিক বাজেট। অফিচিয়েলি নহ'লেও অসভ্যতা নিৰ্ণয়ৰ বাবে ইয়াতকৈ ভাল পৰিমাপ আৰু কি হ'ব পাৰে? এই অসভ্যতাৰ এক নম্বৰত আছে আমেৰিকা যুক্তৰাষ্ট্ৰ। আমেৰিকাৰ সামৰিক বাজেট ৫৯৬ বিলিয়ন ডলাৰ। দুই নম্বৰত চীন। ২১৫ বিলিয়ন ডলাৰ। তিনি নম্বৰত ছৌদি আৰৱ। চাৰি নম্বৰত ৰাছিয়া আৰু পাঁচ নম্বৰত গ্ৰেট ব্ৰিটেইন।

ছৌদি আৰৱে আমেৰিকাৰ ৰাজকোষ পূৰ্ণ কৰে বিলিয়ন বিলিয়ন ডলাৰৰ অস্ত্ৰ কিনি। মধ্যপ্ৰাচ্যৰ জংগী তৎপৰতাৰ মূল উৎস ছৌদি আৰৱৰ অস্ত্ৰভাণ্ডাৰ। ছৌদি আৰৱৰ এক ৰাজহ আহে পিলিগ্ৰিমেজ ট্যুৰিজমৰ পৰা। মুছলমানে মক্কাত যেতিয়া হজ কৰিবলৈ যায়, তাৰ অংশ এটা যায় ছৌদি ৰাজকোষলৈ। আৰু তাৰে এটা অংশ যায় আমেৰিকাৰ ৰাজকোষলৈ। প্ৰতিজন মুছলমানৰ বাবে হজ এক আৱেগৰ নাম। দুখজনক হ'লেও সত্য এয়াই যে নাচিম চাচাই গাঁৱৰ মাটি বিক্ৰী কৰি যেতিয়া হজ কৰিবলৈ যায়, তেতিয়া তাৰে এটা অংশ যায় আমেৰিকাৰ ৰাজকোষলৈ।

মোৰ শ্বেতাংগ বন্ধু এজনৰ পুত্ৰই আমেৰিকান অস্ত্ৰ নিৰ্মাণ কোম্পানী এটাৰ উচ্চ পদস্থ বিজ্ঞানী। বন্ধুৱে গৌৰৱেৰে মোৰ আগত পুত্ৰৰ কৃতিত্বৰ কথা কয়; কিন্তু পুত্ৰৰ নিৰ্মিত অস্ত্ৰ-শস্ত্ৰই হেজাৰ হেজাৰ মানুহৰ মৃত্যু ঘটোৱা বাবে বন্ধুপত্নীৰ মনত দুখ। কাৰণ এটাই, কিন্তু মানুহৰ মনত সেয়া বিভিন্ন ধৰণে ক্ৰিয়া কৰে।

**চাৰি**

এয়া এক নিৰ্মম আৰু কঠিন সত্য যে ধৰ্মপ্ৰচাৰ আৰু ধৰ্মীয় প্ৰভাৱ বিস্তাৰৰ বাবে পৃথিৱী ৰক্তাক্ত হৈছে বহুবাৰ। পৃথিৱীত আজি আমি যিবোৰ প্ৰচলিত ধৰ্ম আৰু ধৰ্মবিশ্বাস প্ৰত্যক্ষ কৰো, তাৰ ইতিহাস নিৰ্মমতাৰ ইতিহাস। প্ৰচলিত কোনো ধৰ্মই ৰক্তপাতহীনভাৱে ইমান দীৰ্ঘপথ অতিক্ৰম কৰি অহা নাই।

ইংৰাজ ধৰ্মযাজক ৰেভাৰেণ্ড চি এফ এণ্ড্ৰুজে তেওঁৰ ডায়েৰীত লিখিছে ঃ সাধাৰণ মানুহে নিজকে বিমূৰ্ত চিন্তাৰ স্তৰত তুলিব নোৱাৰে বুলি গান্ধীয়ে বিশ্বাস কৰিছিল। ৰবীন্দ্ৰনাথে বিশ্বাস কৰিছিল বিমূৰ্ত চিন্তাৰ মাধ্যমেই বিমূৰ্ত ঈশ্বৰ চিন্তা। মহাত্মা গান্ধী আৰু মনীষী ৰবীন্দ্ৰনাথৰ এই বিপৰীতমুখী বিশ্বাসেই প্ৰচলিত ধৰ্মবিশ্বাসৰ স'তে অলৌকিক ঈশ্বৰ বিশ্বাসৰ পাৰ্থক্য। যদিও প্ৰচলিত সকলো ধৰ্মবিশ্বাসৰ মূলতেই অলৌকিক ঈশ্বৰৰ সান্নিধ্য, কৃপা কিম্বা সন্তুষ্টি লাভ।

মানুহে নিজে যিটো সমাধান কৰিব নোৱাৰে, কিম্বা মানুহ নানা ঘাত-প্ৰতিঘাতত জৰ্জৰিত হৈ যেতিয়া নিতান্ত অসহায়, তেতিয়া অলৌকিক কোনোবাই সাহায্য কৰিব বুলি ভাবিবলৈ ভাল লাগে। ঈশ্বৰ কিম্বা অলৌকিক শক্তিৰ প্ৰতি মানুহৰ বিশ্বাসৰ মূল কথা হয়তো এয়াই। আমি যাক অৱতাৰ কিম্বা নবী পয়গম্বৰ বুলি জানো, তেওঁলোক আচলতে অলৌকিক ঈশ্বৰৰ স'তে লৌকিক মানুহৰ এক সেতু বন্ধনৰ উপায় মাত্ৰ।

জ্ঞান-বিজ্ঞান প্ৰযুক্তি যুক্তিৰ উৎকৰ্ষ সত্ত্বেও কিছু সীমাবদ্ধতা সদায়েই থাকিব আৰু থাকিব কিছু অজানা অচিন অসহায়ত্ব। তাৰ স'তে ৰাজনীতি, বৈষম্য, বিভাজন কিম্বা আনক শোষণ কৰাৰ ইচ্ছা। আৰু ইয়াৰ বাবেই ঈশ্বৰ বিশ্বাস কেতিয়াবা আহে সহজাত হিচাপত আৰু কেতিয়াবা আহে ধৰ্মবিশ্বাসক নিজ নিজ স্বাৰ্থত ব্যৱহাৰৰ মাধ্যমত। ধৰ্মীয় বিধি নিষেধ মানি চলা আৰু ধৰ্মীয় উন্মাদনা, উন্মত্ততা আৰু উগ্ৰতা প্ৰকাশ কৰা একে নহয়। ধৰ্মৰ সৌন্দৰ্য আৰু শাশ্বত শান্তিৰ বাণীক উদ্ধাৰ কৰাৰ দায়িত্ব সাধাৰণ মানুহৰ হাতত। এই সত্য যিমান সোনকালে আমি উপলব্ধি কৰিব পাৰিম সিমানেই আমাৰ মংগল।

**পাঁচ**

ন্যায়-অন্যায়, কৰ্তব্য-অকৰ্তব্য বিচাৰ কৰাই নীতি শাস্ত্ৰৰ প্ৰধান লক্ষ্য। ন্যায়সংগত আৰু হিতকৰ বিধানবোৰকেই বোলা হয় নীতি। নীতি হ'ল অধৰ্ম আৰু অন্যায়ৰ বিপৰীত শব্দ। নীতিজ্ঞানেই নিৰ্ধাৰণ কৰে ভাল আৰু কল্যাণৰ সীমা। নীতিজ্ঞানৰ পৰাই জন্ম নৈতিকতাৰ। বিশ্বনবীয়ে নৈতিক শক্তিৰ বলতেই জয় কৰিছিল অন্ধকাৰ যুগৰ সময়ক। পৰিস্থিতিক। শাশ্বত সত্যৰ কাষত পৰাজিত হৈছিল অসত্য, অসুন্দৰ, অমানসিকতা। সেয়া এক চিৰায়ত সুন্দৰ ধাৰণাৰ উৎকৃষ্ট উপমা। মানৱতাবাদৰ জয়গান অস্ত্ৰ নহয়, অৰ্থ নহয়, শৌৰ্য-বীৰ্য নহয়, কেৱল নৈতিকতাৰ কাষতেই পৰাভৱ মানিছিল জাহেলিয়াত। গুণগত পৰিৱৰ্তনৰ ছাঁ পৰিছিল সমাজৰ ৰন্ধ্ৰে ৰন্ধ্ৰে। নতুন মাত্ৰা লাভ কৰিছিল ভ্ৰাতৃত্বৰ সংজ্ঞাই। ধৰ্মীয় সম্প্ৰীতিয়ে ওফৰাই পেলাইছিল সাম্প্ৰদায়িক বিদ্বেষ। জন্ম হৈছিল বিশ্বজনীন ভ্ৰাতৃত্বৰ ভ্ৰূণ।

> **শান্তি মানে প্ৰশান্তি। শান্তি মানে উৎকণ্ঠা শূন্যতা। শান্তিৰ সলনি দেশত চৌদিশে বিদ্বেষ-বিভ্ৰান্তি। সমাজৰ ক্ষুদ্ৰ এক অংশৰ বাবে সমাজৰ শান্তি বিনষ্ট হৈ পৰিছে। নিৰাপত্তাহীন হৈ পৰিছে মানুহৰ জীৱন। চৌদিশে বিদ্যমান এক ভীতিজনক পৰিস্থিতি। সাম্প্ৰদায়িকতাই শিপা মেলিছে**

চীনৰ জিং জিয়াং প্ৰদেশৰ বেছিভাগ মানুহেই মুছলমান। চীন চৰকাৰে দীঘল দাড়ি ৰখাৰ বিৰুদ্ধে আগতে নিষেধাজ্ঞা জাৰি কৰিছে। এইবাৰ নিষিদ্ধ কৰা হৈছে মুছলিম শিশুৰ ইছলাম, কোৰান, জেহাদ, মক্কা, মদিনা, হজ, ছাদ্দাম আদি নাম। চৰকাৰৰ ফালৰ পৰা কোৱা হৈছে এনে ধৰণৰ নাম ৰাখিলে শিশুৱে সকলো ধৰণৰ চৰকাৰী সুযোগ-সুবিধা, স্বাস্থ্যসেৱা, শিক্ষাসেৱা আৰু সামাজিক সেৱাৰ পৰা বঞ্চিত হ'ব। ভাৰততো বাঢ়িছে মুছলিম বিদ্বেষ। পুৰণিকলীয়া মছজিদবোৰ ভাঙি মন্দিৰ নিৰ্মাণ কৰাৰ লক্ষ্য আৰ এছ এছৰ। বাবৰি মছজিদ ভাঙি ৰাম মন্দিৰ হ'ল। লক্ষ্মণৰো এটা ১৫১ ফুট ওখ মূৰ্তি ১৫ কোটি টকাৰে নিৰ্মিত হ'ব। দেশৰ লাখ লাখ মানুহ ক্ষুধাতুৰ। পেটত নাই অন্ন। সিহঁতৰ কথা চিন্তা নকৰি মছজিদ ভঙাৰ চিন্তাত ব্যস্ত আৰ এছ এছ।

শান্তি মানে প্ৰশান্তি। শান্তি মানে উৎকণ্ঠা শূন্যতা। শান্তিৰ সলনি দেশত চৌদিশে বিদ্বেষ-বিভ্ৰান্তি। সমাজৰ ক্ষুদ্ৰ এক অংশৰ বাবে সমাজৰ শান্তি বিনষ্ট হৈ পৰিছে। নিৰাপত্তাহীন হৈ পৰিছে মানুহৰ জীৱন। চৌদিশে বিদ্যমান এক ভীতিজনক পৰিস্থিতি। সাম্প্ৰদায়িকতাই শিপা মেলিছে।

**ছয়**

স্কুলত শিক্ষকে উপদেশ দিছিল— মানুহ হোৱা। মানুহ। মনে মনে ভাবিছিলো মানুহ হৈয়েতো জন্মগ্ৰহণ কৰিছো। দুনাই মানুহ হ'ম কেনেকৈ? আচলতে শিক্ষকে কোৱা মানুহ হোৱাৰ অৰ্থ আছিল মানৱীয় গুণাৱলী অৰ্জন কৰাটো। সমাজ আৰু ৰাষ্ট্ৰত যিবোৰ গুণক মহৎ আৰু ইতিবাচক বুলি বিবেচনা কৰা হয়, সেয়াই হৈছে মানৱীয় গুণাৱলী। সেই গুণাৱলীৰ দুটা দিশ। এটাই স্বকীয় সত্তাক প্ৰকাশ কৰে। যেনে ব্যক্তিগত সাহস, সততা, দয়া-মায়া-স্নেহ-ভালপোৱা। দ্বিতীয়টোৱে সমষ্টিক লালন কৰে। যেনে ন্যায়ৰ প্ৰতিষ্ঠা, অন্যায়ৰ প্ৰতিৰোধ, সহযোগিতা, সহমৰ্মিতা, পৰোপকাৰিতা আৰু সামাজিকতা। মানুহৰ মাজত পাশৱিক স্বভাৱ আছে আৰু ঐশ্বৰিক গুণো আছে। পাশৱিক স্বভাৱ দমন কৰি ঐশ্বৰিক গুণক ফুটাই তুলিব পাৰিলেই প্ৰকৃত মানুহ হ'ব পাৰি।

আলজেৰিয়ান বিপ্লৱী ফ্ৰাঞ্জ ফেনো এগৰাকী দাৰ্শনিক আৰু মনস্তত্ত্ববিদ। তেওঁৰ এখন বিখ্যাত গ্ৰন্থ 'ব্লেক স্কিন, হোৱাইট মাস্ক'। তাত তেওঁ কৈছে ঃ দীৰ্ঘদিন চাপ, অৱদমন, অসন্মান আৰু নিৰ্যাতনৰ পৰিৱেশত থাকিলে সমাজত পাৰস্পৰিক হিংসা বাঢ়ি যায়। এয়া এনে এক মানসিক দশা যেতিয়া মানুহে সমস্যাৰ মূল কাৰণত হাত দিব নোৱাৰি বা সেয়া বিচাৰি নাপাই চৌপাশৰ ওপৰত আক্ৰোশবোধ কৰে। মানুহৰ মাজত জন্ম লয় বিভিন্ন প্ৰকাৰৰ বিকাৰে।

*ফোন ঃ ০০১৪০৩২৭০১৮১৭*

# তোমালোকৰ ওপৰত দৃঢ় বিশ্বাস আছে

**ৰিজু হাজৰিকা**

**ল'ৰা-ছোৱালীক** ভাল কৰা বৰ সহজ কাম নহয়। পিতৃ-মাতৃয়ে নিজৰ সন্তানক ভাল কৰাৰ কাৰণে যথেষ্ট কষ্ট কৰিবলগীয়া হয়। তাৰে কেইটামান উদাহৰণ তলত ব্যক্ত কৰা হ'ল।

আপুনি আপোনাৰ সন্তানৰ লগত সদায় বন্ধুত্ব ৰাখক— যাতে আপোনাক বিশ্বাসত লয়।

সদায় প্ৰকৃত পথ দেখুৱাওক যাতে তেওঁলোকে সেই পথ বিশ্বাসত লয় আৰু মানি লয়।

আপুনি এইটো আপোনাৰ কৰ্তব্য বুলি ধৰি ল'ব যে আপোনাৰ সন্তান সকলে ক'লৈ যায়, কি কৰে, কি খায়।

যদি আপোনাৰ সন্তানে কিবা ভুল কৰে আপুনি তেওঁক ভুল পথৰ পৰা ঘূৰাই আনিবলৈ আপ্ৰাণ চেষ্টা কৰক। অতি মৰমেৰে তেওঁৰ লগত কথা পাতক।

আপুনি আপোনাৰ মৰম-চেনেহৰ দ্বাৰা তেওঁৰ লগত কথা পাতক যাতে তেওঁ বুজি পায় যে পৰিয়ালৰ তেৰোঁ এজন দৰকাৰী সদস্য। সেই হিচাপে তেওঁৰ কৰ্তব্য কি বুজি পোৱাৰ পাছত তেওঁ আপোনাৰ ওচৰত সহজ হ'ব, আৰু নিজ কামত ধৰিব। পিতৃয়ে পুত্ৰক অনবৰত খেচ-খেচাই থাকিব নালাগে— তই এইটো কেলেই কৰা নাই, মই নোকোৰাটো কেলেই কৰিলি? যা ভালকৈ কৰ গৈ।

প্ৰত্যেক পিতৃৰে এইটো এটা কৰ্তব্য হ'ব লাগে— তেওঁৰ কোমল বয়সৰ সন্তানে যাতে বুজি পাই যে এই সমাজখনৰ প্ৰতি এটা কৰ্তব্য আছে। তেতিয়া পুত্ৰই নিজে দায়িত্ব ল'ব আৰু সমাজৰ উপকাৰৰ অৰ্থে কামত ধৰিব। সমাজৰ কামত নহা কোনো কামতে হাত নিদিয়ে আৰু সময় অপব্যয় নকৰে। সমাজখনৰ উপকাৰত অহা কামতহে তেওঁ আত্মনিয়োগ কৰিব। তেওঁৰ মনত এনে ধাৰণা পিতৃয়ে সোমোৱাই দিব লাগিব। সেই কাৰণে পিতৃয়ে অনবৰত চকু ৰাখিব লাগিব পুতেকে কি কাম কৰিবলৈ ভাল পায়, কি কামৰ প্ৰতি আগ্ৰহান্বিত হৈ বাহিৰলৈ যায়। কাৰ লগ হয়, ক'ত কি অখাদ্য খাই ফুৰে। পিতৃয়ে তাৰ লগ বন্ধুবিলাকৰ লগতে মাজে মাজে কথা পাতিব লাগে— কি হা বাপা, আমাৰ সি ক'লৈ যায়, কি কাম কৰে অলপ নজৰ ৰাকিবা দেই। এইটো তোমালোকৰে দায়িত্ব বুলি ভাবিবা আৰু তাক ঘূৰাই আনিবা। আমি সমাজখনৰ প্ৰতি সকলোৱে ধৰুৱা হ'ব লাগে। আজৰি পৰত ভাল কিতাপ পঢ়িব লাগে। এই অধ্যয়নে তোমালোকক ভাল পথলৈ ঘূৰাই আনিব।

ঠিক এনেদৰে জীয়ৰীহঁতৰ প্ৰতিও মাতৃ সকলকো কৰ্তব্য আছে। মাকসকলে নিজ কন্যাক বুজাব লাগিব যে ঘৰখনত প্ৰতি সমাজখনৰ প্ৰতি তোমালোকৰ দায়িত্ব আছে। এই দায়িত্ব পালন কৰোঁতে সাৱধান হ'ব লাগিব। জীয়েকহঁতে কেনে ধৰণৰ সহপাঠীৰ লগত বন্ধুত্ব গঢ়ি তোলে তাকো চকু ৰাখিব লাগে।

মাকসকলে তেওঁৰ ছোৱালীৰ কোনো বান্ধবীৰ কাৰণে ঘৰৰ দুৱাৰ খুলি ৰাখিব লাগে, যাতে তেওঁলোকে সহজভাৱে ঘৰলৈ আহি নিজ কন্যাৰ লগত মুক্তভাৱে কথা পাতিব পাৰে। এনেদৰে মুক্তভাৱে কথা পাতিবলৈ দিলে সিহঁতে কেতিয়াও বেয়া কথা নাপাতে। কিতাপৰ কথা, পঢ়াৰ কথাই নিশ্চয় পাতিব।

কোনো ধৰ্মীয় অনুষ্ঠানলৈ যাব দিব লাগে। ধৰ্মই আমাৰ সমাজ ধৰি ৰাখিছে। মহা পুৰুষসকলৰ ধৰ্মইহে আমাৰ সমাজখনক ধৰি ৰাখিছে। ব্ৰহ্মা, বিষ্ণু, মহেশ্বৰৰ নীতিমূলক কথাবোৰ আমাৰ মহাপুৰুষ শংকৰদেৱ, মাধৱদেৱ, শংকৰাচাৰ্য, নানক আদি ধৰ্মগুৰুসকলে সমাজত প্ৰচাৰ কৰিছে। আমি সেইবোৰ শুনিব লাগে আৰু পালন কৰিবলৈ চেষ্টা কৰিব লাগে। সেই কাৰণে মাতৃসকলে পুত্ৰীসকলক ধৰ্মীয় সভালৈ যাব দিব লাগে।

মাতৃসকলে জীয়েকহঁতক দেশ প্ৰেম শিকাব লাগে। দেশক ভাল পোৱা মানে মানৰ জাতিক ভাল পোৱা। দেশ ৰক্ষাৰ কাৰণে প্ৰাণ দিবলৈও প্ৰস্তুত



থাকিব লাগে। সেই কাৰণে যুগে যুগে আমাৰ ছহিদসকলক মানুহে পূজা কৰে, মূৰ্তি স্থাপন কৰি তেওঁলোকক মানুহৰ মাজত সজীৱ কৰি ৰাখে। দেশৰ মংগলৰ কাৰণে দান-দক্ষিণা দিবলৈ আগবাঢ়ি যাবলৈ বাধ্য কৰাব লাগে। এনেকুৱা দানী লোক আমাৰ দেশত বহুত আছে।

এই আপাহতে আমি এটা নীতি বাক্য কওঁ— তুমি যদি ১০ টকা উপাৰ্জন কৰা, তাৰে দুই টকা দুখীয়া দৰিদ্ৰৰ কাৰণে অনায়াসে দান কৰিব পাৰা। হে মোৰ মৰমৰ ল'ৰা-ছোৱালী তোমালোকে পিতৃ-মাতৃৰ কথা সদায় শুনিবাহক। তোমালোকৰ ওপৰত মোৰ এয়ে আশা।

— হেৰি, কি আনিছে সেইবোৰ?

— লাগতিয়াল বস্তুকেই বজাৰ কৰি আনিছো দিয়া। ঘোপাকৈ তুমি মোৰ ফালে চাব নালাগে।

— ইছ ৰাম! মাছসোপা আনিবলৈ কিহে পাইছিল আপোনাক কওকচোন?

— জানো? বাঁকে পালেনে কি বা! বেছিকৈ অনা নাই দিয়া। মাত্ৰ আধা কিলো ভকুৱা মাছ আনিছো।

— মাছ আনিবলৈ হাক দিয়া নাছিলো আপোনাক? মোৰ কথা নুশুনো বুলিয়েই নুশুনে নহয়?

— নহয়হে। তোমাৰ কথা ভাবিয়েইতো মই মাছখিনি আনিলো।

— মোৰ কথা ভাবি? মই আপোনাক মাছ আনিবলৈ কেতিয়া কৈছিলোহে?

— তুমি মোক কেতিয়াও মাছ আনিবলৈ কোৱা নাছিলা, বৰঞ্চ হাকহে দিছিলা। সেইটো কথা মোৰ ভালদৰে মনত আছে।

— তেনেহ'লে মাছ আনিলে কিয়?

— মই যে দূৰদৰ্শী, সেইবাবেই আনিলো।

— মানে? আপুনি কি ক'ব খুজিছে?

— মই থকালৈকে এইখন ঘৰত প্ৰতিদিনে পৰাই ভাৰাঘৰত থাকিম।

— হেৰা, তোমাৰ সন্তুষ্টি বোলা বস্তুটো একেবাৰে নাইহে। কোনোবাই নিজৰ ঘৰ থাকোতে ভাৰাঘৰত থকাৰ ইচ্ছা কৰেনে? তোমাৰ মনটো যে বৰ অস্থিৰ সেইটো গম পোৱানে?

— মোৰ মনটো কেনেকুৱা আপুনি এক্স-ৰে কৰি গম পালে নেকি?

— ভাৰাঘৰত এমাহ থাকি চোৱাচোন। তেতিয়াহে বুজি পাবা নিজৰ ঘৰ আৰু ভাৰাঘৰত থকাৰ মাজত কিমান আকাশ-



# চৰকাৰে কৰিলে আৱাস উচ্ছেদ পৰিবাৰে কৰিব বিবাহ বিচ্ছেদ

**মনোজ কুমাৰ ভট্টাচাৰ্য**

পাতাল পাৰ্থক্য।

— আপুনি যেনেকৈহে কথাবোৰ কয় যেন ভাৰাঘৰ মানেই জহন্নাম আৰু নিজৰ ঘৰখন ইন্দ্ৰধাম। আপুনি মোক ফুচুলাই লাভ নাই। মই সব জানো।

— ভাৰাঘৰৰ মালিকৰ কঢ়া নিৰ্দেশ সহ্য কৰিব পাৰিবা তুমি? তেওঁলোকৰ চৰ্তবোৰ মানি ল'ব পাৰিবা তুমি? পাৰা যদি ব'লা, মোৰ একো আপত্তি নাই।

— বন্দোবস্ত মতেই ভাৰাখিনিতো পাবই। তাত আৰু কিহৰ চৰ্ত দিব লাগেহে?

— সেইটোৱেইতো কথা। মাহৰ প্ৰথম সপ্তাহতে ভাৰা আদায় দিব লাগিব। আলহী-অতিথি মাহেকত এদিনৰ বেছি আহিব নোৱাৰিব। নিশা ১০ বজাত গেটত তলা মাৰি দিয়া হ'ব। এইবোৰ চৰ্ত মানিলেহে তোমাক থাকিবলৈ দিব বুজিছা?

— কিয়?

— মৰ্জি। কিছুমান মালিকে আকৌ কি কয় জানা?

— কি?

— তুমি দালিত চম্ভাৰ দিওঁতে প্ৰতিবেশীৰ হাঁচি আহিব নালাগিব। তুমি মাছ নে মাংস ৰান্ধিছা তাৰ গোন্ধ কাষৰ ভাৰাতীয়াই পাব নোৱাৰিব। পাৰিবা জানো তুমি এইবোৰ চৰ্ত মানিব?

— তেনেহ'লে ভাৰাঘৰত মানুহ থাকে কেনেকৈ?

— কাৰাগাৰত থকা আৰু ভাৰাঘৰত থকা একেই কথা। উপায় নাথাকিলে কৰিব কি? সেইবাবেই পঁজা হওক চালি হওক, নিজৰ এখন ঘৰ আপোন হয় বৰ।

— নিজৰ ঘৰ বুলি আপুনি যিমানেই গৌৰৱ নকৰক কিয়, মই কিন্তু লাজহে পাওঁ। চহৰৰ আমাৰ ঘৰৰ আগৰ পথতকৈ গাঁৱৰ মৰিশালিলৈ যোৱা পথটোও বেছি উন্নত।

— মানি লৈছো খৰালি খোৱাপানীৰ বাবে আমাৰ কিছু সমস্যা হয় বা বাৰিষা ৰাস্তাটো পিছল হয়, তথাপি ভৈয়ামতকৈ আমি পাহাৰত বেছি সুখেৰেই আছোহে।

— নাও বুৰিলেও টিঙৰ পৰা ননমা মানুহ আপোনাকেই দেখিছো দিয়ক।

— মহানগৰীৰ কৃত্ৰিম বানপানীৰ পৰা যে আমি ৰক্ষা পৰি আছো সেইটো জানা নে নাই? ঘৰৰ ভিতৰত নলা-নৰ্দমাৰ একঁকাল পানী সোমালেহে মোৰ কথা বুজি পালাহেঁতেন তুমি।

— তাৰ মানে ভাৰাঘৰলৈ যোৱাৰ মতলব আপোনাৰ নাই নহয়? ইয়াতেই মই জীৱনটো কটাব লাগিব? পিছে এটা কথা নহয়?

— কি?

— নিজৰ ঘৰ বুলি যে আপুনি দাবী কৰে মাটিখিনি জানো চৰকাৰী নহয়? আপোনাৰ নামত মাটিয়েই নাই, তাতেই ইমান ফুটনি।

— হেৰা, দখল যাৰ মাটি তাৰ; সেইটো জানা নে নাই? কিছুদিন ধৈৰ্য ধৰা। মই ১০ বছৰমানৰ ভিতৰত মাটিডোখৰ ম্যাদী কৰিহে এৰিম।

— ১০ বছৰ লাগিব? তেনেহ'লে আজিয়েই ঘৰৰ মোহ ত্যাগ কৰি মাটিৰ চিন্তা বাদ দিয়ক।

— কিয়?

— এইখন যিহে চৰকাৰ! কোনদিনা উচ্ছেদ কৰে কি ঠিক? দেখা নাই শিলসাঁকোৰ কি হৃদয় বিদাৰক ঘটনা?

— যি দেখিছো নিগনিৰ কলিজাহে তোমাৰ। সাহস অলপ থাকিব লাগে বুজিছা? কষ্ট কৰিলেহে ৰত্ন মিলে। কথাষাৰ মনত ৰাখিবা।

— হ'ব হ'ব। মোৰ আগত যুক্তি দিবলৈ নাহিব। মই ইয়াতেই থাকিম। পিছে চৰকাৰে যদি কোনোবা দিনা আমাৰ ঘৰ উচ্ছেদ কৰে, সিদিনাই ময়ো কিন্তু আমাৰ বিবাহ বিচ্ছেদ কৰিম। কৈ থ'লো।

— হা?

*ফোন ঃ ৯১০১৭৭৪৮৬৮*

দেওবৰীয়া দৈনিক অগ্ৰদূত
গুৱাহাটী, ২৯ মে' দেওবাৰ, ২০২২ পৃষ্ঠা ৫

# সংকটত দক্ষিণ কামৰূপৰ প্ৰকৃতি

**দিনমণি দাস**

**সমগ্ৰ** অসমৰ ভিতৰতে দক্ষিণ কামৰূপ অঞ্চলটো অপৰূপ প্ৰকৃতিৰ আলয়। খাছিয়া-জয়ন্তীয়া পাহাৰৰ নামনিৰ পৰা বৰ লুইতলৈ ব্যাপ্ত দক্ষিণ কামৰূপ অঞ্চলটো প্ৰকৃতিৰ এখন ৰম্যভূমি বুলিব পাৰি। এই অঞ্চলৰ মাজেৰে কুলসী, শিংৰা, বকো আদি নৈ বৈ গৈ লুইতত পৰিছে। অঞ্চলটোত চানডুবি বিলকে ধৰি বহু বিল, জলাশয় আৰ্দ্ৰভূমি আছে। অঞ্চলটোৰ দক্ষিণৰ খাছিয়া পাহাৰৰ গাত লাগি থকা নামনি অংশটো পাহাৰৰ বনভূমিৰে আবৃত। এই অঞ্চলত ইংৰাজৰ দিনতে কুলসী, জোঙাখুলি, উকিয়ামত অপূৰ্ব প্ৰাকৃতিক পৰিৱেশত সজা বন পৰিদৰ্শন বাংলা আছে যদিও বৰ্তমানে মেৰামতিৰ অভাৱত জহি-খহি যাবলৈ ধৰিছে। এইবোৰ পুৰণি ৰূপতে সংৰক্ষণ কৰি ৰখা দৰকাৰ।

অঞ্চলটোৰ বনভূমি আৰু পাহাৰৰ ব্যাপক বন ধ্বংস চলি আছে। নদীবোৰত অবিজ্ঞানসন্মতভাৱে বালি উঠোৱা, নদীৰ পাৰ্শ্ব অঞ্চলত অবাধে বন ধ্বংসৰ ফলত নদীবোৰ শুকাই যাবলৈ ধৰিছে। দক্ষিণ কামৰূপৰ জনজীৱনৰ জীৱনৰেখা কুলসী, শিংৰা, বকো, উৎপত্তি, বাথা, জগলীয়া আদি সৰু নদী-উপনদীবোৰ শুকাই গ'লে এই অঞ্চলৰ জনজীৱন বিপৰ্যস্ত হ'ব। নিময় নামানি জধে-মধে বালি উঠোৱাৰ ফলত আবতৰীয়া বানপানীৰ লগতে নদীবোৰত মাছ-পুঠি নাইকিয়া হৈছে। প্ৰতিকূল পৰিস্থিতিৰ ফলত কুলসীৰ শিশু সংকটত পৰিছে। কুলসী নদীৰ জলজলি বোলা অংশত কে'বাটাও শিহুৰ যোৱা বছৰত অকাল মৃত্যু ঘটিছে। এখন নদীৰ মৃত্যু মানে এটা সংস্কৃতিৰ মৃত্যু, এটা জাতিৰ মৃত্যু।



ভূতৰ ওপৰত দানহ পৰাৰ দৰে এচাম লোকে পাহাৰ আৰু বনভূমিৰ বন, জংঘল চাফা কৰি কল, আনাৰস, কমলা আদিৰ বাগান খোলা পৰিলক্ষিত হৈছে। ফেব্ৰুৱাৰী, মাৰ্চত কিছু লোকে ব্যাপক হাৰত উকিয়াম আৰু ইয়াৰ আশে-পাশে থকা পাহাৰবোৰৰ বন-জংঘল চাফা কৰি জুই জ্বলাই ধোঁৱাময় পৰিৱেশৰ সৃষ্টি কৰি বাগানৰ মাটি মোকলোৱা বুলি জানিব পাৰিছিলো।

যোৱা বছৰৰ ১৪ আগষ্টত অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই অসম প্ৰশাসনীয় মহাবিদ্যালয়ত অনুষ্ঠিত বনবিভাগৰ টেৰিট'ৰিয়েল ডিভিজনসমূহৰ ডি এফ অ' (সংমণ্ডল বন প্ৰাধিকাৰী) সকলৰ স'তে মত-বিনিময় অনুষ্ঠানত বনভূমিৰ যাতে নতুনকৈ বেদখল নহয়, সেইটো নিশ্চিত কৰাৰ পদক্ষেপ লোৱাৰ লগতে বনভূমি বেদখলমুক্ত কৰাৰ দিশত ক্ষিপ্ৰতাৰে কাৰ্যব্যৱস্থা লোৱাৰ বাবেও নিৰ্দেশ দিয়ে। যিহেতু মুখ্যমন্ত্ৰীয়ে বেদখলমুক্ত কৰাৰ বাবে বন বিভাগক নিৰ্দেশ দিছে, সেয়েহে বন বিভাগে সময় থাকোতেই বিহিত ব্যৱস্থা ল'ব লাগে। অন্যথা পাছলৈ বেদখলমুক্ত কৰাৰ ক্ষেত্ৰত আইন-শৃংখলাজনিত সমস্যা হ'ব পাৰে। দক্ষিণ কামৰূপৰ বিলসমূহো বৰ্তমান বাম হৈ পৰিছে। পাহাৰৰ পৰা অহা বালি-মাটি আদিয়ে পুতি পেলোৱাৰ বাবে বিলসমূহ বাম হৈ পৰাত এচামে খেতি কৰিবলৈ লৈছে। আনকি প্ৰকৃতিৰ লীলাভূমি চানডুবি বিলো বৰ্তমান বেদখলৰ গৰাহত পৰিছে। বিলখনৰ বাম হৈ পৰা অংশত কিছু লোকে ধান খেতি কৰিবলৈ লৈছে। বনবিভাগ, গ্ৰামোন্নয়ন বিভাগ আৰু মীন বিভাগে সমন্বয়ৰ আঁচনি ল'লে বিল, জলাশয়, আৰ্দ্ৰভূমিসমূহ ৰক্ষা পৰিব। এই আৰ্দ্ৰভূমিসমূহ জৈৱ- বৈচিত্ৰ্যৰে সমৃদ্ধ আৰু প্ৰাকৃতিক সৌন্দৰ্যৰ আকৰ। আৰ্দ্ৰভূমিসমূহক পৃথিৱীৰ বৃক্ক বুলিব পাৰি। সময় থাকোতেই দক্ষিণ কামৰূপৰ জনসাধাৰণে ইয়াক ৰক্ষা কৰিব লাগিব। প্ৰায় সাতশ হেক্টৰ মাটিকালিৰ চানডুবি বিলখন বৰ্তমানে দুশ হেক্টৰলৈ সংকুচিত হৈছে। চানডুবিক বচাবলৈ হ'লে ভেৰভেৰী জলাশয়, ছাগলচাৰি বিলকে আদি কৰি ইয়াৰ সংলগ্ন নদী-নিজৰাক জীয়াই ৰাখিব লাগিব। চানডুবি বিলখন বাচি নাথাকিলে স্থানীয় লোক ক্ষতিগ্ৰস্ত হোৱাৰ লগতে পৰ্যটক, বনভোজকাৰী দল অহাটো কমি যাব। তদুপৰি বিলখনৰ পাৰ্শ্ববৰ্তী অঞ্চলত প্ৰাকৃতিক পৰিৱেশত বিৰূপ প্ৰভাৱ পৰিব। চৰাই-চিৰিকটি, জীৱ-জন্তুৰ লগতে জলজ উদ্ভিদ আদি কমি যাব। যোৱা বছৰৰ ১৩ আগষ্টত অসম বিধানসভাত পলাশবাৰী সমষ্টিৰ বিধায়ক হেমাংগ ঠাকুৰীয়াই চানডুবিৰ লগতে দক্ষিণ কামৰূপৰ পৰ্যটন সম্পৰ্কত বিতং ছবি দাঙি ধৰিছিল। পূৰ্বৰ মুখ্যমন্ত্ৰীয়ে চানডুবি ভ্ৰমণৰ সময়ত (চানডুবি উৎসৱৰ সময়ত) সেই সময়ৰ পলাশবাৰী সমষ্টিৰ বিধায়ক প্ৰণৱ কলিতাই চানডুবি অঞ্চলৰ উন্নয়নৰ বাবে ২০ কোটি টকাৰ আঁচনি দাখিল কৰিছিল বুলি জনা যায়।

অজনজাতীয়, অনা-অসমীয়া লোকে প্ৰকৃতিৰ ৰম্যভূমি উকিয়াম আৰু ইয়াৰ আশে-পাশে থকা অঞ্চলত কিছু দালাল শ্ৰেণীৰ লোকৰ জৰিয়তে সহজ-সৰল গাৰো, ৰাভা লোকক প্ৰলোভিত কৰি মাটি-বাৰী কিনা, লীজত লোৱা বুলি জনা গৈছে। বৰ্তমানে পৰ্যটন উদ্যোগ গা কৰি উঠাৰ সময়ত দক্ষিণ কামৰূপৰ বনভোজস্থলী, প্ৰকৃতিৰ মনোৰম ঠাইসমূহত এচাম সুবিধাবাদী, অৰ্থলোভী লোকে ৰিজ'ৰ্ট জাতীয় ব্যৱসায়িক প্ৰতিষ্ঠান গঢ়ি তুলি জনজাতীয় বৈশিষ্ট্যৰ ওপৰত বিৰূপ প্ৰভাৱ পেলোৱাৰ শংকা ঘনীভূত হৈ পৰিছে। সময় থাকোতেই এই ক্ষেত্ৰত সাৱধান হোৱা দৰকাৰ।

আমাৰ ভৱিষ্যৎ প্ৰজন্মৰ বাবে আমি প্ৰকৃতি ৰক্ষা কৰিবই লাগিব। শেষত প্ৰখ্যাত সাহিত্যিক হোমেন বৰগোহাঞিৰ ভাষাৰে কওঁ— 'প্ৰকৃতিৰ অনিৰ্বচনীয় সৌন্দৰ্যৰ মুখামুখি হৈ মানুহে জীৱনৰ যিখিনি সময় অতিবাহিত কৰে, সেইখিনি তেওঁৰ জীৱনৰ মধুৰতম সময়বোৰৰ ভিতৰত অন্যতম।' *ফোন ঃ ৯৪৩৫১৯২০৫৬*

---

জাতীয় অভিধান-জাতীয় ইতিহাসৰ যৌথমঞ্চ

## বণিয়া জাতিৰ বুৰঞ্জিৰো ৰচক 'দুতিৰাম স্বৰ্নকাৰ হাজৰিকিয়া'ৰ পদ্যবুৰঞ্জিত আছে

# মোৱামৰীয়া মহাবিদ্ৰোহৰ আৰু বিতং বিৱৰণ

**দ° দেৱব্ৰত শৰ্মা**

**জনপ্ৰিয়** দৈনিক অগ্ৰদূত কাকতৰ যোৱা 17û5û22 সংখ্যাত আমি 'দুতিৰাম স্বৰ্নকাৰ হাজৰিকিয়া'ৰ দ্বাৰা লিখিত 'অসমৰ পদ্যবুৰঞ্জি'ৰ সম্পাদনা কৰিবলৈ গৈ বিশিষ্ট ইতিহাসবিদ দ° সূৰ্য্যকুমাৰ ভূঞাই লেখকজন আৰু তেখেতৰ নামটোৰ লগতে বুৰঞ্জিখনৰ কমেও 4,000 শব্দৰ বানান কেনেকৈ সলাই পেলালে, লিখিছিলোঁ। সেইজন দুতিৰাম স্বৰ্নকাৰ হাজৰিকিয়াৰে 221 সংখ্যক মৃত্যু দিয়া অহা 1 জুলাইত উদযাপন কৰিবলৈ লৈছে যোৰহাট মহাবিদ্যালয় আৰু জাতীয় ইতিহাসে। বুৰঞ্জিবিদজনৰ আজো আজো নাতিনী শ্ৰীযুতা ৰীণা ধলুৱা দাসে তেখেতৰ সম্পৰ্কে বহু তথ্যই সংগ্ৰহ কৰিছে।

কিন্তু আমি আজি বুৰঞ্জিখনৰ কেৱল মোৱামৰীয়া বিদ্ৰোহ সংক্ৰান্ত কিছু কথাতহে আলোকপাত কৰিব বিচাৰিছোঁ। মন কৰিব লগা যে আমি এই শিতানত যোৱা 22û5û22 তাৰিখে মোৱামৰীয়া বিদ্ৰোহৰ বৌদ্ধিক নেতা পতিত বৰুৱাৰ মৈদাম বিচাৰি পোৱাৰ কথা লিখিছিলো। এতিয়া তুলি দিওঁ বুৰঞ্জি খনৰ পৰাই।

**মোৱামৰীয়াৰ বীৰত্ব, ৰাধা-ৰুক্মিনী প্ৰসংগ**

"কহোঁ পুনৰপি শুনা সভাসদচয়।
সেহিমতে গৌৰীনাথ আছে ৰাজা হুই।।
তাত পাচে যিবা ভৈলা শুনা কহোঁ মই।
মৰাণক অপকাৰ কৰিয়া আছয়।। 542।।
সেহি হেতু সিসবৰ বৰ দুখ মন।
নৰম খোলাৰ যত গোটাই মৰাণ।।
পুনৰপি সবেও আসিলা সাজু হুই।
ভৰথি বোলয় তাহাকেসে ৰাজা লৈই।। 543
তাহাৰেসে মুখ্য সেনাপতি ছই জন।
সিসবৰ নাম কহোঁ শুনা ভিৰ্ন্নে ভিন।।
টুবুৰি, টকছ আৰো মেখিলি, খগুণ।
মেঘাই বোলয় আৰো বোলে কলিধন।।544।।
এহি ছয় সেনাপতি নাম কৈবো কত।
**ৰাধা-ৰুকুণীয়ো আসে তাহাৰ লগত।।**
আসি আছে ভৰিপুৰি মৰাণ বহুত।
কটকী আসিয়া কৈলা নৃপতি আগত।।545।।
শুনি ৰাজা সেনা দিলা অঠেৰ হেজাৰ।
চিপাহীকো দিলা চিপাদাৰ জেমাদাৰ।।
বৰহিলৈ দিলা আৰো গঠিয়া জুমুৰী।
পহলঙ্গী দিলা তাতো কোঁৰৰ হিলৈদাৰী।।546।।
সেনাপতি দিলা বৰপাত্ৰ ডা!ৰীয়া।
গৈলা মৰাণক খেদি সেনাসব লৈয়া।
সেহিমতে গৈয়া মৰাণেৰে লাগে ৰণ।
**মৰে আসাসাৰ তাৰ নমৰে এজন।।৫৪৭।।**
মৰাণক লাগি বৰহিলৈ ফেৰ কৰে।
**ৰাধা-ৰুকুণীয়ে গুলি কোঁচ পাতি ধৰে।।**
**অউ হেন গোট গুলি কোঁচ ভৰি লয়।**
গঠিয়া জুমুৰী পহল!ীয়ে কি কৰয়।। 548।।
নপাৰি যুজিতে সবে সেনায়ো ভাগিল।
সেহি বেলা মৰাণেও নগৰ বেঢ়িল।।
**দেখি নৰপতিৰ মনত হুয়া ভয়।**
**ধোন্দে সৰকিয়া সিবেলাত পলাই যায়।। ৫৪৯।।**
মহা দানী মানী গৌৰীনাথ নৰেশ্বৰ।
দণ্ড-পাট এৰিয়া ভৈলেক দেসান্তৰ।।
ৰাণীকো লগতে নিলা আডৰ কেহো নাই।
আপুনাৰ গুৰু যিবা তাঙ্ক লগে লৈহে।। 550।।
**মহাত্ৰাসে নৰপতি গৈলা ভটীয়াই।**
ৰহিলেক গৈয়া পাচে গুৱাহাটী পাই।।
পাত্ৰ-মন্ত্ৰী সমে সেনা ৰহিলেক আত।
যুধত মৰাণে কাটিলেক বৰপাত্ৰ।। 551।।
সেনাসকলকো তাত কাটিল বহুত।
সিসবৰ লেখা আমি কহিবোঁহো কত।।"

মোৱামৰীয়া বিদ্ৰোহীৰ ভয়ত স্বয়ং স্বৰ্গদেউ গৌৰীনাথে ধোন্দেৰেপলাই পত্ৰংদিয়াৰ কথা ইয়াত এনেকৈয়ে উল্লেখ কৰা হৈছে। মোৱামৰীয়াৰ বীৰত্বৰ বিপৰীতে ৰজাঘৰীয়া সেনাপতি সকলে অস্ত্ৰ ত্যাগ কৰি কেনেকৈ পলায়ুৰ্ধং কৰিছিল, তাৰো হাস্যকৰ বিৱৰণ ইয়াত আছে ঃ

"মৰাণেও বৰপাত্ৰ কাটিলেক জানি।
অনিকেসে বৰপাত্ৰ পাতি দিলা আনি।. 554।।
ৰণ কৰিবাক পাঞ্চি দিলেক তাহাক।
আসিলেক ৰণে কি কৰিবে মৰাণক।।
গগৈ বৰফুকন যিবা হুয়া আছিলেক।
মৰাণ-ৰণক ভয়ে সিয়ো পলাইলেক।।555।।
দিহিঙ্গীয়া মেধি বুলি আছিল এজন।
তাকো পঠাইলেক পাচে পাতি বৰফুকন।।
সিয়ো পলাইলেক ৰণকেসে কৰি ভয়।
দুৱৰাৰ শিৱনাথ সৰ্ব্বলোকে কয়।। 557।।
বৰফুকন পাতিয়া তাহাকো পঠাই দেয়।
সিয়ো ৰণ কৰিবাক আসে আগ হুই।।
**দেখিয়া মৰাণ তাৰ লাগিলেক ভয়।**
**আপুনাৰ প্ৰাণ ৰাখি গৈলেক পলাই।. ৫৫৭।।**
**বুঢ়া চেটিয়াল বুলি কৰে নাম তাৰ।**
**তাহাকো মাতিয়া আনে নৃপতি ওচৰ।।**
**তাকো বৰফুকন পাতিলেক পুনৰ্ব্বাৰ।**
**সিয়ো আসি মৰাণৰ নপাইলা ওচৰ।. ৫৫৮।।**
**কলিয়াবৰক পাই সিয়ো উলটিল।**
**বুদ্ধিতো ঘাটিয়া মল-মূত্ৰকো এৰিল।।**
**সেহিমতে নৰপতি যিসব পাঞ্চিল।**
**মৰাণৰ আগে থিৰ হুইবে নপাৰিল।।৫৫৯।।**

মোৱামৰীয়া পক্ষৰ নেতৃত্ব কৰি সিংহাসন আৰোহন কৰা ভৰথি বা ভৰতসিংহৰ আতিগুৰি আমি ইয়াত এনেকৈ পাওঁ ঃ

ৰাজা পাতি লৈলা ভৰথিক পাটে তুলি।
উজনিৰ খণ্ডে ৰাজা ভৈলেক সমূলি।।
ৰূপ-সোণ-মোহৰক মৰাইলা বহুত।
**ভৰথিৰ নাম তাত জানিবা প্ৰখ্যাত।। ৫৬৩।।**
**পূৰ্ব্বে মহাপুৰুষে ৰাজাৰ গুৰু লয়।**
**অনিৰুদ্ধ বংশতে ভৰথি ৰাজা হয়।**
**মোৱামৰা মহন্তৰ সিয়ো নাতি হয়।**
মৰাণৰ স্বভাৱ তাহাৰো দেখা যায়। 564।।
প্ৰাণীসকলৰো তাত নাহিকে বিচাৰ।
সেহিমতে মৰাণো ভৈলেক অধিকাৰ।।
তাহাৰে সহিতে যাৰ থাকে আয়া-যাত।
সিসবক অপকাৰ নকৰয় তাত।। 565।।
এসব লোকৰ কিছু মুখকো নচায়।
লুৰি-পুৰি কাৰে ধৰি মাৰি ঠাই ঠাই।।
দেখা দেখা কেনে ভৈলা কালৰেসে গতি।
ৰাজ্য ধনতেসে আশে ভৈলেক দুৰ্ম্মতি।। 566।"

.......আৰু এনেকৈয়ে 'দুতিৰাম স্বৰ্নকাৰ হাজৰিকিয়া'ৰ অসমৰ পদ্যবুৰঞ্জিখন আন বহু বিষয়ৰ লগতে মোৱামৰীয়া মহাবিদ্ৰোহ সম্পৰ্কীয় তথ্যৰো এটা মূল্যবান উৎস বুলি পৰিগণিত হৈছে। মন কৰিবলগীয়া যে তেখেত বিদ্ৰোহৰ সমৰ্থকতো নাছিলেই, বিদ্ৰোহৰ দোৰ্ঘোৰ বিৰোধী দিহিংসত্ৰৰহে অনুগামী আছিল। এতেকে বিপৰীত পক্ষৰ পৰা লিখিত বুৰঞ্জিৰ মাজেদি ফুটি উঠা মহাবিদ্ৰোহৰ ছবিখন আমাৰ বাবে আকৰ্ষণীয়ও, গৱেষণীয়ও।

**লেখক অসমীয়া জাতীয় অভিধান তথা জাতীয় ইতিহাসৰ মুখ্য সম্পাদক;**
ফোন ঃ ৯৪৩৫৩৫১২৫৫

---

# আমাৰ কেউকাষে থকা জীৱনদায়িনী গছ-গছনিবোৰ

ঠাই বিশেষে বহু গছ-গছনি, গৃহ নিৰ্মাণ, উদ্যোগ আদি স্থাপনৰ বাবে কাটি পেলোৱা হৈছে। যাতায়াত সূচল কৰাৰ বাবে ৰাস্তা বহল কৰা, উৰণীয়া সেতু নিৰ্মাণ কৰা অপৰিহাৰ্য বাবেও গছ-গছনি কাটিব লগীয়া হৈছে। সেয়েহে উঠি অহা চামে এজোপা গছ দেখাৰ সৌভাগ্য লাহে কমি অহা পৰিলক্ষিত হৈছে

**মুকিবুৰ ৰহমান**

**'শুৱনি** আমাৰ গাঁওখনি অতি শুৱনি গছেৰে ভৰা, ডাল ভৰি ভৰি ফল ফুল লাগে কত পাওঁ তল সৰা' ল'ৰালি কালতে প্ৰাথমিক বিদ্যালয়ত মুখস্থ কৰা কবিতাটিৰ প্ৰথম দুশাৰী আজিও মনত আছে হয়তো বহুতৰে। আজি কালি শুৱনি গছ নতুনকৈ ৰোপণ কৰা হৈছে ঠাই বিশেষে যদিও বহু গছ-গছনি, গৃহ নিৰ্মাণ, উদ্যোগ আদি স্থাপনৰ বাবে কাটি পেলোৱা হৈছে। যাতায়াত সুচল কৰাৰ বাবে ৰাস্তা বহল কৰা, উৰণীয়া সেতু নিৰ্মাণ কৰা অপৰিহাৰ্য বাবেও গছ-গছনি কাটিবলগীয়া হৈছে। সেয়েহে উঠি অহা চামে এজোপা গছ দেখাৰ সৌভাগ্য লাহে কমি অহা পৰিলক্ষিত হৈছে।

অসমীয়া কেলেণ্ডাৰৰ প্ৰথম মাহ ব'হাগ আমাৰ বাবে বৰ আদৰৰ এই বাবেই যে এই মাহতে ৰঙালী বিহু উদযাপন কৰা হয়। শীতকালৰ জাৰৰ প্ৰকোপৰ পৰা হাত সৰাৰ পাছত শুকান পৰিৱেশ এটা সৃষ্টি হয়; ইয়াৰে পাছতে গছপাতে কুঁহিপাত মেলে। এনে এটা পৰিৱেশত ৰঙাকৈ ফুলি উঠা শিমলু ফুল বৰ আকৰ্ষণীয় হৈ উঠে। অসমীয়াৰ জাতীয় জীৱনত শিমলু গছৰ প্ৰভাৱ যথেষ্ট আছে। শিমলু গছ ২০ মিটাৰৰ পৰা ৬০ মিটাৰ পৰ্যন্ত উচ্চতাৰ হয়। শিমলু ফুল একো ঠাইত পিয়লাৰ দৰে ইয়াতে উৎপন্ন হোৱা একো ঠাইত ক'লা ৰঙৰ বলৰ ভিতৰত তুলা উৎপন্ন হয় আৰু ভিতৰত ক'লা ৰঙৰ গুটি থাকে। শিমলু গছৰ কাঠ পাতল হোৱা বাবে পকী ঘৰ নিৰ্মাণত অস্থায়ীভাৱে ব্যৱহাৰ কৰা হয়। শিমলুৰ বৈজ্ঞানিক নাম Bomborceiba, Family Malvaceae, Order-Malaes শিমলু তুলাৰে গাৰু, তুলি, তোচক, লেপ তৈয়াৰ হয়।

প্ৰয়াত গীতিকাৰ ইউচুফ হাজৰিকাৰ ৰচনা 'সপোন ৰঙীন পলাশ বনত ফুলিলে ৰজনীগন্ধা' গীতটি প্ৰয়াত সংগীত পৰিচালক বিবেকান্দ ভট্টাচাৰ্যৰ তত্ত্বাৱধানত খ্যাতনামা গায়িকা পাৰবীন চুলতানাৰ কণ্ঠত আমি সৰুৰে পৰা শুনি আহিছো। এই পলাশ গছসমূহ বৰ মনোমোহা হৈ উঠে যেতিয়া গছজোপাত ফুল ধৰে। গছ ১৫ মিটাৰৰ পৰা ৪৯ মিটাৰ পৰ্যন্ত ওখ হয়। পাত তিনিখিলাকৈ এটা ঠালত উৎপন্ন হয়। বৈজ্ঞানিক নাম Butea monosperma সাধাৰণ নাম flame of the farest, Family Fabaceae, Order-Fabales Genus Butea পলাশ ফুলৰ আঠা Bengal Kino নামেৰে জনা যায় ই চামৰা শিল্পত প্ৰযোজ্য হয়। পলাশ ফুলৰে তৈয়াৰ হোৱা ৰং-কেশৰী নামেৰে জনা যায়, কাপোৰত ৰং কৰা কৰ্মত ব্যৱহৃত হয়।

খ্যাতনামা গায়ক প্ৰয়াত খগেন মহন্তৰ কণ্ঠৰ 'এজাৰ ফুলা দেখি বেজাৰ কিয় কৰ?' গীতটো সদায়েই জনপ্ৰিয়। এজাৰ ফুল ফুলৰ বাবেই নহয় এই ফুলৰ গছৰ কাঠৰ এটা বৈশিষ্ট্যতা আছে যে ইয়াৰ দ্বাৰা নাও তৈয়াৰ কৰা হয় কাৰণ ই পানীত কেতিয়াও নষ্ট নহয়। নদীৰ কাষৰীয়া ঠাইত এজাৰ বৃক্ষ ৰোপণ কৰিলে খহনীয়া ৰোধ কৰিব পৰা যায় বুলি ভূমি সংৰক্ষণ বিভাগৰ বিষয়াৰ পৰা জানিব পৰা গৈছে। এজাৰ গছৰ বৈজ্ঞানিক নাম Crataegus, Order-Rosales, Family-Rosaceal, Genus-Cataegus.

উৰিয়াম গছৰ নাম শুনিলেও য'তে-ত'তে হয়তো দেখা পোৱা নাযায় যদিও অসমৰ এবিধ আপুৰুগীয়া গছ উৰিয়াম কাঠ বননিত আছে। এই গছৰ কাঠ অলপ ৰঙচুৱা। গছৰ গুটি ৩০ৰ পৰা ৫৪ শতাংশ তৈলযুক্ত আৰু এই তেল উদ্যোগত ব্যৱহৃত হয়। গছৰ তেলৰ পৰাও ৰং কৰাত ব্যৱহৃত হয় আৰু শিপা ঔষধত লাগে। অসমৰ এখন বিখ্যাত অভয়াৰণ্য ওৰাং বাঘ প্ৰকল্প যিখনত বাঘৰ বসতিৰ ঘনত্ব অতিকৈ বেছি তাৰ বন বিষয়াসকলে জানিবলৈ দিয়া মতে, উৰিয়াম গছৰ গা গছত বাঘে নথ ধৰাই যাতে চিকাৰৰ বাবে নখ চোকা হয়। উৰিয়াল গছৰ বৈজ্ঞানিক নাম— Bischofia jaranica, Order-Malpighiales, Family Phyllanthaceae, Genus-Bischopia.

অসমীয়া ভাষা-সাহিত্যৰ গুৰি ধৰোতা সাহিত্যৰথী ৰসৰাজ লক্ষ্মীনাথ বেজবৰুৱাৰ জন্মস্থান আঁহতগুৰি। আঁহত গছৰ পৰাই এই উৎপত্তি হৈছে নিশ্চয়। আঁহত গছৰ তলত বুদ্ধদেৱে তপস্যা কৰিছিল। হিন্দু, বৌদ্ধ, জৈন ধৰ্মালম্বী লোকসকলে আঁহত গছক পবিত্ৰ বৃক্ষ বুলি গণ্য কৰি আহিছে। আঁহত গছৰ পাতৰ সন্মুখভাগ জোঙা বাবেই এই গছ সহজতে চিনিব পৰা যায়। আঁহত গছৰ বৈজ্ঞানিক নাক- Ficus religiosa, Family-Meraceae, Order-Rasales বুদ্ধি গছ নামেৰে জনাজাত আঁহত গছৰ গড় আয়ুস ৯০০ ৰ পৰা ১৫০০ বছৰ পৰ্যন্ত Blastophafa



quadiceps নামৰ এবিধ বৰলে আঁহত গছত কণী পাৰে।

মদাৰ ফুল গছৰ ডাল ভৰি ফুলিলে চালে চকু ৰোৱা হয়। মদাৰ গছৰ ফুল অগ্নিৰ দৰে দেখাত সেয়েহে মদাৰ গছক Flame tree বুলিও জনা যায়। মদাৰ ফুল কামত নালাগে বুলি সুধাকণ্ঠ ভূপেন হাজৰিকাৰ গীতত শুনিবলৈ পালেও মদাৰ গছত বগোৱা পান খাবলৈ ভাল বুলিও শিল্পীগৰাকীয়ে আকৌ গীততে উল্লেখ কৰিছে। বৈজ্ঞানিক নাম Erythrina Corallodendron, Family Fabaceae, Order-Fabales মদাৰ গছৰ গুৰি চিৰাত উৎপন্ন হয়।

কদম গছ হয়তো ল'ৰালি কালৰে পৰা সকলোৱেই দেখি আহিছে আৰু কদম গছৰ ফুল গোলাকাৰ কমলাৰঙৰ দেখনিয়াৰ হোৱাৰ বাবে সকলোৰে কদমগছ বৰ প্ৰিয়। কদমফুলৰ সুন্দৰ সুবাস আছে বাবে সুগন্ধি তৈয়াৰ কৰাৰ বাবে ব্যৱহৃত হয়। কদমগছৰ বৈজ্ঞানিক নাম Neolamarekia, Order-Gentiavales, Family-Ruliaceae. Genus-Neolam arcka মিঠাই প্ৰস্তুত কৰোতাসকলে কদমফুল সদৃশ গোলাকৰ এবিধ মিঠাই প্ৰস্তুত কৰা দেখা যায় আৰু এইবিধ মিঠাই কদম্ব বুলি গ্ৰাহকৰ সমাদৰ লাভ কৰিছে। এটুকুৰা পৰিত্যক্ত ভূমিখণ্ডত কদম পুলি ৰুই কম পক্ষেও ৫০ বছৰৰ পাছত লাভৱান হ'ব পৰা যায়।

নিমগছৰ নাম কোনোৱেও নুশুনা নহয়। নিম গছক Margosa নামেৰে জনা যায়। নিম এবিধ ঔষধি গছ আৰু আমাৰ একেবাৰে থলুৱা এবিধউদ্ভিদ। পোক পৰুৱাৰ উপদ্ৰৱৰ পৰা অন্যান্য উদ্ভিদক ৰক্ষণাবেক্ষণ দিবৰ বাবে নিমগছৰ পাতৰ ৰসেৰে উৎপন্ন কৰা তৰল ব্যৱহৃত হয়। নিম গছ ৪৯ ফুটৰ পৰা ৯৪ ফুট ওখ হোৱা দেখা যায়। নিমপাত কিঞ্চিত দীঘলীয়া আৰু দুকায়ে সামান্য ভাঁজ থকা। নিম পাতৰ এটা গোন্ধ আছে— ফুল বগা আৰু ফুলৰো সুগন্ধ আছে। নিম গছৰ সৰু ডালেৰে দাঁত মৰ্জন কৰিব পৰা যায়। নিম পাতৰ ৰস চাবোন তৈয়াৰ কৰাত ব্যৱহৃত হয়। বহুমূত্ৰ ৰোগৰ উপশমৰ বাবে নিম পাতৰ ৰস ব্যৱহৃত হয়। মানৱদেহৰ ছালৰ ৰোগ নিৰাময়, পৰিচৰ্যা আদিৰ বাবে নিম পাতৰ ৰসেৰে উৎপাদিত তেল ব্যৱহাৰ কৰা হয়। ব্যৱসায়িক দিশত নিম গছৰ চাহিদা যথেষ্ট আছে। খুব বেছি ঠাণ্ডা অঞ্চলত আৰু পানী জমা হোৱা মাটিত নিম গছ ঠন ধৰি উঠিব নোৱাৰে।

প্ৰয়াত সুগায়ক জয়ন্ত হাজৰিকাৰ 'কৃষ্ণচূড়া কৃষ্ণচূড়া' গীত সদায়েই অমৰ হৈ ৰ'ব বুলি আমি সকলোৱেই বিশ্বাস কৰো। বৃহৎবৃক্ষৰ ফুলৰ ভিতৰত কৃষ্ণচূড়া ফুলৰ সৌন্দৰ্যই সকলোকে মোহিত কৰে। ফুলৰ পাতপাহি এটা কিঞ্চিত ক্ষুদ্ৰাকাৰ ৰং ৰঙা আৰু ঈষৎ কমলা। পাহিবোৰ হালধীয়া আৰু বগা ফোট পৰিলক্ষিত হয়। কৃষ্ণচূড়া গছৰ পাতবোৰ দীঘলীয়া। সাধাৰণতে এইবিধ বৃক্ষ আমাৰ জলবায়ুৰ স'তে খাপ খাব পৰা। কৃষ্ণচূড়াৰ বৈজ্ঞানিক নাম Delonix regia, Order-Fabales Family Fabaceae, Genus Delonil সাধাৰণতে গ্ৰীষ্মকালত কৃষ্ণচূড়া থোপা থোপে ফুলি সৌন্দৰ্য বৰ্ধন কৰে বাবে এই বৃক্ষবিধ কোনো অনুষ্ঠান-প্ৰতিষ্ঠানৰ দাঁতিত ৰোপণ কৰা দেখা যায়। কৃষ্ণচূড়াক হাবিৰ অগ্নি Flame of forest নামেৰেও জনা যায়।

'ৰাধাচূড়াৰ ফুল গুজি ৰাধাপুৰৰ ৰাধিকা চাহ বাগিচাত ঝুমুৰ নাচি জুগনুক যাচে ফটিকা... এই ফটিকা প্ৰেম ফটিকা, ভেজাল তেজাল একো নাই..' সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ কালজয়ী গীতটোৱে কেৱল চাহ জনজাতিৰ লোককেই নহয় সকলোৰে হৃদয় স্পৰ্শ কৰি যাব যুগ যুগ ধৰি। বৃহৎ আকাৰৰ গছত হালধীয়া ৰঙৰ ফুল ফুলি ৰাধাচূড়াই সকলোকে আকৰ্ষিত কৰা দেখা যায়। কৃষ্ণচূড়াৰ গছৰ পাতৰ লেখীয়াকৈ ৰাধাচূড়াৰ পাতবোৰ দীঘলীয়া। ৰাধাচূড়া গছৰ বিশেষত্ব ছাঁদায়ক আৰু এইবাবেই চাহ বাগিচাসমূহত ৰাধাচূড়া গছ ৰোপণ কৰা হয়। ৰাধাচূড়া বৃক্ষ ৫০ মিটাৰ পৰ্যন্ত ওখ হয়। ৰাধাচূড়াৰ বৈজ্ঞানিক নাম Pellopherdum Petrocarpum,Family-Faba ceae, Order-Fabales, Genus-Pellophorum.

কাঠ উৎপাদনকাৰী বৃক্ষৰ অন্যতম হৈছে শালগছ। শালগছ লাহে লাহে ডাঙৰ হয়। শালগছৰ নামেৰে আমাৰ ঠাই বিশেষক নামাকৰণ হৈছে। শালগছ অতি প্ৰাচীন বুলি জনা যায় আৰু শালগছৰ কাঠ ইমানেই টান যে তাক দুচেও কৰা বৰ কঠিন আৰু গজাল মাৰোতেও যথেষ্ট কষ্টকৰ হয়। শালকাঠৰ খুঁটা যাউতিযুগীয়া হোৱা বাবে আমাৰ বহুতৰ বাসগৃহত শালগছৰ খুঁটা আদিও দেখা যায়। নামনি অসমৰ কামৰূপ, গোৱালপাৰা, ধুবুৰী, কোকৰাঝাৰ আদি জিলাসমূহত শালগছ প্ৰচুৰ পৰিমাণে উৎপন্ন হয়। শালগছৰ বৈজ্ঞানিক নাম Shorea robusta, Family-Dipterocarpaceae. Order-Malvales, Genus-Shorea.

বৌদ্ধধৰ্মৰ প্ৰৱৰ্তক বুদ্ধদেৱে যিজোপা গছৰ তলত বহি তপস্যা কৰিছিল সেইজোপা গছেই আছিল বটগছ। বটগছ গুটিৰ পৰা হয় আৰু গছৰ ডালৰ পৰাও শিপা নামি আহে বাবে গছজোপা আকাৰত বৰ বৃহৎ হৈ পৰে। ভাৰতবৰ্ষৰ বিখ্যাত Indian Bayan গছজোপাই হৈছে বটবৃক্ষ আৰু অসমৰ হাবিত বটগছ যথেষ্ট আছে। মইনা চৰায়ে খোৱা গুটি বিষ্ঠাৰ স'তে বাহিৰ হোৱাৰ পাছত বটগছতে গছৰ সৃষ্টি হয় আৰু শিপাবোৰে বাহিৰৰ পৰা বটগছক মাটিত দৃঢ়ভাৱে ৰখাব পাৰে। বটগছৰ গুটি যিকোনো স্থান যেনে মাটি, পকীবেৰ আদিতো অংকুৰিত হৈ গছৰূপে আৱিৰ্ভাৱ হ'ব পাৰে। ভাৰতীয় সভ্যতাত বটবৃক্ষৰ উল্লেখ আছে বটবৃক্ষৰ বৈজ্ঞানিক নাম Ficus benghalensis, Family-Maraceae, Order-Rosales, Genus-Ficus.

দেৱদাৰু গছৰ বিশেষত্ব হৈছে শাৰী শাৰীকৈ ৰোৱা বৃক্ষবিধৰ শব্দ প্ৰদূষণ ৰোধ কৰিব পাৰে কাৰণে কোনো বিশেষ অনুষ্ঠানৰ চৌহদত এইবিধ বৃক্ষৰোপণ কৰা হয়। দেখাত অশোক গছৰ দৰে বাবে বহুতে আকৌ False astoka নামেৰে নামকৰণ কৰিছে। বৃক্ষবিধ দীঘলীয়া হোৱা বাবে ছাঁৰ সৃষ্টি কৰিব পৰা গুণ আছে। দেৱদাৰু গছৰ বৈজ্ঞানিক নাম হৈছে— Monoon longifolium, Family-Annonaceae, Order-Magmoliales, Genus-Monoon দেৱদাৰু বৃক্ষৰ পাতবোৰ



দীঘলীয়া হোৱা বাবে উৎসৱ-পাৰ্বণৰ অনুষ্ঠানৰ সাজসজ্জাত ব্যৱহৃত হয়।

ইউকেলিপটাছ গছজোপা দীঘলীয়া আৰু পাতবোৰ দীঘলীয়া। এই গছৰ কেইবিধমান প্ৰজাতিক থলুৱা আৰু প্ৰাচীন বোলা হয়। ক্ষিপ্ৰগতিত বৰ্ধিত হোৱা; কিন্তু এইবিধ গছ অগ্নি প্ৰৱণতাৰ বৰ বেছি বাবে তৈলক্ষেত্ৰসমূহৰ ওচৰে-পাঁজৰে ইউকেলিপটাছ ৰোপণ কৰা নহয়; কিন্তু এইবিধ গছৰ মন্দ তৈয়াৰ কৰাত আৰু তৈল পদাৰ্থসমূহ মৌজোল প্ৰস্তুত কৰাত ব্যৱহৃত হয় বুলি জানিব পৰা গৈছে। ইউকেলিপটাছ গছৰ পাত থকা তৈলৰ পৰা ভিকছ প্ৰস্তুত কৰা হয়। ইউকেলিপটাছ গছৰ বৈজ্ঞানিক নাম— Eucalyptus obliqua, Family-Myrtaceae, Order-Myrtales, Genus-Eucalyptus.

অসমৰ চাৰিসীমাৰ বাহিৰৰ কেউখন প্ৰদেশ হৈছে পাহাৰীয়া আৰু ভিতৰৰ দুখন পাহাৰীয়া জিলা আছে। অলপ ঠাণ্ডা অঞ্চলত আৰু পাহাৰৰ দাঁতিকাষৰীয়া অঞ্চলত উৎপন্ন হোৱা বৃক্ষবিধেই হৈছে সৰল গছ। ইংৰাজীত যাক Pine Tree বোলা হয়। সৰল গছৰ ৰোপণ সৌন্দৰ্যবৰ্ধনৰ বাবে কৰা হ'লেও ইয়াৰ কাঠ পাতল আৰু গুণসম্পন্ন হোৱা বাবে ছিলিং আদিও ব্যৱহাৰৰ উপযোগী বিবেচিত হৈছে। বৃহৎ আকাৰৰ পাৰ্ক, উদ্যানৰ শোভা বৰ্ধনৰ বাবে সৰল গছ ৰোপণ অপৰিহাৰ্য। সৰল গছৰ গুটি বৃহৎ আকাৰৰ। মেঘালয়ৰ খাছী পাহাৰত 'ভিয়েনচিয়ে' নামেৰে জনপ্ৰিয় সৰল গছ আমাৰ সকলোৰে বৰ আদৰৰ। সৰল গছ ৫০ৰ পৰা ১৫০ ফুট উচ্চতাৰ হয়। বৈজ্ঞানিক নাম— Pinus sylnestris, Family-Pinaceae, Order-Pinales, Genus-Pinus.



সাঁচিগছ বুলিলে হয়তো অসমত সকলোৱেই নাম শুনিছে যদিও এইবিধ বৃক্ষ বৰ আপুৰুগীয়া। সাঁচি গছক ইংৰাজীত Agarwood বোলা হয়। এই গছৰ কাঠৰ পৰা সুগন্ধি তৈয়াৰ কৰা হয়। প্ৰথম শ্ৰেণীৰ সাঁচিগছৰ মূল্য বহু বেছি। আমাৰ বেপাৰীসকলে এই গছ ব্যৱসায়িক ভিত্তিত ৰোপণ কৰাই নহয়, এই গছৰ তৈলৰ পৰা আঁতৰ, ধূপ আৰু অন্যান্য সুগন্ধি প্ৰস্তুত কৰি আন্তৰ্জাতিক বজাৰৰ ব্যৱহাৰৰ বাবে ৰপ্তানি কৰি বহু লাভৱান হৈছে। আগৰ গছৰ শিপাৰ পৰা তৈয়াৰ কৰা ঔষধ পেটৰ অসুখৰ বাবে উপকাৰী। বেদ শাস্ত্ৰত সাঁচি গছৰ উল্লেখ আছে Susruta Sanhita নামেৰে এইবিধ গছক নামাকৰণ কৰা হৈছে। সাঁচি কাঠৰ বৈজ্ঞানিক নাম Lignum aloes.

বাঁহগছৰ স'তে অসমৰ জনসাধাৰণৰ এৰাব নোৱৰা সম্বন্ধ আছে আৰু অসমৰ সকলো শ্ৰেণীৰ জনসাধাৰণে বাঁহ গছক আদৰ-যতন কৰি প্ৰতিপালিত কৰাও দেখা যায়। জানিব পৰা মতে, অসমত প্ৰায় ৪৫ প্ৰজাতিৰ বাঁহৰ উৎপন্ন হয়। বাঁহ গছৰ ডাঙৰ প্ৰজাতিৰ নাম ভলুকা বাঁহ। (ব্যাসাৰ্ধ ৪৪ মিঃ মিঃ আৰু উচ্চতা ২২ মিটাৰ) হ'লেও জাতিবাঁহ, মোকাল বাঁহ, মুলিবাঁহ, বিজুলী বাঁহ আদিও ডাঙৰ প্ৰজাতিৰ বাঁহগছ অপৰিহাৰ্য এবিধ তৃণ। বাঁহ গছত পাত থাকে। গছডাল দীঘলীয়া আৰু পাতবোৰ দীঘলীয়া। বাঁহগছৰ গাঁজ এবিধ উত্তম খাদ্য, যাক খাৰ তৈয়াৰ কৰি আঞ্জা কৰি খোৱাৰ উপৰি পিহনাত পিহি বাঁহগাছ আচাৰ হিচাপে গৃহিণীসকলে প্ৰস্তুত কৰে আৰু এবিধ খাদ্য 'খৰিচা' বুলি জনা যায়।

'নাহৰ ফুলে নুশুৱায় তগৰ ফুলে শুৱাব...' কলাগুৰু বিষ্ণু ৰাভাৰ কালজয়ী গীতটোৱে সদায়েই নিশ্চয় সোঁৱৰাব নাহৰ নামৰ চিৰসেউজ বৃক্ষ বিধৰ স'তে আমাৰ জাতীয় সংস্কৃতি জড়িত হৈ আছে। নাহৰৰ ইংৰাজী নাম Ceylon ironwood বা Indian rose chestnut. নাহৰ গছ প্ৰায় এশ ফুট ওখ হয়। গছৰ পৰিধি দুই মিটাৰ হ'ব পাৰে। ইয়াৰ ডাল বৰ লাহি। বাকলি ০.৫ ইঞ্চি। ইহঁতৰ পাতৰ পৰা আঠা পোৱা যায়।

এই গছৰ কাঠ বৰ টান হয়। ধীৰ গতিত ডাঙৰ হোৱা নাহৰ গছৰ ফুল আৰু পাত উভয়েই সুন্দৰ। ফুলৰ পাপৰিৰ ৰং বগা আৰু কেশৰ সোণোৱালী। বসন্ত ঋতুত নাহৰ ফুলে, পাতবোৰ সৰু বল্লবাকৃতিৰ। গৃহসজ্জা আৰু পূজা-পাৰ্বণত নাহৰ ফুলৰ আৱশ্যকতা আছে। বৈজ্ঞানিক নাম Mesua ferrea, Family-Calophyllaceae, Order-Malprighiales, Genus-Mesua।

গছ থাকিলেহে মানুহ থাকিব বোলা শ্ল'গানটি বন বিভাগৰ দ্বাৰা প্ৰচাৰিত হৈ আহিছে। আগতে উল্লেখ কৰা মতে গছ কাটিবলগীয়া হোৱা পৰিস্থিতি উদ্ভৱ হোৱা বাবে আমি বৃক্ষৰোপণত গুৰুত্ব আৰোপ কৰা উচিত।

*ফোন ঃ ৯৪৩৫০৬২৭২১*






বৰ্তমান আমাৰ দেশৰ অৰ্থনীতিত আটাইতকৈ বেছি চৰ্চা হোৱা এটা বিষয় হ’ল ডলাৰৰ বিপৰীতে টকাৰ মূল্য হ্ৰাস। কিন্তু কেৱল ভাৰতীয় টকাই নহয়, পাকিস্তানী আৰু বাংলাদেশী মুদ্ৰাকে ধৰি বিশ্বৰ বহু প্ৰধান দেশৰ মুদ্ৰাৰ মূল্য যোৱা এবছৰত ডলাৰৰ বিপৰীতে ভালেখিনি হ্ৰাস পাইছে। বিশেষকৈ এছিয়া মহাদেশৰ দেশসমূহৰ স্থানীয় মুদ্ৰাসমূহ দুৰ্বল হৈ পৰিছে। দ্য ইউ এছ ডলাৰ ইনডেক্সৰ মতে, ডলাৰৰ মূল্য এতিয়া বিগত ২০ বছৰৰ ভিতৰত সৰ্বোচ্চ স্তৰত আছে। হাৰ্ড কাৰেন্সি হিচাপে ডলাৰৰ মূল্য বিগত এটা বছৰত একেৰাহে বৃদ্ধি পাইছে। এনে পৰিস্থিতিত অৰ্থনীতি বিশ্লেষকসকলে ডলাৰক বাদ দি অন্য মুদ্ৰাত ব্যৱসায়ৰ সম্ভাৱনাৰ সন্ধান কৰাৰ পৰামৰ্শ দিছে।

# ডলাৰ নিৰ্ভৰশীল বিশ্ব বাণিজ্য

**মাৰ্কিন মুদ্ৰাৰ বিপৰীতে দেশে দেশে হ্ৰাস স্থানীয় মুদ্ৰাৰ মূল্য**

### ডলাৰৰ বিপৰীতে অন্যান্য মুদ্ৰাৰ মূল্য হ্ৰাস পোৱাৰ কাৰণ

বিশ্লেষকসকলৰ মতে, এই মুহূৰ্তত ডলাৰৰ বিপৰীতে অন্যান্য মুদ্ৰাৰ মূল্য হ্ৰাস পোৱাৰ একাধিক কাৰণ আছে যদিও ইয়াৰ মূল কাৰণ দুটা। প্ৰথমটো হৈছে, ৰাছিয়া-ইউক্ৰেইন যুদ্ধই পেট্ৰ’লিয়াম সামগ্ৰীৰ পৰা আৰম্ভ কৰি সকলো বস্তুৰ দাম বৃদ্ধি কৰিছে। প্ৰসংগক্ৰমে উল্লেখ কৰিব পাৰি, বজাৰত আন সামগ্ৰীৰ মূল্য যি পদ্ধতিৰে নিৰ্ধাৰণ কৰা হয়, সেই পদ্ধতি অনুসৰি চাহিদা আৰু যোগানৰ অংকৰ হিচাপতেই বিদেশী মুদ্ৰাৰ সাপেক্ষে ঘৰুৱা মুদ্ৰাৰ মূল্য নিৰ্ধাৰণ কৰা হয়। প্ৰত্যেক দেশকে বিদেশী মুদ্ৰাৰ প্ৰয়োজন হয় বৈদেশিক বাণিজ্য সম্প্ৰসাৰণৰ বাবে । যদি আপুনি বহিঃৰাজ্যৰ পৰা কোনো সামগ্ৰী বা সেৱা কিনিব বিচাৰে তেন্তে ভাৰতীয় টকাত মূল্য দিব নোৱাৰে, তাৰ বাবে আপোনাক আন্তঃৰাষ্ট্ৰীয় মুদ্ৰাৰ প্ৰয়োজন হ’বই। সম্প্ৰতি ৰাছিয়া-ইউক্ৰেইন যুদ্ধৰ ফলত সকলো সামগ্ৰীৰ দাম ডলাৰৰ অংকত বৃদ্ধি পাইছে। বহুক্ষেত্ৰত আমদানিৰ পৰিমাণ হ্ৰাস কৰাটো যিহেতুকে অসম্ভৱ, অন্ততঃ হ্ৰস্বম্যাদীভাৱে হ’লেও প্ৰায় প্ৰতিখন দেশৰে আমদানিৰ খৰচ বৃদ্ধি পাইছে। ভাৰততো ডলাৰ মূল্যৱান হৈ পৰিছে, তাৰ বিপৰীতে টকাৰ দাম হুৰাহুৰে কমিছে। দ্বিতীয় কাৰণটো হ’ল আমেৰিকাৰ ফেডাৰেল ৰিজাৰ্ভৰ সুতৰ হাৰ বৃদ্ধি পোৱাটো। সমগ্ৰ বিশ্বতে ক্ৰমাৎ বৃদ্ধি পোৱা বিত্তীয় অনিশ্চয়তাৰ সন্মুখীন হৈ বিনিয়োগকাৰীসকলে সম্প্ৰতি নিৰাপদ আশ্ৰয় বিচাৰিছে। ফেডাৰেল ৰিজাৰ্ভৰ সুতৰ হাৰ বৃদ্ধি হোৱাৰ লগে লগে আমেৰিকাত বিনিয়োগৰ প্ৰবাহ বৃদ্ধি পাইছে। বিপৰীতে,ভাৰত,বাংলাদেশ, চীন, পাকিস্তান, ভিয়েটনাম, জাপান, নেপাল আদি প্ৰায় প্ৰতিখন দেশৰে বজাৰৰ পৰা বিনিয়োগ প্ৰত্যাহাৰ কৰাৰ প্ৰৱণতা দেখা গৈছে। সমগ্ৰ এছিয়াতে এতিয়া স্থানীয় মুদ্ৰা দুৰ্বল হৈ পৰিছে। কি চীনা ইউয়ান, কি জাপানী য়েন, প্ৰায় সকলোবোৰ মুদ্ৰাৰে অৱমূল্যায়ন ঘটিছে। পাকিস্তান আৰু বাংলাদেশৰ মুদ্ৰাৰ মূল্যও ক্ৰমশ হ্ৰাস পাইছে।



### এবছৰতে এইসমূহ দেশৰ মুদ্ৰাৰ মূল্যৰ অভাৱনীয় হ্ৰাস

ফিনপ্ৰেছ’ ডট কমৰ তথ্য অনুসৰি যোৱা ২০২১ৰ মে’ৰ পৰা চলিত ২০২২ ৰ মে’লৈকে ভাৰতীয় টকাৰ মূল্য ৬.১১ শতাংশ হ্ৰাস পাইছে। একেদৰে, বাংলাদেশৰ মুদ্ৰাৰ মূল্য ৩.৩৫ শতাংশ, পাকিস্তানী টকাৰ মূল্য ২০.৬৪ শতাংশ, ভিয়েটনামী ডংৰ মূল্য ০.৩৫ শতাংশ, ইউৰোৰ মূল্য ১৩.৬৯ শতাংশ, ব্ৰিটিছ পাউণ্ডৰ মূল্য ১২.২৪ শতাংশ, জাপানী য়েনৰ মূল্য ১৫.৪৪ শতাংশ আৰু নেপালী টকাৰ মূল্য ৫.৩৩ শতাংশকৈ হ্ৰাস পাইছে। ইয়াৰ উপৰি চীনৰ ইউয়ানৰ মূল্য ৪.৯৭ শতাংশ, ইজিপ্তৰ পাউণ্ডৰ মূল্য ১৪.৫০ শতাংশ, দক্ষিণ আফ্ৰিকাৰ মুদ্ৰাৰ মূল্য ১৫.৬১ শতাংশ আৰু অষ্ট্ৰেলিয়ান ডলাৰৰ মূল্য ৯.৫৬ শতাংশকৈ হ্ৰাস পাইছে বিগত এটা বছৰৰ ভিতৰত।

### ডলাৰ নিৰ্ভৰশীল বিশ্ব বাণিজ্য

দ্য বেলেন্স ডট কমৰ তথ্য অনুসৰি, বিশ্বৰ ৯০ শতাংশ বৈদেশিক বাণিজ্য এতিয়াও মাৰ্কিন ডলাৰৰ আধাৰতে চলি আছে। একেদৰে বিশ্বৰ ৪০ শতাংশ ঋণো আছে মাৰ্কিন ডলাৰৰ আধাৰতে। গতিকে বৰ্তমান সময়ত প্ৰতিখন দেশৰ বাবে ধনৰ বিনিময় হাৰ গভীৰ চিন্তাৰ বিষয় হৈ পৰিছে। উল্লেখ্য যে বিনিময়ৰ বাবে বিশ্বৰ সকলো বেংকৰ হাতত বিদেশী মুদ্ৰা হিচাপে ডলাৰ থাকিবই লাগে। অনা-আমেৰিকান বেংকসমূহৰ আন্তঃৰাষ্ট্ৰীয় ঋণৰ দুই তৃতীয়াংশই আমেৰিকান ডলাৰৰ আধাৰত আছে। সেইবাবেই আমেৰিকাৰ ফেডাৰেল ৰিজাৰ্ভে অহৰহ বিনিময় হাৰ বৃদ্ধি কৰিবলগীয়া হৈছে।



### ডলাৰৰ বিকল্পৰ চিন্তা

সকলো দেশৰ বেংকৰ হাতত প্ৰয়োজনীয় ডলাৰ ৰখাৰ বাহিৰে সদ্যহতে আন কোনো বিকল্প নাই। অৱশ্যে, ইউৰোপীয় সংঘৰ মুদ্ৰা ইউৰো ডলাৰৰ বিকল্প হ’ব পাৰে। কিন্তু, ইউৰো জ’নৰ সংকটৰ বাবে সেই সম্ভাৱনা অদ্যাপি বাস্তৱায়িত হোৱা নাই। শেহতীয়াকৈ, চীন আৰু ৰাছিয়াই আন্তঃৰাষ্ট্ৰীয় মুদ্ৰা নিধিক ডলাৰৰ বিকল্প হিচাপে একক মুদ্ৰা উদ্ভাৱন কৰিবলৈ আহ্বান জনাইছে। বৰ্তমান চীনে নিজৰ মুদ্ৰাত বৈদেশিক বাণিজ্যও কৰি আছে। আনকি ২০১৬ৰ পৰা ইউয়ান ৰিজাৰ্ভ হিচাপে ব্যৱহাৰ হৈ আহিছে চীনা মুদ্ৰা। কিন্তু আইএমএফৰ তথ্য অনুসৰি ২০২১ৰ শেষৰ ত্ৰিমাসিকত সমগ্ৰ বিশ্বত মজুত থকা আমেৰিকান মুদ্ৰাৰ পৰিমাণ আছিল ৭.০৮৭ ট্ৰিলিয়ন ডলাৰ, আৰু ইউয়ানৰ পৰিমাণ আছিল মাত্ৰ ৩৩৬ বিলিয়ন ডলাৰ।

বিশেষজ্ঞসকলৰ মতে, দেশ দেশে ডলাৰৰ মূল্য যিদৰে বৃদ্ধি পাইছে, তাৰ পৰিপ্ৰেক্ষিতত অন্য মুদ্ৰাত ব্যৱসায়ৰ সম্ভাৱনাৰ সন্ধান কৰাটো জৰুৰী হৈ পৰিছে। কিন্তু এই সমগ্ৰ বিষয়টো নিৰ্ভৰ কৰিব ট্ৰেডিং পাৰ্টনাৰৰ সিদ্ধান্তৰ ওপৰত। অৰ্থাৎ ট্ৰেডিং পাৰ্টনাৰসকলে আন মুদ্ৰাত বাণিজ্যিক বিনিময় কৰিব বিচাৰিব নে নাই। মুদ্ৰাৰ উপলব্ধতা আৰু ইয়াৰ বিনিময় হাৰৰ ওপৰতো নিৰ্ভৰ কৰিব অন্য মুদ্ৰাত ব্যৱসায়ৰ সম্ভাৱনা কিমান। একে সময়তে এই সংকটৰ সময়ত মুদ্ৰাৰ মূল্য আৰু কিমান হ্ৰাস বা বৃদ্ধি হ’ব সেয়াও লক্ষ্যণীয় হ’ব।

# এই পাঁচখন গাড়ীয়ে কম দামতে দিব সৰ্বোত্তম মাইলেজ!

পেট্ৰ’ল-ডিজেলৰ দাম বৃদ্ধিৰ বাবে দেশৰ প্ৰায় সকলোবোৰ গাড়ী নিৰ্মাতা সংস্থাই ইলেক্ট্ৰিক আৰু চিএনজি গাড়ী নিৰ্মাণৰ কাম আৰম্ভ কৰিছে। লগতে ইন্ধনৰ কাৰ্যক্ষমতা বৃদ্ধিৰ বাবে এই সংস্থাসমূহে পেট্ৰ’ল ইঞ্জিনতো সালসলনি কৰিছে। সম্প্ৰতি বজাৰত উপলব্ধ পেট্ৰ’ল ইঞ্জিনত সৰ্বাধিক মাইলেজ প্ৰদান কৰা পাঁচখন জনপ্ৰিয় গাড়ীৰ বিষয়ে তলত দিয়া হ’ল । এই সকলোবোৰ বাহনৰ মাইলেজ পৰিসংখ্যা এআৰএআই প্ৰমাণিত।

### মাৰুতি ছুজুকি চেলেৰিঅ’

নতুন ডুৱেল জেট পেট্ৰ’ল ইঞ্জিনৰ স’তে মাৰুতি ছুজুকিয়ে মুকলি কৰিছে দ্বিতীয় প্ৰজন্মৰ চেলেৰিঅ’



হেচবেক। দেশৰ ভিতৰতে বিক্ৰীৰ দিশেৰে সৰ্বাধিক মাইলেজ দিয়া গাড়ী হিচাপে পৰিগণিত হৈছে এই হেচবেকখন। চেলেৰিঅ’ এএমটিয়ে ২৬.৬ কিলোমিটাৰ! লিটাৰৰ এআৰএআই প্ৰমাণিত মাইলেজ প্ৰদান কৰাৰ দাবী কৰে। আনহাতে, ইয়াৰ মেনুৱেল মডেলৰ মাইলেজ ২৫.২৪ কিলোমিটাৰ/লিটাৰ। চেলেৰিঅ’ত ১.০ লিটাৰৰ ডুৱেলজেট কে১০ পেট্ৰ’ল ইঞ্জিন আছে যিয়ে ৮ বিএইছপি শক্তি আৰু ৬৯ এনএম টৰ্ক উৎপন্ন কৰে।

### হোণ্ডা চিটি ইঃ এইছইভি

হোণ্ডাই শেহতীয়াকৈ মুকলি কৰিছে তেওঁলোকৰ নতুন গাড়ী চিটি ইঃএইছইভি। ইয়াৰ আৰম্ভণি মূল্য



১৯,৪৯,৯০০ টকা। নতুন চিটি ইঃ এইছইভি হৈছে মূলসুঁতিৰ ছেগমেণ্টৰ প্ৰথমখন গাড়ী যাক শক্তিশালী হাইব্ৰিড ইলেক্ট্ৰিক প্ৰযুক্তিৰে নিৰ্মাণ কৰা হৈছে। চিটি ইঃএইছইভি হোণ্ডা অনন্য স্ব-চাৰ্জিং আৰু দুটা মটৰৰ ইলেক্ট্ৰিক হাইব্ৰিড ব্যৱস্থাৰে নিৰ্মিত। এই গাড়ীখনত আছে ১.৫ লিটাৰ এটকিনছন চালিত পেট্ৰ’ল ইঞ্জিন। এই গাড়ীখনৰ মাইলেজ ২৬.৫ কিলোমিটাৰ/লিটাৰ আৰু ই হৈছে অতি কম প্ৰদূষণৰ স’তে বিশ্বৰ ভিতৰতে সৰ্বোত্তম ইলেক্ট্ৰিক-হাইব্ৰিড পাৰফৰমেন্স দিব পৰা গাড়ী।

### মাৰুতি ছুজুকি ৱেগন আৰ

মাৰুতি ছুজুকি ৱেগন আৰত দুটা পেট্ৰ’ল ইঞ্জিন আছে। সেই দুটা হৈছে , ১.০ এলএনএ পেট্ৰ’ল আৰু ১.২ এলএনএ পেট্ৰ’ল ইঞ্জিন। গাড়ীখন চিএনজি বিকল্পৰ স’তে উপলব্ধ, যিয়ে প্ৰতি লিটাৰ ইন্ধনত ৩৪.০৫ কিলোমিটাৰ মাইলেজ দিব বুলি দাবী কৰা হৈছে। এএমটি গিয়াৰবক্সৰ স’তে ৱেগন আৰ ১.০ এল



সংস্কৰণে এআৰএআই প্ৰমাণিত ২৫.১৯ কিলোমিটাৰ/লিটাৰ আৰু মেনুৱেল সংস্কৰণে ২৪.৩৫ কিলোমিটাৰ/লিটাৰ মাইলেজ প্ৰদান কৰে।

### মাৰুতি ডিজায়াৰ

মাৰুতি ছুজুকিয়ে যোৱা বছৰ ডিজায়াৰৰ এক নতুন সংস্কৰণ মুকলি কৰিছিল। এই মডেলখনত ষ্টাৰ্ট-ষ্টপ ফাংচনৰ স’তে নতুন ১.২ এল ডুৱেলজেট কে১২এন পেট্ৰ’ল ইঞ্জিন আছে। এই মডেলখনে ৯০ বিএইছপি আৰু ১১৩ এনএম টৰ্ক উৎপন্ন কৰিবলৈ সক্ষম।



তদুপৰি গাড়ীখন মেনুৱেল আৰু এএমটি গিয়াৰবক্স দুয়োটাৰে স’তে উপলব্ধ। উল্লেখ্য যে মাৰুতি ডিজায়াৰৰ এএমটি ভেৰিয়েণ্টে মেনুৱেলতকৈ অধিক মাইলেজ দিয়ে। ডিজায়াৰ এএটিয়ে ২৪.১২ কিলোমিটাৰ/লিটাৰ মাইলেজ আৰু মেনুৱেলে ২৩.২৮ কিলোমিটাৰ/লিটাৰ মাইলেজ দিয়ে।

### মাৰুতি ছুইফ্‌ট

ডিজায়াৰৰ দৰেই নতুন ছুইফ্‌টতো আছে নতুন ৯০ বিএইছপি, ১.২ এল ডুৱেলজেট পেট্ৰ’ল ইঞ্জিন আৰু আইডল ষ্টাৰ্ট ষ্টপ প্ৰযুক্তি। এই গাড়ীখনৰ এএমটি ভেৰিয়েণ্টে ২৩.৭৬ কিলোমিটাৰ/লিটাৰ এআৰএআই প্ৰমাণিত মাইলেজ দিয়ে আৰু মেনুৱেল ভেৰিয়েণ্টে ২৩.২ কিলোমিটাৰ/লিটাৰ মাইলেজ দিয়ে।



**সুবিধা আৰু অসুবিধাসমূহ জানি লওক**

# এটাতকৈ অধিক বেংক একাউণ্টৰ গৰাকী নেকি ?

আমাৰ মাজৰ বহুতৰে আজিকালি একাধিক বেংক একাউণ্ট খোলাৰ প্ৰৱণতা গঢ়ি উঠিছে। কিছুমান মানুহে নিজৰ প্ৰয়োজনৰ বাবে এটাতকৈ অধিক বেংক একাউন্ট ৰাখে। আকৌ কিছুমান এনেকুৱা মানুহো আছে যিয়ে একেবাৰেই অকাৰণতে একাধিক বেংক একাউণ্ট ৰাখে। বিশেষকৈ বেংকিং খণ্ডই ডিজিটেল জ’নত প্ৰৱেশ কৰাৰ পাছৰে পৰা এই ধাৰা তীব্ৰতৰ হৈছে। অনলাইনযোগে ঘৰতে বহি ম’বাইল এপৰ জৰিয়তে নতুন জমা একাউণ্টৰ বাবে আবেদন কৰিব পৰা হৈছে। সেইবাবে বহুতে ভিন ভিন বেংকত সহজতে একাউন্ট খুলিব পৰা হৈছে। অনলাইনত আবেদন কৰি, ভিডিঅ’ৰ জৰিয়তে কেৱাইচিৰ জৰিয়তে আজিকালি আপুনি সহজেই যিকোনো বেংকত একাউণ্ট এটা খুলিব পাৰে। কিন্তু এনে একাধিক সঞ্চয় একাউণ্ট থকাটো ভাল নে বেয়া, ইয়াৰ সুবিধা আৰু অসুবিধা সমূহনো কি সেই বিষয়ে আমি বেছিভাগেই অজ্ঞ। আহকচোন জানো এই বিষয়ে—




**একাধিক বেংক একাউন্ট থাকিলে সুবিধা কি কি ?**

যদি আপোনাৰ এটাতকৈ অধিক বেংকত জমা একাউণ্ট আছে তেন্তে আপুনি বিভিন্ন বেংকৰ লকাৰ, বীমা আৰু প্ৰিমিয়াম ডেবিট কাৰ্ডৰ সুবিধা ল’ব পাৰে। তাৰ উপৰি বিভিন্ন বেংকৰ ইএমআই ৰেহাইৰ সুবিধা, বজাৰ কৰোতে ৰিৱাৰ্ড বা পুৰস্কাৰ পাব পাৰে গ্ৰাহকে। গতিকে যিমানেই একাউণ্ট থাকিব সিমানেই বেছি পুৰস্কাৰো পাব। ইয়াৰ সমান্তৰালভাৱে অধিক সঞ্চয় কৰাটোও সম্ভৱ। কাৰণ, বেলেগ বেলেগ বেংকৰ অফাৰো বেলেগ বেলেগ।

আনহাতে, গ্ৰাহকে টকা উলিওৱাৰ সময়তো অতিৰিক্ত কিছু সুবিধা পাব পাৰে। কাৰণ প্ৰতিটো বেংক একাউণ্টৰ পৰা গ্ৰাহকে মুঠ কিমানবাৰ টকা উলিয়াব পাৰিব তাৰ এটা নিৰ্দিষ্ট সীমা নিৰ্ধাৰণ কৰা থাকে। সাধাৰণতে এটিএম কাৰ্ডৰ সহায়ত এক নিৰ্দিষ্ট সময়ৰ ভিতৰত এক নিৰ্দিষ্ট পৰিমাণৰ ধন উলিওৱা সম্ভৱ। যদি আপোনাৰ একাধিক একাউণ্ট আছে তেন্তে আপুনি অধিক সঘনাই এটিএমৰ পৰা ধন উলিয়াব পাৰিব।

**বেংকৰ তৰফৰ পৰা বিভিন্ন সুবিধা**

বিভিন্ন অনলাইন আৰু ই-কমাৰ্চ প’ৰ্টেলে বিভিন্ন বেংকৰ স’তে জড়িত হৈ আজিকালি সময়ে সময়ে কেতবোৰ অফাৰ আগবঢ়ায়। গতিকে বেলেগ বেলেগ বেংক একাউণ্ট থাকিলে এই অফাৰবোৰ সহজে উপলব্ধ হয়।

**জমা ৰাশিৰ সুৰক্ষা**

বেংকত পাঁচ লাখতকৈ অধিক টকা ৰখাটো বৰ সুৰক্ষিত নহয়। সেই ক্ষেত্ৰত এটাতকৈ অধিক বেংক একাউণ্ট থাকিলে ই ধনৰ সুৰক্ষা দিয়ে।

**একাধিক বেংক একাউণ্ট থকাৰ অসুবিধাসমূহ কি কি ?**

এটাতকৈ অধিক একাউণ্ট থকাৰ কিছু সমস্যাও আছে। কাৰণ সকলো একাউণ্ট একে সময়তে ৰক্ষণাবেক্ষণ কৰাটো প্ৰায়ে কঠিন হৈ পৰে। ইয়াৰ উপৰি সকলো একাউণ্টতে মেইণ্টেনেন্স চাৰ্জ দিব লাগে। লগতে এটিএমৰ চাৰ্জ, অনলাইন বেংকিং চাৰ্জো বেংকে সময়ে সময়ে কৰ্তন কৰি থাকে। গতিকে ৰক্ষণাবেক্ষণৰ ব্যয় বৃদ্ধি পায়।

# ইউ টিউবৰ উপাৰ্জনত জিএছটি কিমান?




**ইউ** টিউব হৈছে বিনামূলীয়া ভিডিঅ’-শ্বেয়াৰিঙৰ বাবে এক অনলাইন প্লেটফৰ্ম আৰু ইয়াক বিশ্বজুৰি পৰিচালিত কৰা হয় যাতে যিকোনো ব্যক্তিয়ে অনলাইন ভিডিঅ’সমূহ সহজে আনক দেখুৱাব আৰু নিজে চাব পাৰে। অনলাইনত ভিডিঅ’ চোৱাৰ উপৰি ভিডিঅ’ তৈয়াৰ কৰি ইউ টিউবত আপলোড কৰিলে চৰ্তসাপেক্ষে বৃহৎ অংকৰ উপাৰ্জনো সম্ভৱ। সেয়েহে যুৱচামৰ মাজত সম্প্ৰতি ইউ টিউবে বহুল জনপ্ৰিয়তা লাভ কৰিছে। ভাৰততো ইয়াৰ জনপ্ৰিয়তা ইমানেই বেছি যে,প্ৰায় প্ৰতিটো চুবুৰিতে এজন হ’লেও ব্যক্তিয়ে নিজৰ ইউ টিউব চেনেল খুলি ভিডিঅ’ ব্লগিঙৰ দ্বাৰা উপাৰ্জনৰ পথ বিচাৰিছে। অৱশ্যে ইউ টিউবৰ পৰা উপাৰ্জন কৰিবলৈ যথেষ্ট কষ্ট, সময় আৰু ধৈৰ্যৰ প্ৰয়োজন হয়। তদুপৰি ইউ টিউবৰ পৰা উপাৰ্জন কৰিবলৈ কিছুমান বিশেষ কথা মনত ৰাখিব লাগিব। এইসমূহৰ ভিতৰত প্ৰথমটো হ’ল—ইউ টিউব একাউণ্ট হোল্ডাৰ হ’বলৈ হ’লে জিমেইল আইডি থাকিব লাগিব। দ্বিতীয়তে আপুনি কেতবোৰ নিৰ্দিষ্ট মাপকাঠি পূৰণ কৰিলেহে ইউ টিউবত আপোনাৰ কন্টেন্টক মুদ্ৰাকৰণ আৰম্ভ কৰিব পাৰিব। তৃতীয়তে, কন্টেন্ট আপলোড কৰাৰ বাবে ইউ টিউবে জাৰি কৰা নিৰ্দেশনাসমূহ মানি চলিব লাগিব।

ইউ টিউব চেনেল চলোৱা ব্যক্তি এজনক ইউ টিউবাৰ বোলা হয়। ইউ টিউবৰ নীতি অনুসৰি, এটা ভিডিঅ’ত ছাবস্ক্ৰাইবাৰৰ সংখ্যা আৰু ভিউৰ সংখ্যাৰ ওপৰত এক নিৰ্দিষ্ট সীমা আছে। এই সীমা স্পৰ্শ কৰিব পাৰিলেহে এজন ইউ টিউবাৰে নিজৰ চেনেলটো মুদ্ৰাকৰণ বা আয়ৰ যোগ্য আৰম্ভ কৰিব পাৰে। আনহাতে, ভিডিঅ’ এটাত বিজ্ঞাপন প্ৰচাৰৰ জৰিয়তে উপাৰ্জন কৰিবলৈ ইউ টিউবাৰসকলে গুগল এডচেন্স নামৰ এপটোৰো সহায় ল’ব পাৰে। সাধাৰণতে ইউ টিউব চেনেল এটা আৰম্ভ কৰাৰ সময়ত প্ৰতিজন ইউ টিউবাৰে জানিব বিচাৰে যে ভাৰতত কিমান উপাৰ্জন কৰিব পাৰি ভ্লগিংৰ দ্বাৰা। দৰাচলতে ইউ টিউবৰ উপাৰ্জনৰ বাবে যোগ্য হ’বলৈ হ’লে চেনেলটোৰ ১০,০০০ তকৈ অধিক গ্ৰাহক থাকিব লাগে। ইয়াৰ লগতে থাকে আন কেতবোৰ চৰ্তও। চৰ্তসমূহ পূৰণ কৰিব পাৰিলে গড়ে প্ৰতি হেজাৰ ভিডিঅ’ ভিউত একোজন ইউ টিউবাৰে ৩,০০০ টকাৰ পৰা ৫,০০০ টকাৰ ভিতৰত উপাৰ্জন




কৰিব পাৰে। সৰ্বাধিক দৰমহা পোৱা ইউ টিউবাৰে বছৰি প্ৰায় ১৫০ কোটি টকা উপাৰ্জন কৰিব পাৰে। এইখিনিতে এটা প্ৰশ্ন সকলোৰে মনলৈ আহে, ইউ টিউবৰ উপাৰ্জনৰ ওপৰত কিবা কৰ আছে নেকি? ইয়াৰ উত্তৰটো হ’ল, যদি আপুনি দৰ্শকৰ পৰা সঁহাৰি পাবলৈ আৰম্ভ কৰিছে আৰু উপাৰ্জন কৰিবলৈ আৰম্ভ কৰিছে তেন্তে আপুনি তাৰ বাবে কৰ ভৰিব লাগিব। আমাৰ দেশত ইউ টিউবৰ পৰা লাভ কৰা উপাৰ্জনত প্ৰযোজ্য হৈ আছে জিএছটি।

**ইউ টিউবৰ পৰা লাভ কৰা উপাৰ্জনত জিএছটি কিমান?**

জিএছটি আইন, ২০১৭ৰ বিধান অনুসৰি কোনো লেনদেন যোগানৰ সংজ্ঞাৰ অন্তৰ্গত হ’লেহে ইয়াক জিএছটিৰ আওতাত ধৰা হয়। ইউ টিউবাৰসকলে দৰ্শক বা ব্যৱহাৰকাৰীক ভিডিঅ’ৰ ৰূপত কন্টেন্টৰ যোগান ধৰে আৰু লগতে নিজৰ চেনেলটোৰ মুদ্ৰাকৰণ কৰি বিজ্ঞাপনৰ বাবেও এক মঞ্চ প্ৰদান কৰে। জিএছটি আইন অনুসৰি সেয়ে উপাৰ্জনকাৰী ইউ টিউবাৰসকলক যোগানকাৰী হিচাপে ধৰা হয় । যিহেতু এই সেৱাসমূহক যোগান হিচাপে ধৰিব পাৰি, গতিকে ভাৰতত ইউ টিউবাৰৰ উপাৰ্জনৰ ওপৰত জিএছটি প্ৰযোজ্য হৈছে।

**ইউ টিউবাৰসকলে জিএছটি আইনৰ অধীনত পঞ্জীয়ন কৰিব লাগে নেকি ?**

মুঠ টাৰ্ণঅভাৰ বা লেনদেনে পূৰ্বৰ বিত্তীয় বৰ্ষত ২০ লাখ টকাক অতিক্ৰম কৰিলে জিএছটি আইনৰ অধীনত নিজকে পঞ্জীয়ন কৰাটো বাধ্যতামূলক হৈ পৰে। অৱশ্যে, ভাৰতৰ বিশেষ শ্ৰেণীৰ ৰাজ্যসমূহৰ বাবে এই টাৰ্ণঅভাৰৰ সীমা ১০ লাখ টকা। জিএছটি আইন অনুসৰি পঞ্জীয়নৰ বাবে বিশেষ শ্ৰেণীৰ এই ৰাজ্যসমূহ হ’ল—অসম, অৰুণাচল প্ৰদেশ, মণিপুৰ, জম্মু-কাশ্মীৰ, মেঘালয়, মিজোৰাম, ত্ৰিপুৰা, নাগালেণ্ড, ছিকিম, হিমাচল প্ৰদেশ আৰু উত্তৰাখণ্ড। উদাহৰণস্বৰূপে, যদি এজন ব্যক্তি দিল্লীৰ ইউ টিউবাৰ হয় আৰু যোৱাটো বিত্তীয় বৰ্ষত তেওঁৰ বাৰ্ষিক লেনদেন ১৫ লাখ টকা হয়, তেন্তে তেওঁ নিজে পঞ্জীয়ন কৰাৰ কোনো প্ৰয়োজন নাই। কিন্তু, যদি তেওঁ ওপৰত উল্লেখ কৰা কোনো বিশেষ শ্ৰেণীৰ ৰাজ্যৰ বাসিন্দা হয়, তেন্তে নিজকে পঞ্জীয়ন কৰাটো বাধ্যতামূলক হৈ পৰে। আনহাতে, ইউ টিউবাৰসকলৰ যদি পূৰ্বৰ বছৰত বাৰ্ষিক লেনদেনৰ পৰিমাণ ৫০ লাখ টকাতকৈ অধিক হয় আৰু তেওঁলোকে আন কিছুমান চৰ্ত পূৰণ কৰে তেন্তে কম্পোজিচন আঁচনিৰ বিকল্পও ল’ব পাৰে। ইয়াৰ বাবে বাৰ্ষিক লেনদেন পৰীক্ষা কৰিবলৈ ইউ টিউবাৰসকলে তেওঁলোকৰ ইউ টিউবৰ আয়ৰ বিৱৰণিৰ সবিশেষ চৰকাৰক জমা দিব লাগে।

**ভাৰতত ইউ টিউবাৰৰ দৰমহাত জিএছটি হাৰ কিমান?**

ভাৰতত ইউ টিউবৰ উপাৰ্জনৰ ক্ষেত্ৰত বৰ্তমানে প্ৰযোজ্য হৈ থকা জিএছটিৰ সংযুক্ত হাৰ ১৮ শতাংশ,




যি হৈছে ন শতাংশ চিজিএছটি আৰু ন শতাংশ এছজিএছটিৰ সংমিশ্ৰণ। ইউ টিউবাৰসকলে এনে ইউ টিউব আয়কৰ তেতিয়াহে দিব লাগে যদিহে তেওঁলোকে জিএছটিৰ অধীনত নিজকে পঞ্জীয়ন কৰিবলৈ বাধ্য হয়।

**গুগল এডচেন্সৰ ওপৰত কিবা কৰ আছে নেকি ?**

ইউ টিউবাৰে এডচেন্সৰ পৰা যি উপাৰ্জন পায়, সেই উপাৰ্জনক জিএছটিৰ পৰা ৰেহাই দিয়া হৈছে।

ভাৰতত এজন ইউ টিউবাৰৰ বাবে প্ৰযোজ্য জিএছটি সম্পৰ্কীয় নিয়মসমূহ—

ইউ টিউবাৰে প্ৰদান কৰা সকলো সেৱাৰ বাবে চৰকাৰে জিএছটি চালান জাৰি কৰে। এই চালানত নিৰ্দিষ্ট কেতবোৰ বিৱৰণ থাকে, যেনে চালানত থকা তাৰিখ, চালান নম্বৰ, প্ৰদান কৰা সেৱাৰ মূল্য, প্ৰযোজ্য জিএছটি হাৰ আদি।

ইউ টিউবাৰে উত্থাপন কৰা জিএছটি চালানৰ বাবে কোনো নিৰ্দিষ্ট ফৰ্মেট নাই। কিন্তু জিএছটি আইন মতে. চালানত কিছুমান সবিশেষ অন্তৰ্ভুক্ত কৰাটো বাধ্যতামূলক কৰা হৈছে।

সকলো চালানৰ সবিশেষ জিএছটিআৰ-১ প্ৰ-পত্ৰত উল্লেখ কৰিব লাগে।

চৰকাৰে জাৰি কৰা নিৰ্দেশনাৰ প্ৰতি লক্ষ্য ৰাখি সকলো চালান উত্থাপন কৰিব লাগে।

আন আন জি এছ টি কৰদাতাৰ দৰে ইউ টিউবাৰেও ইউ টিউবৰ আয়ত কৰ দিবলৈ জিএছটিআৰ-১ আৰু জিএছটিআৰ-৩বিৰ ৰিটাৰ্ণ দাখিল কৰিব লাগে।

কৰ্মৰ পৰা অৱসৰৰ সময়লৈকে আজি সকলো কামেই ডিজিটেল হৈ গৈছে। অনলাইন প্লেটফৰ্মৰ জৰিয়তে মানুহে অধিক উপাৰ্জন কৰি আছে। বেছিভাগ মানুহেই ইউ টিউব ভ্লগিঙত নিজৰ সফলতা বিচাৰি পাইছে। বিশেষকৈ কৰ’না মহামাৰীৰ ফলত লকডাউন চলি থকা সময়ৰ পৰাই সমগ্ৰ বিশ্বজুৰি নতুন নতুন ইউ টিউব চেনেলৰ জন্ম হৈছে। ইউ টিউবক কেৰিয়াৰ হিচাপে লোৱাৰ আটাইতকৈ ভাল সুবিধাটো হ’ল ইয়াৰ বাবে কোনো ডিগ্ৰী বা ন্যূনতম বয়সৰ প্ৰয়োজন নাই। আপুনি কেৱল আপোনাৰ ফোন বা কেমেৰাটো লৈ শ্বুটিং আৰম্ভ কৰিব পাৰে। বাহিৰৰ পৰা কোনো ধৰণৰ ধন বিনিয়োগ কৰাৰো প্ৰয়োজন নাই। মাত্ৰ প্ৰতিভাৱান আৰু নিজৰ কামৰ প্ৰতি উৎসাহী হ’ব লাগে। সমান্তৰালভাৱে ইউ টিউবাৰসকলে এই কেৰিয়াৰ সুচাৰুৰূপে চলাবৰ বাবে কৰ-কাটলৰ বিষয়টো খৰচি মাৰি জানি লোৱাটো অত্যন্ত জৰুৰী ।

# জিএছটি দাখিল

## কাৰিকৰী বিসংগতিৰ বাবে কেন্দ্ৰীয় চৰকাৰে সলনি কৰিলে জি এছ টি দাখিলৰ সময়সীমা

ব্যৱসায়ীসকলৰ বাবে ভাল খবৰ। জিএছটি ৰিটাৰ্ণ দাখিলৰ দিন সলনি কৰিলে কেন্দ্ৰীয় চৰকাৰে। জিএছটিআৰ-৩বি ৰিটাৰ্ণ অহা ২৪মে’ পৰ্যন্ত দাখিল কৰিব পাৰিব ব্যৱসায়ীসকলে। বিগত কিছুদিন ধৰি কৰদাতাসকলে বাৰে বাৰে জিএছটি প’ৰ্টেলত ৰিটাৰ্ণ দাখিল কৰিবলৈ লৈ কাৰিকৰী বিসংগতিৰ সন্মুখীন হৈ আহিছে, যাৰ বাবে চৰকাৰে এই সিদ্ধান্ত লৈছে। তদুপৰি চৰকাৰে ইনফ’ছিছক এই সমস্যা শীঘ্ৰে সমাধান কৰিবলৈও কৈছে। আই টি কোম্পানী ইনফ’ছিছক জিএছটি প’ৰ্টেল প্ৰস্তুত আৰু ৰক্ষণাবেক্ষণৰ দায়িত্ব দিয়া হৈছে।




উল্লেখ্য যে পাঁচ কোটি টকাৰ ওপৰত বিক্ৰী বা ব্যৱসায়ৰ বাবে প্ৰতিমাহে জিএছটিআৰ-৩বি দাখিল কৰাৰ তাৰিখ পৰৱৰ্তী মাহৰ ২০ তাৰিখলৈ থাকে। অৰ্থাৎ যোৱা ২০ মে’ৰ ভিতৰত ব্যৱসায়ীসকলে এপ্ৰিলৰ ৰিটাৰ্ণ দাখিল কৰিবলগীয়া আছিল। কিন্তু কাৰিকৰী ত্ৰুটিৰ বাবে ব্যৱসায়ীসকলে এতিয়া কিছু অতিৰিক্ত সময় লাভ কৰিব। জিএছটিআৰ-৩বি হৈছে একপ্ৰকাৰৰ আবেদন পত্ৰ যাক বিভিন্ন বিভাগৰ কৰদাতাসকলে পূৰণ কৰি জমা দিব লাগে। সাধাৰণতে প্ৰতি মাহৰ ২০, ২২ আৰু ২৪ তাৰিখে জিএছটিআৰ-৩বি দাখিল কৰা হয়।

## শিক্ষক চিৰাজুদ্দিন আহমেদৰ মৃত্যু

অগ্ৰদূত বাৰ্তা
**হাজো, ২৮ মে' ঃ** কামৰূপ জিলাৰ হাজো আৰক্ষী থানাৰ অন্তৰ্গত পূব-চেঁচামুখৰ পাৰ্চিয়ান শিক্ষক চিৰাজুদ্দিন আহমেদ (৪৮)ৰ যোৱা ২৬ মে'ৰ নিশা মৃত্যু হয়। আহমেদে দীৰ্ঘদিন ধৰি মধুমেহ আৰু যকৃত ৰোগত আক্ৰান্ত হৈ আছিল যদিও কালিও কৰ্ম সম্পাদন কৰি আহি নিশা হঠাৎ অসুস্থ হৈ পৰে আৰু শেষ নিশ্বাস ত্যাগ কৰে। হাজোৰ বৃহত্তৰ অঞ্চলত বাকপটু আৰু দূৰদৰ্শী তথা বিচক্ষণ শিক্ষক 'চিৰাজ ছাৰ' নামেৰে পৰিচিত প্ৰয়াত আহমেদে এম এ, বি এডলৈ উচ্চ শিক্ষাগ্ৰহণ কৰি প্ৰথম অৱস্থাত ১৯৯৫ত অপ্ৰাদেশীকৃত 'হাজোৰ জ্ঞানজ্যোতি হাইস্কুল'ত এগৰাকী পাৰ্চিয়ান শিক্ষকৰূপে যোগদান কৰে। আহমেদে মৃত্যুৰ সময়ত পত্নীক এৰি যায়।

## বৰঝাৰৰ পৰা কাঠ ফলা কল উৎখাত

অগ্ৰদূত বাৰ্তা
**মাটিয়া, ২৮ মে' ঃ** গোৱালপাৰাৰ বনাঞ্চলিক বিষয়াই অভিযান চলাই কালি লক্ষীপুৰ আৰক্ষী থানাৰ অন্তৰ্গত বৰঝাৰ নদীয়াপাৰাৰ নিকটৱৰ্তী ডোৱাপাৰাৰ এটা অবৈধ কাঠ ফলা কল উৎখাত কৰে। ডাবল ইঞ্জিনৰ অবৈধ কাঠ ফলা কলটোৰ সম্পূৰ্ণ যন্ত্ৰাংশৰ লগতে কলটোত ফালিবলৈ মজুত কৰি ৰখা পাঁচটাকৈ চোৰাং শালকাঠৰ কুণ্ডাৰ লগতে ফলা বাটামৰ কে'বাটাও টুকুৰা জব্দ কৰি কাৰ্যালয়লৈ আনে।

## ফকিৰাগ্ৰামৰ গহনাৰ দোকানত চুৰি

অগ্ৰদূত বাৰ্তা
**চিথিলা, ২৮ মে' ঃ** কোকৰাঝাৰ জিলাৰ ফকিৰাগ্ৰাম থানাৰ অন্তৰ্গত ফকিৰাগ্ৰাম সদৰ চহৰত মা জুৱেলাৰী নামৰ সোণ-ৰূপৰ গহনা নিৰ্মাণ দোকানখনত যোৱা নিশা চুৰি কাণ্ড সংঘটিত হয়। স্বত্বাধিকাৰী প্ৰনৱ ৰায়ে দোকান খুলিবলৈ আহি চুৰি কাণ্ডৰ বিষয়ে জানিব পাৰে।

## ব্যৱসায়ী বদন চন্দ্ৰ শইকীয়াৰ মৃত্যু

অগ্ৰদূত বাৰ্তা
**বাহাৰঘাট, ২৮ মে' ঃ** ৰঙিয়া মহকুমাৰ কঞাঁ ৰাজহ চক্ৰৰ অন্তৰ্গত কঞাঁ গাঁৱৰ ব্যৱসায়ী তথা সমাজকৰ্মী বদন চন্দ্ৰ শইকীয়া (৯৩)ৰ আজি পুৱা নিজা বাসভৱনত বাৰ্ধক্যজনিত কাৰণত মৃত্যু হয়। তেওঁ উচ্চশিক্ষা নোহোৱাকৈ সৰুৰে পৰা ব্যৱসায়ত জড়িত হৈ সকলোৰে মাজত পৰিচিত। তেওঁ চমুখা অৰ্ধসপ্তাহিক বজাৰৰ ব্যৱসায়ী আছিল। মৃত্যুৰ সময়ত তেওঁ দুজন পুত্ৰ, তিনিগৰাকী কন্যা এৰি যায়।

## সমাজকৰ্মী নাৰায়ণ চন্দ্ৰ মেধিৰ মৃত্যু

অগ্ৰদূত বাৰ্তা
**পলাশবাৰী, ২৮ মে' ঃ** পলাশবাৰী থানাৰ অন্তৰ্গত হুদুমপুৰ কুকুৰীয়া গাঁৱৰ বাসিন্দা তথা বিশিষ্ট সমাজকৰ্মী নাৰায়ণ চন্দ্ৰ মেধিৰ কালি পুৱা ৪.৩০ বজাত নিজ বাসগৃহত মৃত্যু হয়। ১৯৪২ৰ জুনত জন্মগ্ৰহণ কৰা মেধিয়ে সৈনিক বিভাগৰ ইএমই চাকৰি কৰি ১৯৮৭ত অৱসৰ গ্ৰহণ কৰিছিল। ইয়াৰ পাছৰে পৰা তেওঁ বিভিন্ন সামাজিক কামৰ স'তে জড়িত হৈ পৰিছিল। ধৰ্মপ্ৰাণ ব্যক্তি মেধি অঞ্চলটোৰ বিভিন্ন ধৰ্মীয় অনুষ্ঠান, কাম-কাজ আদিৰ স'তে জড়িত আছিল। উল্লেখ্য যে মেধি কুকুৰীয়া গাঁৱৰ সভাপতি হিচাপে কাৰ্যনিৰ্বাহ কৰি অঞ্চলটোৰ নাম, বিদ্যালয় আৰু সাংস্কৃতিক কাম-কাজৰ গুৰি ধৰিছিল। মৃত্যুৰ সময়ত তেওঁ পত্নীসহ পুত্ৰ আৰু এগৰাকী কন্যাক এৰি যায়।

## মৰাণত ছাত্ৰৰ পথ দুৰ্ঘটনা

অগ্ৰদূত বাৰ্তা
**মৰাণ, ২৮ মে' ঃ** মৰাণত সংঘটিত এক পথ দুৰ্ঘটনাত আজি মৰাণ মহাবিদ্যালয়ৰ এজন ছাত্ৰ গুৰুতৰ ভাৱে আহত। এখন মটৰ চাইকেলেৰে মাহমৰাৰ পৰা মৰাণ মহাবিদ্যালয় গৈ থকা প্ৰজ্ঞান গগৈ নামৰ ছাত্ৰজনে ককৰা মৰা তিনিআলিৰ এজোপা গছত খুন্দিয়াত গুৰুতৰভাৱে আহত হয়। পাছত ছাত্ৰজনক ১০৮ এম্বুলেন্সেৰে চিকিৎসালয়লৈ নিয়া হয়।

**লালুকত তিনিখন মৰণফান্দ বাঁহৰ দলঙৰ দলঙৰ বিপদ সংকুল যাত্ৰা**

# ৰাইজে বাধ্য হৈ কৰিলে পথ বন্ধ



অগ্ৰদূত বাৰ্তা
**লালুক, ২৮ মে' ঃ** গ্ৰাম্য জীৱনৰ উন্নয়ন আৰু গাঁও অঞ্চলৰ বাট-পথ উন্নয়নৰ নামত চৰকাৰখনে কোটি কোটি টকা আবন্টন দি আহিছে যদিও বহু অঞ্চলত এই ধন যে সঠিক দিশত খৰচ হোৱা নাই তাক কৰুণাবাৰী উন্নয়ন খণ্ডৰ দক্ষিণ লালুক গাঁও পঞ্চায়তৰ ওৱাহাট খেৰবাৰীৰ পৰা আমপৰা হৈ ইএনডি মথাউৰিলৈ মুঠ প্ৰায় দুই কিলোমিটাৰ দৈৰ্ঘ্যৰ পথছোৱা দেখিলেই সহজে অনুমেয় হয়। পথটোৰেদি সম্প্ৰতি যাতায়াতৰ ভয়াৰহতা আশংকা কৰিয়েই অঞ্চলটোৰ ৰাইজে বাধ্য হৈ পথটো বন্ধ কৰিব লগা পৰিস্থিতিৰ সৃষ্টি হৈছে। ওৱাহাটৰ পৰা আমপৰা, খেৰবাৰী, নেপালী গাঁও হৈ ইএনডি মথাউৰি সংযোগী পথটোত আছে তিনিখনকৈ ভগ্ন বাঁহৰ দলং। অঞ্চলটোৰ ৰাইজে জানিবলৈ দিয়া মতে এই বাঁহৰ দলং কেইখন ৰাইজে নিজাববীয়াকৈ গাঁঠিৰ ধন ভাঙি নিৰ্মাণ কৰি ল'ব লাগে। বিপজ্জনক অৱস্থাত থকা ভগ্ন বাঁহৰ দলং কেইখনেৰে সাম্প্ৰতিক সময়ত যাতায়াত কৰাটো অতি শংকাজনক হৈ পৰিছে। পথটোত প্ৰথমখন ভগ্ন বাঁহৰ দলং মেনেহা নদীৰ সুঁতিৰ ওপৰত দিপাংকৰ ভূমিজৰ বাসগৃহৰ সন্মুখত থকাৰ বিপৰীতে একেটা পথতে দ্বিতীয়খন ভগ্ন বাঁহৰ দলং মেনেহা নদীৰ সুঁতিৰ ওপৰত ৰেৱতী মহন্তৰ ঘৰৰ সন্মুখত আছে আৰু তৃতীয়খন ভগ্ন বাঁহৰ দলং গেৰেলুৱা নদীৰ ওপৰত পুনী মুণ্ডাৰ ঘৰৰ সমীপত আছে। ভগ্ন বাঁহৰ দলং কেইখনেদি খৰালি কালতে যাতায়াত কৰিবলৈ ৰাইজ শংকিত হৈ পৰে। বাৰিষাৰ সময়ছোৱাত নদীৰ পানী ওফন্দি উঠাত দলংকেইখনেৰে যাতায়াত কৰাত অধিক ভয়াৱহ হৈ পৰে। ৰাজ্যৰ শেষৰটো বানত দলং কেইখনৰ অৱস্থা তথৈবচ হৈ পৰাত ৰাইজে বাধ্য হৈ যাতায়াতৰ ভয়াৱহতাৰ প্ৰতি লক্ষ্য ৰাখি দলংকেইখনৰ ওপৰেদি যাতায়াত বন্ধ কৰি দিয়ে। দলঙত বাঁহৰ জেং দি যাতায়াত বন্ধ কৰি দিছে। ফলত বৰষুণৰ বতৰত ছাত্ৰ-ছাত্ৰীসকল বিদ্যালয়লৈ অহা-যোৱা কৰাৰ পৰা বিৰত থাকিব লগা হয়। কণ কণ ছাত্ৰ-ছাত্ৰীসকলক উক্ত দলংৰ ওপৰেদি বিদ্যালয়লৈ পঠাবলৈ অভিভাৱকসকল শংকিত হৈ পৰাৰ কথা অভিভাৱকসকলে অৱগত কৰিছে। কে'বাখনো গাঁও সংযোগী পথটোত থকা ভগ্ন বাঁহৰ দলংকেইখনৰ বাবে অঞ্চলটোৰ ৰাইজে দীৰ্ঘদিন ধৰি যাতায়াতত চৰম দুৰ্ভোগ ভুগি আহিছে। অঞ্চলবাসীয়ে বজাৰলৈ যাবলৈ হ'লেও এই মৰণফান্দ সদৃশ পথেদিয়েই যাতায়াত অব্যাহত ৰাখিব লগা হয়। ৰাইজে যাতায়াত কৰিবলৈ শংকিত হৈ পৰা ভগ্ন দলং কেইখনৰ বাবে আনকি চহা কৃষকসকল পুৱা খেতিপথাৰলৈ বলধহাল লৈ হাল বাবলৈ যাব নোৱৰা পৰিস্থিতি হৈছে। অঞ্চলটোৰ পথটোৰ দুৰৱস্থাৰ বাবে অঞ্চলটোত আৰ্থসামাজিক দিশত ডাঙৰ প্ৰভাৱ পৰিছে। অঞ্চলটোৰ চহা কৃষকৰ উৎপাদিত সামগ্ৰীসমূহ পথটোৰ দুৰৱস্থাৰ বাবে বজাৰলৈ বিক্ৰী কৰিব নোৱৰাৰ কথা অঞ্চলটোৰ ৰাইজে ব্যক্ত কৰিছে। ৰাইজে জানিবলৈ দিয়া মতে বহু সময়ত বহু জননেতা অঞ্চলটোলৈ আহি পথটোত থকা দলং কেইখন নিৰ্মাণৰ বহু প্ৰতিশ্ৰুতি দি যায় যদিও সকলোবোৰ ফুটুকাৰ ফেনত পৰিণত হৈছে। অঞ্চলটোৰ ৰাইজে অতি শীঘ্ৰে জিলা প্ৰশাসন তথা চৰকাৰক পথটোত থকা ভগ্ন বাঁহৰ দলং কেইখনৰ দীৰ্ঘদিনীয়া সমস্যাটোৰ স্থায়ী সমাধান কৰিবলৈ দাবী জনাইছে।

## যানবাহন আইন ভংগকাৰীৰ বিৰুদ্ধে ব্যৱস্থা ল'বলৈ আহ্বান উপায়ুক্তৰ

অগ্ৰদূত বাৰ্তা
**তিনিচুকীয়া, ২৮ মে' ঃ** তিনিচুকীয়া জিলা উপায়ুক্ত কাৰ্যালয়ৰ সভাকক্ষত কালি তিনিচুকীয়া জিলাৰ উপায়ুক্ত নৰসিং পৱাৰৰ সভাপতিত্বত আঞ্চলিক পৰিবহণ প্ৰাধিকাৰী তিনিচুকীয়াৰ এখন গুৰুত্বপূৰ্ণ বৈঠক অনুষ্ঠিত হয়। কালিৰ বৈঠকত জিলা উপায়ুক্ত তথা আৰ টি এৰ অধ্যক্ষ নৰসিং পৱাৰে জিলাখনত নিয়ম বিভিন্ন শ্ৰেণীৰ বাহনৰ বিভিন্ন অনুমতি প্ৰদান সন্দৰ্ভত বিতংভাৱে আলোচনা কৰে। তদুপৰি সমগ্ৰ জিলাখনতে পথ দুৰ্ঘটনা ৰোধ কৰিবলৈ যানবাহন আইন তথা নীতি-নিৰ্দেশনা উলংঘা কৰা বাহন চালক, সুৰাপায়ী চালক, ছিটবেল্ট তথা হেলমেট পৰিধান নকৰা চাৰিচকীয়া আৰু দুচকীয়া বাহনৰ চালকৰ বিৰুদ্ধে জিলাখনৰ বিভিন্ন স্থানত ব্যাপক অভিযান চলাবলৈ সংশ্লিষ্ট বিভাগক নিৰ্দেশ দিয়ে। উক্ত বৈঠকত তিনিচুকীয়া জিলাৰ পৰিবহণ বিভাগৰ অতিৰিক্ত উপায়ুক্ত সুশান্ত দত্ত, ভাৰপ্ৰাপ্ত জিলা পৰিবহণ বিষয়া তথা আৰ টি এ তিনিচুকীয়াৰ সচিব ৰাজীৱ পেগু, তিনিচুকীয়াৰ যানবাহন পৰিদৰ্শক মন্টু কুমাৰ দাস, আৰ টি এৰ সদস্য নোমল বৰা, আৰক্ষীৰ ট্ৰফীক শাখাৰ পৰিদৰ্শক পুলকেশ ৰাভা আৰু অসম ৰাজ্যিক পৰিবহণ নিগমৰ অধীক্ষক প্ৰিয়ম গোস্বামী উপস্থিত থাকে।

## বৰবৰীত পাঁচ জুনত 'ৰঙালীৰ এদিন' আয়োজন

অগ্ৰদূত বাৰ্তা
**নলবাৰী, ২৮ মে' ঃ** নলবাৰী জিলাৰ বৰবৰীত অহা পাঁচ জুনত 'ৰঙালীৰ এদিন' শীৰ্ষক অনুষ্ঠানৰ আয়োজন কৰা হৈছে। দিনজোৰা কাৰ্যসূচীৰে আয়োজন কৰা কাৰ্যসূচী অনুসৰি সিদিনা পুৱা আঠ বজাত ৰঙালীৰ এদিন ২০২২ৰ পতাকা উত্তোলন কৰিব উদ্‌যাপন সমিতিৰ সভাপতি মনোৰঞ্জন চক্ৰৱৰ্তীয়ে। ইয়াৰ পাছতে ছহিদ তৰ্পণ আৰু মাল্যাৰ্পণ কৰিব ক্ৰমে নলবাৰী জিলা ছাত্ৰ সন্থাৰ সাংগঠনিক সম্পাদক ৰূপেও কলিতা, অসৰৰপ্ৰাপ্ত শিক্ষক গিৰীশ ডেকা, সমাজকৰ্মী গজেন বৰুৱা আৰু প্ৰাক্তন ছাত্ৰ নেতা ভূপেন তালুকদাৰে। ইয়াৰ পাছত বৃক্ষৰোপণ কৰিব অঞ্চলটোৰ জ্যেষ্ঠ নাগৰিক নগেন বৰুৱা, ৰঞ্জিত বেজবৰুৱা, বিপিন চক্ৰৱৰ্তী আৰু ভগবান কলিতাই। আনহাতে, পুৱা ন বজাত প্ৰাইজমানি ভেশছন প্ৰতিযোগিতা মুকলি কৰিব জিলা উকীল সন্থাৰ সভাপতি তথা বৰবৰী থান উন্নয়ন সমিতিৰ সভাপতি দিপুল তালুকদাৰে। তদুপৰি আবেলি চাৰি বজাত অসমীয়া গীতৰ আধাৰত একক নৃত্য প্ৰতিযোগিতা মুকলি কৰিব সমাজকৰ্মী বিপিন তালুকদাৰে। সন্ধিয়া সাত বজাত সাংস্কৃতিক সন্ধিয়া মুকলি কৰিব পশ্চিম বড়িগোগ ধীৰদত্ত উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ বিষয় শিক্ষক অংশুমান দাসে। উক্ত অনুষ্ঠানত অতিথিৰূপে উপস্থিত থাকিব বৰভাগ উন্নয়ন খণ্ডৰ খণ্ড উন্নয়ন বিষয়া অপূৰ্ব চক্ৰৱৰ্তী, সমাজকৰ্মী বিপুল বৰুৱা, ফনীন্দ্ৰ নাথ বেজবৰুৱা, বিশিষ্ট চিকিৎসক কৈলাস ডেকা, আঞ্চলিক পঞ্চায়তৰ সভাপতি মহেন্দ্ৰ নাথ শৰ্মা, ৪৭(১) উপৰ বৰভাগ গাঁও পঞ্চায়তৰ সভাপতি মিন্টু বেকাৰ আদি।

## পশ্চিম গুৱাহাটী মহাবিদ্যালয়ত প্ৰাক্তন ছাত্ৰ-ছাত্ৰী দিৱস

অগ্ৰদূত বাৰ্তা
**আজাৰা, ২৮ মে' ঃ** আজাৰা ৰাজহ চক্ৰ অঞ্চলৰ ধাৰাপুৰ চাৰিআলিস্থিত পশ্চিম গুৱাহাটী মহাবিদ্যালয়ত অহা ৩১ মে'ত প্ৰাক্তন ছাত্ৰ-ছাত্ৰী দিৱস আয়োজন কৰা হৈছে। পশ্চিম গুৱাহাটী মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ-ছাত্ৰী সন্মিলনৰ সভাপতি পৰেশ বৰুৱা আৰু সাধাৰণ সম্পাদক ড° হেমন্ত কলিতাই এক বিবৃতি যোগে জানিবলৈ দিয়া মতে উক্ত দিনা পতাকা উত্তোলন, প্ৰাক্তন ছাত্ৰ-ছাত্ৰী সন্মিলন, ছহিদ তৰ্পণ, স্মৃতি তৰ্পণ, গছপুলি ৰোপণ, মুকলি সভাৰ লগতে সাংস্কৃতিক অনুষ্ঠান আদি আয়োজন কৰা হৈছে।



বিভিন্ন সমস্যাৰ স্থায়ী সমাধানৰ দাবীত আছুৰ পথ অৱৰোধ, শনিবাৰে।

## বড়োলেণ্ড বিশ্ববিদ্যালয়ত অসমীয়া বিভাগৰ প্ৰাক্তন শিক্ষাৰ্থী সন্মিলন

অগ্ৰদূত বাৰ্তা
**কোকৰাঝাৰ, ২৮ মে' ঃ** কোকৰাঝাৰৰ ৰঙালীখাটাস্থিত বড়োলেণ্ড বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ 'প্ৰাক্তন শিক্ষাৰ্থী সন্মিলন'খনি অলপতে অনুষ্ঠিত হয়। অসমীয়া বিভাগৰ বিভাগীয় প্ৰধানৰ সঞ্চালনাত অনুষ্ঠিত সন্মিলনখনিত বিভিন্ন বৰ্ষৰ প্ৰাক্তন ছাত্ৰ-ছাত্ৰীসকল উপস্থিত থাকে আৰু 'প্ৰাক্তন শিক্ষাৰ্থী সন্মিলন'ৰ লগতে বিভাগটোৰো সৰ্বতোপ্ৰকাৰ উন্নয়নৰ হেতু ভৱিষ্যতৰ কৰ্মপন্থা সম্পৰ্কে আলোচনা কৰে। আলোচিত বিষয়সমগ্ৰৰ সফল ৰূপায়ণৰ বাবে উক্ত অনুষ্ঠানতে ড° গোবিন্দ বৈশ্যক সভাপতি, কৌশিক ঠাকুৰীয়াক সম্পাদক, কৃষ্ণ চৌধুৰীক সহকাৰী সম্পাদক তথা কৃষ্ণা পাটোৱাৰীক কোষাধ্যক্ষ হিচাপে লৈ এখন ২১ জনীয়া সমিতি গঠন কৰা হয়। পাৰ হৈ অহা দিনৰ স্মৃতি সুঁৱৰি বিভাগটোৰ অতীত, বৰ্তমান আৰু ভৱিষ্যতৰ সম্ভাৱনীয়তা সম্পৰ্কত বিভাগৰ প্ৰাক্তন শিক্ষাৰ্থী তথা বৰ্তমান হৰি-গায়ত্ৰী দাস মহাবিদ্যালয়ৰ ভাৰপ্ৰাপ্ত অধ্যক্ষ ড° বিজু বৰুৱা, হালাকুৰা মহাবিদ্যালয়ৰ অধ্যাপক ড° উমাকান্ত ৰায়, থমনা আঞ্চলিক মহাবিদ্যালয়ৰ অধ্যাপক ড° মাধৱ সূত্ৰধৰ, ধমধমা মহাবিদ্যালয়ৰ অধ্যাপক ড° দিগন্ত ৰাজবংশী, বিদ্যালয়ৰ শিক্ষয়িত্ৰী মামণি ৰায়, প্ৰশান্ত বৰ্মন, সাগৰ বৰ্মন, পুলকেশ ৰায়, ৰিজিব ৰায় আদিয়ে নিজৰ নিজৰ বক্তব্য আৰু পৰামৰ্শ আগবঢ়ায়।

**গহপুৰত সদৌ অসম চৰকাৰী এনপিএছ কৰ্মচাৰী সন্থাৰ সভা**

## পুৰণা পেঞ্চন ব্যৱস্থা বাহালৰ দাবী

অগ্ৰদূত বাৰ্তা
**গহপুৰ, ২৮ মে' ঃ** কালি গহপুৰ উচ্চতৰ মাধ্যমিক বিদ্যালয় প্ৰেক্ষাগৃহত সদৌ অসম চৰকাৰী এনপিএছ কৰ্মচাৰী সন্থাৰ গহপুৰ আঞ্চলিক সমিতিৰ এখন সাধাৰণ সভা অনুষ্ঠিত হয়। সন্থাৰ গহপুৰ আঞ্চলিক সমিতিৰ সভাপতি দিলীপ মহন্তৰ সভাপতিত্বত অনুষ্ঠিত সভাখনৰ উদ্দেশ্য ব্যাখ্যা কৰে সম্পাদক সেৰ কৈৰালাই। সন্থাৰ গহপুৰ আঞ্চলিক সমিতিৰ সমূহ বিষয়ববীয়া তথা সদস্য-সদস্যা উপস্থিত থকা সভাখনত বিশ্বনাথ জিলা চৰকাৰী এনপিএছ কৰ্মচাৰী সন্থাৰ সভাপতি সূৰ্য কুমাৰ বৰাই গুৰুত্বপূৰ্ণ বক্তব্য প্ৰদান কৰি এনপিএছৰ ভয়াবহতাৰ বিষয়ে ব্যাখ্যা আগবঢ়োৱাৰ লগতে আৰু অহা ১৫ জুনত বিশ্বনাথ জিলাৰ উপায়ুক্তৰ কাৰ্যালয়ৰ সন্মুখত হ'বলগীয়া ধৰ্ণা কাৰ্যসূচী আৰু দুই জুলাইত গুৱাহাটীত হ'ব লগা পদযাত্ৰা কাৰ্যসূচীত সকলো স্তৰৰ এনপিএছ কৰ্মচাৰীৰ সহযোগিতা কামনা কৰে । সভাখনত সদ্য অৱসৰপ্ৰাপ্ত শিক্ষক জীৱন ভূঞা আৰু প্ৰেম প্ৰসাদ ঘিমিৰেই তেওঁলোকৰ এনপিএছৰ তিক্ততাপূৰ্ণ অভিজ্ঞতা বৰ্ণনা কৰে। অৱসৰৰ পাছত মাহিলি পেঞ্চন হিচাপে পোৱা ১০০০- ১২০০ টকাৰে কিদৰে কষ্টকৰ জীৱন অতিবাহিত কৰিব লগা হৈছে তাৰ এখন প্ৰতিচ্ছবি দুয়োগৰাকী অৱসৰপ্ৰাপ্ত শিক্ষকে সভাখনত ব্যাখ্যা কৰে। বিভিন্ন বিষয়ৰ আলোচনাৰ অন্তত সভাই অতি শীঘ্ৰে এনপিএছ বাতিল কৰি পুৰণা পেঞ্চন ব্যৱস্থা প্ৰৱৰ্তন কৰিবৰ বাবে চৰকাৰক দাবী জনায়। অন্যথা এনপিএছৰ সকলো কৰ্মচাৰী ৰাজপথলৈ ওলাই আহিবলৈ বাধ্য হ'ব বুলিও সভাই মত প্ৰকাশ কৰে।

## ছালাকাটি থানাত শান্তি সভাৰ আয়োজন ঃ শান্তি সমিতি গঠন

অগ্ৰদূত বাৰ্তা
**চিথিলা, ২৮ মে' ঃ** যোৱা ২৩ মে'ত কোকৰাঝাৰ জিলাৰ ছালাকাটি উপ-আৰক্ষী চকীৰ অন্তৰ্গত ঢোলমাৰাত এগৰাকী কোচ ৰাজবংশী নাবালিকাক তিনিগৰাকী পাষণ্ডই ধৰ্ষণ আৰু ছালাকাটিত এগৰাকী বড়ো ছোৱালীৰ অসংঘত অৱস্থাৰ ফটো ম'বাইলত আপলোড কৰাৰ ফলত অঞ্চলটোত এক চেপা উত্তেজনা চলি আছে। ঘটনা দুটিক কেন্দ্ৰ কৰি যাতে গোষ্ঠীগত সংঘৰ্ষ সৃষ্টি নহয় তাৰ বাবে কালি ছালাকাটি উপ-আৰক্ষী চকী চৌহদ অঞ্চলত এক শান্তি সভাৰ আয়োজন কৰা হয়। আৰ এম চিৰ উপ-সভাপতি আয়নাল হকৰ সভাপতিত্বত অনুষ্ঠিত সভাত কোকৰাঝাৰ জিলাৰ অতিৰিক্ত উপায়ুক্ত শুভ্ৰম আদিত্য বৰা উপস্থিত থাকি দুষ্কৃতিকাৰীৰ কোনো জাতি, ধৰ্ম, ভাষা নাই। অপৰাধীৰ লগত ধৰ্ম-ভাষা, জাতি একাকাৰ কৰিব নালাগে। অসমৰ মানুহ শান্তিপ্ৰিয়, আমি সকলোৱে শান্তি বিচাৰো। এই বুলি উল্লেখ কৰি অঞ্চলটোত যাতে অপ্ৰীতিকৰ ঘটনা সংঘটিত নহয় তাৰ বাবে শান্তি সভা গঠনৰ প্ৰয়োজনীয়তাৰ কথা উল্লেখ কৰে। সভাত কোকৰাঝাৰ থানাৰ আৰক্ষী বিষয়া মনেশ্বৰ বে, তেওঁ সকলোকে শান্তি-সম্প্ৰীতি অটুট ৰাখিবলৈ আহ্বান জনাই বিভিন্ন দিহা-পৰামৰ্শ আগবঢ়ায়। যুদ্ধ বিৰতিত থকা বীৰছা কমাণ্ড ফোৰ্চৰ অধ্যক্ষ দুৰ্গা হাসদা, কেন্দ্ৰীয় সমিতি আক্ৰাছুৰ উপ-সভাপতি মুকুল কৃষ্ণ বৰ্মন, আবছুৰ ছালাকাটি আঞ্চলিকৰ সভাপতি দনেন নাৰ্জাৰী, এবিএম এছ ইউৰ সভাপতি মহিদুল ইছলাম ইত্যাদি আটায়ে শান্তি-সম্প্ৰীতি অটুট ৰাখিবলৈ আহ্বান জনাই শান্তি সভা গঠনৰ পোষকতা কৰে। বিভিন্নজনৰ মতামতৰ ভিত্তিত কেন্দ্ৰীয় সমিতি আক্ৰাছুৰ উপ-সভাপতি মুকুল কৃষ্ণ বৰ্মনক সভাপতি, ছালাকাটি উপ-আৰক্ষী চকীৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া ফিৰদৌস আহমেদক আহ্বায়ক হিচাপে লৈ আৰু বিভিন্ন দল-সংগঠনৰ বিষয়ববীয়াক লৈ শান্তি সমিতিখন গঠন কৰা হয়।

## মানাহ ৰাষ্ট্ৰীয় উদ্যান কৰ্তৃপক্ষৰ উদ্যোগত দাঁতিকাষৰীয়া গাঁৱত গো-ধনক ছিটাকৰণ

অগ্ৰদূত বাৰ্তা
**শালবাৰী, ২৮ মে' ঃ** মানাহ ৰাষ্ট্ৰীয় উদ্যান কৰ্তৃপক্ষই বেচৰকাৰী সংস্থা ডব্লিউ এফ-ইণ্ডিয়া, ডব্লিউ টি আই আৰু খানাপাৰাৰ পশু চিকিৎসা মহাবিদ্যালয়ৰ সহযোগত ইয়াৰ দাঁতিকাষৰীয়া গাঁওসমূহৰ গঞাৰ গৰু-ছাগলী ইত্যাদি গো-ধনক ছিটাকৰণ প্ৰক্ৰিয়া আৰম্ভ কৰিছে। মানাহৰ পশু চিকিৎসক আৰু খানাপাৰাৰ পশু চিকিৎসা মহাবিদ্যালয়ৰ পশু চিকিৎসকৰ দলে ইতিমধ্যে ঘৰে ঘৰে গৈ পোহনীয়া গো-ধনক চবকা, ডিঙি ফুলা, জ্বৰ-বাত ইত্যাদি ৰোগৰ বাবে প্ৰদান কৰিছে প্ৰতিষেধক ছিটা।

উল্লেখ্য যে মানাহৰ দাঁতিকাষৰীয়া গাঁওসমূহৰ গৰু-ম'হ মাজে-সময়ে ৰাষ্ট্ৰীয় উদ্যানখনৰ ভিতৰত প্ৰৱেশ কৰে, কিন্তু যাতে ৰাষ্ট্ৰীয় উদ্যানখনৰ বন্যপ্ৰাণীলৈ পোহনীয়া গৰু-ম'হৰ পৰা কোনো ৰোগ বিয়পিব নোৱাৰে তাৰ বাবে প্ৰতিবছৰে এনে ছিটাকৰণ ব্যৱস্থা গ্ৰহণ কৰি আছে মানাহ কৰ্তৃপক্ষই। মানাহ ব্যাঘ্ৰ প্ৰকল্পৰ ক্ষেত্ৰ সঞ্চালক ড° বৈভৱ চি মাথুৰৰ তত্ত্বাৱধানত চলা এই ছিটাকৰণ প্ৰক্ৰিয়া মানাহৰ পাণবাৰী, ভূঞাপাৰা, বাঁহবাৰী ৰেঞ্জৰ উপৰি কাহিটামা বীটৰ দাঁতিকাষৰীয়া গাঁওসমূহতো অব্যাহত ৰখা হৈছে। ইতিমধ্যে নিৰ্ধাৰিত গাঁওসমূহৰ অধিকাংশতে ছিটাকৰণ সম্পন্ন হৈছে আৰু ক্ৰমান্বয়ে বাকী গাঁওসমূহতো ছিটাকৰণ সম্পন্ন কৰা হ'ব বুলি জনাইছে মানাহৰ পশু চিকিৎসক ডাঃ প্ৰভাত বসুমতাৰীয়ে।

## এক জুনৰ পৰা চতিয়া পৌৰসভাত আৰম্ভ হ'ব জৰীপ

অগ্ৰদূত বাৰ্তা
**চতিয়া, ২৮ মে' ঃ** চতিয়াতে পোন প্ৰথমবাৰৰ বাবে গঠিত হ'ল চতিয়া পৌৰসভা। বিজেপিৰ দখললৈ যোৱা পৌৰসভাখনে ইতিমধ্যে আৰম্ভ কৰিছে তেওঁলোকৰ কাম-কাজ। জটিল বান পৰিস্থিতিত চতিয়াৰ বিভিন্ন অঞ্চলত পৌৰপতি সহিতে সদ্যসকল উপস্থিত হৈছে। এক নতুন উদ্যমেৰে আগবাঢ়িছে চতিয়া পৌৰসভা। পৌৰ আইন অনুসৰি পৌৰ অঞ্চলৰ অন্তৰ্ভুক্ত সকলো আৱাসিক, ব্যৱসায়িক প্ৰতিষ্ঠানৰ একোটাকৈ সাংখ্যিক নম্বৰ (হল্ডিং নম্বৰ) থকাটো বাধ্যতামূলক সেই বাবে চতিয়া পৌৰসভাৰ প্ৰতিখন ঘৰৰ পৰা কিছুমান তথ্য সংগ্ৰহ কৰাৰ প্ৰয়োজন হয়। চতিয়া পৌৰ অঞ্চলৰ ভিতৰত এক জৰীপ পহিলা জুনৰ পৰা আৰম্ভ কৰা হ'ব। এই জৰীপ কাৰ্যসূচীৰ কাৰণে নিয়োগ কৰা হৈছে জৰীপকাৰীসকলক। এই জৰীপ কাৰ্যত চতিয়া পৌৰসভাৰ অন্তৰ্গত লোকসকলক সহযোগিতা আগবঢ়াবলৈ অনুৰোধ জনাইছে চতিয়া পৌৰসভাৰ পৌৰপতি দীপশিখা সন্দিকৈয়ে।

**সকলো আৱাসিক আৰু ব্যৱসায় প্ৰতিষ্ঠানক প্ৰদান কৰা হ'ব সাংখ্যিক নম্বৰ**

**■ নাজিৰা মহাবিদ্যালয়ৰ সজাগতা সভা**

## নাৰীক বিহংগৰ দৰে উৰি লক্ষ্যপ্ৰাপ্তিৰ আহ্বান

অগ্ৰদূত বাৰ্তা
**নাজিৰা, ২৮ মে' ঃ** নাজিৰা মহাবিদ্যালয়ৰ আভ্যন্তৰীণ মান নিশ্চিত কোষ, ৰাজনীতি বিজ্ঞান বিভাগৰ উদ্যোগত আৰু ছুকাফা মাল্টি স্পেচিয়েলিটী হাস্পতালৰ সহযোগত আজি আন্তৰ্জাতিক নাৰীৰ স্বাস্থ্য আৰু ঋতুস্ৰাৱ স্বাস্থ্যবিধিৰ দিৱস উপলক্ষে এক সজাগতা সভাৰ অনুষ্ঠিত হয়। অধ্যক্ষ ড° ৰাজু ফুকনৰ আদৰণি ভাষণেৰে আৰম্ভ হোৱা সভাত সমল ব্যক্তি ক্ৰমে ড° প্ৰিমাড'না শইকীয়া আৰু ড° সুপ্ৰীয়া দত্তই মহিলাৰ স্বাস্থ্য আৰু ঋতুস্ৰাৱ স্বাস্থ্যবিধিৰ সন্দৰ্ভত আলোকপাত কৰে। তেওঁলোকে আগন্তুক ২০৩০ৰ পূৰ্বে সমাজৰ সকলো শ্ৰেণীৰ ব্যক্তি অন্ধবিশ্বাসৰ বিপৰীতে ঋতুস্ৰাৱক আমাৰ দেহৰ এক প্ৰাকৃতিক সাধাৰণ প্ৰক্ৰিয়া হিচাপে গণ্য কৰি নতুন প্ৰজন্মৰ বালিকাক চৰাইৰ দৰে উৰি নিজৰ লক্ষ্যত উপনীত হ'বলৈ সাহস যোগাবলৈ আহ্বান জনায়। হাস্পতালখনৰ মানৱ সম্পদ বিষয়া ৰিংকীমণি বৰা, কাৰিকাৰী বিষয়া পূবালী কাশ্যপ বৰা, অধ্যাপিকা সৰোজিনী দত্তই অন্তৰংগ আলাপত মিলিত হয়।

## শিয়ালমাৰী ৰাজহুৱা হৰিমন্দিৰৰ দেউৰী ভৱেন মেধিৰ বিয়োগ

অগ্ৰদূত বাৰ্তা
**টিহু, ২৮ মে' ঃ** টিহুৰ শিয়ালমাৰী ৰাজহুৱা হৰিমন্দিৰৰ বিগত ২৫ বছৰ ধৰি কৰ্মৰত দেউৰী ভৱেন মেধি (৮২)ৰ কালি দিনৰ ১-৩০ বজাত মৃত্যু হোৱাত সমগ্ৰ শিয়ালমাৰী অঞ্চলতে গভীৰ শোকৰ ছাঁ পৰে। উল্লেখ্য যে দেউৰী হঠাতে কিছু অসুস্থ হৈ পৰাত পৰিয়ালৰ লোকে গুৱাহাটীলৈ নিয়ে যদিও আদবাটতে তেওঁৰ মৃত্যু হয়। শ্ৰীমন্ত শংকৰদেৱ সংঘৰ একান্ত ভক্ত, সহজ-সৰল-সৎ দেউৰীগৰাকীৰ মৃত্যুত শিয়ালমাৰী গাঁও উন্নয়ন সমিতি, শিয়ালমাৰী বিষ্ণুমিলন সভা মহোৎসৱ সমিতি, শিয়ালমাৰী ৰাজহুৱা হৰিমন্দিৰ সমিতি, মাল্টি পাৰপাছ জনকল্যাণ সংঘ, শিয়ালমাৰী শিৱ মন্দিৰ সমিতি আদি বিভিন্ন অনুষ্ঠানে শোক প্ৰকাশ কৰে। মৃত্যুৰ সময়ত তেওঁ পত্নীৰ লগতে একমাত্ৰ পুত্ৰ আৰু ছগৰাকী কন্যা এৰি যায়।

**মুখ্যমন্ত্ৰীৰ আগমনক লৈ শিৱসাগৰত তৎপৰ লোক নিৰ্মাণ বিভাগ**

# বোকা-পানীৰ ওপৰতে মেৰামতি ৰাষ্ট্ৰীয় পথ

অগ্ৰদূত বাৰ্তা
**গৌৰীসাগৰ, ২৮ মে' ঃ** অসম মাজেৰে যোৱা ৩৭ নম্বৰ ঘাই পথটো বিগত চাৰি বছৰৰ পৰা চাৰিলেনযুক্ত পথলৈ উন্নীতকৰণ কৰাৰ নামত কোনো মেৰামতি নকৰাকৈ পেলাই থোৱাত দিনক দিনে কদৰ্যময় ৰূপ ধাৰণ কৰিছে শিৱসাগৰ জিলাৰ জাঁজীৰ পৰা ডিমৌলৈ পথটোত সৃষ্টি হোৱা জৰাজীৰ্ণ অৱস্থাক লৈ সৰ্বতে প্ৰতিক্ৰিয়া সৃষ্টি হৈ থকাৰ সময়তে লোকনিৰ্মাণ বিভাগটোৰ পলমকৈ গৌৰীসাগৰৰ পৰা ভটীয়াপাৰলৈ যুদ্ধংদেহি মনোভাবেৰে তীব্ৰতৰ কৰি তুলিছে মেৰামতিৰ কাম। আমগুৰি সমষ্টিৰ লালিম চাপৰিত নিৰ্মাণ হৈ থকা বহু আকাংক্ষিত সৌৰশক্তি প্ৰকল্পটো অহা ৩১ মে'ত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই উদ্বোধন কৰিব। পুৱা সৌৰশক্তি প্ৰকল্পটো উদ্বোধন কৰাৰ পাছত ৩৭ নম্বৰ ৰাষ্ট্ৰীয় পথেৰে আহিব শিৱসাগৰ নগৰৰ অভিমুখে। জৰাজীৰ্ণ পথছোৱা লোক নিৰ্মাণ বিভাগটোৱে খৰতকীয়াকৈ মেৰামতিৰ কাম চলোৱাত ঠায়ে ঠায়ে পালমৰা কামেৰে দায়িত্ব সামৰাৰ অভিযোগ উঠিছে নিয়োজিত ঠিকাদাৰৰ বিৰুদ্ধে। কিয়নো অতি খৰখেদাকৈ পথছোৱাৰ মেৰামতি কৰাত খুব কম দিনৰ ভিতৰতে পথটো পূৰ্বৰ দৰেই জৰাজীৰ্ণ অৱস্থালৈ গতি কৰাৰ সম্ভাৱনা ৰাইজৰ দৃষ্টিত প্ৰকট হৈ পৰিছে। উল্লেখ্য যে মুখ্যমন্ত্ৰী ড° শৰ্মাৰ আগমনে পথছোৱাৰ মেৰামতিৰ ক্ষেত্ৰত প্ৰত্যক্ষভাৱে ইতিবাচক দিশ কঢ়িয়াই আনিলেও নিয়োজিত ঠিকাদাৰে পথৰ কাষত জমা হৈ থকা বোক-পানীৰ ওপৰতে ব্লেকটপিং কৰা কাৰ্যই সচেতন মহলৰ চকু কপালত তুলিছে। জাঁজীৰ পৰা ডিমৌলৈকে এই পথছোৱাৰ জৰাজীৰ্ণ অৱস্থা অতি স্পৰ্শকাতৰ হৈ পৰিছিল। বিশেষকৈ জাঁজীৰ পৰা ভটীয়াপাৰলৈ এই পথছোৱা সম্প্ৰতি মুখ্যমন্ত্ৰীৰ আগমনৰ বাবে খৰখেদাকৈ মেৰামতি কৰি এনেদৰেই ৰাজকোষৰ কোটি টকা অপচয় হোৱাৰ সম্ভাৱনা প্ৰকট হৈছে।



দেওবৰীয়া দৈনিক
অগ্ৰদূত
গুৱাহাটী, ২৯ মে', দেওবাৰ, ২০২২ পৃষ্ঠা ১১

# ছানষ্ট্ৰোকৰ পৰা পৰিত্ৰাণৰ উপায়



গৰমৰ সমস্যাসমূহৰ ভিতৰত অন্যতম হ'ল ছানষ্ট্ৰোক। সাধাৰণতে গৰমৰ দিনত তাপমাত্ৰা স্বাভাৱিকতকৈ অধিক হোৱা বাবে শৰীৰে কেতিয়াবা এই তাপমাত্ৰা সহ্য কৰিব নোৱাৰে। শৰীৰৰ পৰা প্ৰয়োজনীয় পানীভাগ ওলাই যোৱা বাবে দুৰ্বল লাগে। বেছি সময় ৰ'দত থকাৰ ফলত মূৰ্ছা যোৱাৰ শংকা থাকে। সাধাৰণতে তাপমাত্ৰা বৃদ্ধিৰ লগে লগে যিবোৰ সমস্যাই গা কৰি উঠে সেইবোৰৰ ভিতৰত অন্যতম হ'ল হিট ক্ৰেম্প, হিট এক্সাশ্বন, হিট ছিন্‌কোপ আৰু হিট ষ্ট্ৰোক। এইবোৰৰ সমষ্টিয়ে হ'ল ছানষ্ট্ৰোক। যেতিয়াই দৈনন্দিন কাৰ্য তালিকাৰ সালসলনি ঘটে তেতিয়া এনে ধৰণৰ সমস্যাই গা কৰি উঠে। হিট ক্ৰেম্প হ'লে ডাঙৰ ডাঙৰ মাংসপেশীত সিৰামুৰী ধৰে। ভৰিৰ কলাফুলতো এনে ধৰণৰ সমস্যাৰ সৃষ্টি হয়, তদুপৰি হিট এক্সাশ্বনত সেইসকল ব্যক্তি আক্ৰান্ত হয়। যিসকলে অতিৰিক্ত পৰিশ্ৰম কৰে। হিট এক্সাশ্বন হ'লে মূৰৰ বিষ হোৱাৰ উপৰি বমি, মূৰ ঘূৰণি, শৰীৰ দুৰ্বল হোৱা, খিংখিঙীয়া স্বভাৱৰ হোৱা আদি লক্ষণে দেখা দিয়ে।

**ছানষ্ট্ৰোকৰ পৰা হাত সাৰিবলৈ**

■ ঘৰৰ বাহিৰলৈ ওলালে বা ৰ'দত বেছি সময় কাম কৰিবলগীয়া হ'লে ছাতি লৈ যাব লাগে। ছাতি ল'লে শৰীৰত পোনপটীয়াকৈ সূৰ্যৰ ৰশ্মি নপৰে। স্কুললৈ যাওঁতেও ছাতি লৈ যোৱাটো ছানষ্ট্ৰোকৰ পৰা ৰক্ষা পোৱাৰ সহজ উপায়।

■ গৰমৰ দিনত লগত এটি পানীৰ বটল লৈ ওলালে প্ৰয়োজন মতে পানী খাব পাৰি। প্ৰচণ্ড গৰমত যেতিয়া পিয়াহ লাগে তেতিয়া য'তে ত'তে পানী খায়। ছানষ্ট্ৰোকৰ সমস্যাৰ পৰা হাত সাৰিবলৈ অপৰিষ্কাৰ পানী খোৱাৰ ফলত পেটৰ অসুখো হ'ব পাৰে।

■ যেতিয়া ৰ'দত কাম কৰি থাকিলে বা ঘূৰি ফুৰি থাকিলে শৰীৰটো দুৰ্বল অনুভৱ হয় তেতিয়া ছাঁত জিৰণি ল'ব লাগে। সাধাৰণতে ৰাস্তাৰ দুয়োফালে গছ-গছনি থাকে আৰু গছৰ তলত কিছুসময় থিয় হ'লে বা জিৰণি ল'লে দুৰ্বল ভাব নোহোৱা হয়।

■ যদি সম্ভৱ হয় মুখমণ্ডলত ভালদৰে ঠাণ্ডা পানী মাৰিব লাগে। হাত-ভৰি ধুই মুখমণ্ডলত পানী মাৰিলে সতেজ অনুভৱ হয়।

■ ৰ'দত থকাৰ পাছত যদি দুৰ্বল অনুভৱ হয় আৰু শৰীৰৰ পৰা অস্বাভাৱিক পৰিমাণে ঘাম ওলায় থাকে, মূৰটো আচন্দ্ৰায় কৰা আৰু জিৰণি লোৱাৰ আধা ঘণ্টামান সময়লৈকে তেনে হৈ থাকিলে চিকিৎসকৰ পৰামৰ্শ গ্ৰহণ কৰা উচিত। চিকিৎসকৰ পৰামৰ্শ গ্ৰহণ কৰাত কেতিয়াও অৱহেলা কৰিব নালাগে।

■ গৰমৰ দিনত কপাহী কাপোৰ পিন্ধি বাহিৰলৈ ওলাব লাগে। হাত দীঘল ছাৰ্ট আদি পিন্ধিলে ৰ'দ শৰীৰত পোনপটীয়াকৈ নপৰে। কপাহী হলৌ চেলা পিন্ধিলে তুলনামূলকভাৱে আৰামো অনুভৱ কৰিব পাৰি। এই ক্ষেত্ৰত সকলোৰে সতৰ্কতা অৱলম্বন কৰিব লাগে।

■ প্ৰচণ্ড গৰমত সৰু ল'ৰা-ছোৱালীক বেছি খেলা-ধূলা কৰিব দিয়াটো অনুচিত। বিশেষকৈ দৌৰা খেল, ফুটবল, কাবাদী আদি খেলিলে শৰীৰৰ পৰা অতিৰিক্ত পৰিমাণে ঘাম ওলায়। এই ঘামৰ স'তে শৰীৰৰ বাবে প্ৰয়োজনীয় খনিজ লৱণ ওলালে দুৰ্বল অনুভৱ হয়।

■ পৰাপক্ষত বেছিকৈ বাহিৰলৈ ওলাব নালাগে। বিশেষকৈ যেতিয়া সূৰ্যৰ তাপ প্ৰখৰ হয়। আবেলি সময়ত এনে সমস্যাই গা কৰি উঠাৰ আশংকা নাথাকে।

■ শৰীৰৰ উত্তাপ হ্ৰাস কৰিবলৈ বিভিন্নজনে ভিন্ন পদ্ধতি অৱলম্বন কৰে। প্ৰথমতে এখন গামোচা বা টাৱেল ঠাণ্ডা পানীত তিয়াই লওক। সামান্য পৰিমাণে চেপি লৈ ডিঙিৰ পিছফালে কিছু সময় ৰাখক। তিয়া গামোচাখনেৰে মুখখন সঘনাই মচিলে শৰীৰৰ উত্তাপ হ্ৰাস পাব।



■ প্ৰচণ্ড গৰমত ঘৰত থাকিলে টুপি পিন্ধা অথবা অতিৰিক্ত কাপোৰ পিন্ধি থাকিব নালাগে। জোতা-মোজা আদি খুলি চেণ্ডেলহে পিন্ধিব লাগে। এনে কৰিলে সামান্য পৰিমাণে হ'লেও গৰম কমিব।

■ বেছি গৰম লাগিলে কিছু সময় বহক। তিয়া কাপোৰ এখন কপালত ধৰি থাকক। মূৰটো অলপ ওখ কৰি শুই কপালত তিতা কাপোৰখন ধৰি থাকিলেও সুফল পোৱা যায়।

■ এনে ৰোগীক তেনে স্থানলৈহে নিব লাগে য'ত ছাঁ থাকে আৰু তাপমাত্ৰা তুলনামূলকভাৱে কম।

■ আক্ৰান্ত ব্যক্তিয়ে যি কাপোৰ পিন্ধি থাকে সেইবোৰ ভালদৰে খুলি লৈ ঠাণ্ডা পানীৰ স্পঞ্জ কৰিব লাগে।

■ ৰোগীক অ'আৰএছ খুৱাওক। তেতিয়া শৰীৰত খনিজ লৱণৰ অভাৱ নহয়।

■ গৰমৰ পৰা হাত সাৰিবলৈ প্ৰচুৰ পৰিমাণে পানী খাওক।

■ গৰমত বেছিকৈ ব্যায়াম আদি কৰাটো অনুচিত। সন্ধিয়া সময়ত কৰিলে বিশেষ ক্ষতি হোৱাৰ আশংকা নাথাকে।

■ ঘৰৰ দুৱাৰ-খিৰিকী খুলি ৰাখিলে সতেজ বতাহ ভিতৰত সোমায় ভিতৰৰ গৰম বায়ু বাহিৰলৈ উলিয়াই দিব।

■ গৰমৰ দিনত সাঁতুৰিলেও সুফল পোৱা যায়। অৱশ্যে ঠাণ্ডা পানীতহে সাঁতোৰা উচিত।

# কেনেকৈ জানিব স্পণ্ডিলাইটিছত আক্ৰান্ত হোৱা বুলি



স্পণ্ডিলাইটিছত আক্ৰান্ত হোৱাৰ বিষয়ে কিছুমান লক্ষণৰ ওপৰত ভিত্তি কৰি নিশ্চিত হ'ব পাৰি। এনে ধৰণৰ সমস্যাই গা কৰি উঠিলে সাধাৰণতে যিবোৰ লক্ষণ ফুটি উঠে সেইবোৰৰ ভিতৰত অন্যতম হ'ল—

■ স্পণ্ডিলাইটিছ হ'লে আক্ৰান্ত জনৰ প্ৰথমে ডিঙিৰ বিষ হ'বলৈ ধৰে। আক্ৰান্তজনৰ যেতিয়া ডিঙিৰ বিষ হয় তেতিয়া তেওঁ ইকাটি-সিকাটি কৰিব নোৱাৰা অৱস্থাৰ সৃষ্টি হয়।

■ এই ৰোগত আক্ৰান্তজনে ডিঙিটো ইকাটি-সিকাটি কৰিলেই বিষ অনুভৱ কৰিবলৈ ধৰে। সাধাৰণতে স্পণ্ডিলাইটিছত আক্ৰান্তজনে পাছফালে চাবলগীয়া হ'লে অসুবিধা অনুভৱ কৰে বাবে মানুহজনে সম্পূৰ্ণৰূপে ঘূৰিবলগীয়া হয়। কিবা কাৰণত ইকাটি-সিকাটি কৰিলে ডিঙিৰ হাড় ছিঙি যোৱাৰ নিচিনা অনুভৱ হয়।

■ বিষৰ লগে লগে ডিঙিৰ মাংসপেশী টানি ধৰিবলৈ আৰম্ভ কৰে। মাংসপেশী টানি ধৰিলে অস্বস্তিৰে সময় অতিবাহিত কৰিবলগীয়া হয়।

■ সাধাৰণতে আক্ৰান্তজনৰ ডিঙিৰ পৰা বিষ হাতলৈ বিয়পি পৰে। সেইবাবে হাত বিষাবলৈ ধৰে আৰু জিন্ জিন্ কৰে। আনকি হাতৰ স্নায়ু দুৰ্বল হ'ব পাৰে।

■ স্পণ্ডিলাইটিছৰ আন এক লক্ষণ হ'ল আক্ৰান্ত লোকজনৰ সততে মূৰ ঘূৰণি হ'বলৈ ধৰে। যিমানেই বেছি সময় ৰোগবিধ হৈ থাকে সিমানে মূৰ ঘূৰণি জটিল হোৱা দেখা যায়।

■ যিকোনো সময়তে ডিঙিৰ লগতে পিছফালেও বিষাবলৈ আৰম্ভ কৰাটো আন এক লক্ষণ হিচাপে গণ্য কৰা হয়। যদিহে আক্ৰান্ত লোকজনে চিকিৎসকৰ পৰামৰ্শ সোনকালে গ্ৰহণ নকৰে তেতিয়াহ'লে সমস্যাই জটিল ৰূপ ধাৰণ কৰাৰো আশংকা নুই কৰিব নোৱাৰি।

■ যেতিয়া স্পণ্ডিলাইটিছ হয় তেতিয়া আনকি কাহ বা হাঁচি মাৰিলেও ডিঙি বিষবলৈ আৰম্ভ হয়। সেইবাবে স্পণ্ডিলাইটিছ হ'লে আক্ৰান্ত লোকজনে কাহ বা হাঁহি মাৰিবলৈও ভয় কৰে।

■ সাধাৰণতে এনে ৰোগৰ জটিলতা বৃদ্ধি পোৱাৰ লগে লগে হাতৰ লগতে ভৰিও দুৰ্বল হোৱাৰ আশংকা ফুটি উঠে। যিমানেই সময়ৰ ব্যৱধান বৃদ্ধি পায় সিমানেই ইয়াৰ জটিল ৰূপ ধাৰণ কৰাৰ আশংকা থাকে।

■ যেতিয়া স্পণ্ডিলাইটিছে জটিল ৰূপ ধাৰণ কৰে তেতিয়া আক্ৰান্তজনৰ শৌচ-প্ৰস্ৰাৱো নিয়মীয়াকৈ নহ'ব পাৰে।

# পলিঅ'ত আক্ৰান্ত হ'লে

যদিও আমাৰ দেশখনক পালচপলিঅ' মুক্ত কৰিবলৈ চেষ্টা কৰা হৈছে তথাপি কেতিয়াবা এই ৰোগত আক্ৰান্ত হৈ চিৰদিনৰ বাবে প্ৰতিবন্ধী হোৱাৰ উদাহৰণো আছে। কেই দশকমান আগলৈকে শিশুসকলৰ বাবে আতংকৰ কাৰণ হৈ পৰিছিল পলিঅ' ভাইৰাছবিধ। অৱশ্যে আজিকালি সজাগতা আৰু টিকাকৰণৰ বাবে এনে ৰোগৰ দ্বাৰা আক্ৰান্ত হোৱাৰ আশংকা ভালেখিনি হ্ৰাস পাইছে। ৰোগৰ বাবে যে এটি শিশুৰ বিকাশত বাধাপ্ৰাপ্তি হয় সেই কথা সকলোৰে জানে। সাধাৰণতে পলিঅ' ভাইৰাছৰ দ্বাৰা আক্ৰান্ত হ'লে হাত-ভৰি আদি পেৰালাইছিছ বা পক্ষাঘাত হোৱা দেখা যায়। সেইবাবে সদ্যোজাত শিশুৰ টিকাকৰণ কৰাটো অতিকৈ গুৰুত্বপূৰ্ণ বিষয়। এইক্ষেত্ৰত পিতৃ-মাতৃয়ে সতৰ্কতা অৱলম্বন কৰা উচিত।

# গাখীৰ কেতিয়া 'বিহ' হয়

গাই গৰু অথবা ম'হ খীৰাবলৈ খুব কমেও পোন্ধৰ-বিশ মিনিট সময়ৰ প্ৰয়োজন। সেয়েহে এজন লোকে এদিনত পুৱা অথবা গধূলি কিমান ম'হ বা গৰু খীৰাব পাৰিব সেয়া সহজেই অনুমেয়। গতিকে সময় বচাবলৈ আজিকালি ডায়েৰীসমূহত গাই আৰু ম'হক খীৰোৱাৰ আগে আগে এবিধ বিশেষ ধৰণৰ বেজী দিয়া হয়। এই বেজী দিয়াৰ পাছতে অতি কম সময়ৰ ভিতৰতে এই কাৰ্য সম্পাদন কৰিব পৰা যায়। এনে কৰিলে সময়ৰ অপচয় ৰোধ হয় ঠিকেই; কিন্তু গৰু-ম'হৰ শৰীৰৰ লগতে মানুহৰ শৰীৰতো ভয়ংকৰ ৰোগে আক্ৰমণ কৰাৰ আশংকা বৃদ্ধি পায়। গৰু-ম'হৰ দেহত যিটো বেজী দিয়া সেইটোৰ নাম হ'ল অক্সিট'চিন হৰম'ন। এই বেজীটো দিয়াৰ লগে লগে গৰু-ম'হৰ পেটৰ পেশীৰ সঞ্চালনা বৃদ্ধি হয়। এই বেজী ব্যৱহাৰ আইনমতে দণ্ডনীয় যদিও প্ৰায়ভাগেই তাক ব্যৱহাৰ কৰি আছে। সাধাৰণতে এনে হৰম'ন প্ৰয়োগ কৰা হয় গৰু-ম'হৰ প্ৰসৱ খৰতকীয়া কৰিবলৈ। গাখীৰ খীৰাবলৈ এই বেজী প্ৰয়োগ কৰা মানে গৰু-ম'হক নিতৌ প্ৰসৱ বেদনাত আক্ৰান্ত কৰা। ইয়াৰ ফলত গৰু-ম'হৰ জৰায়ুত ক্ষতিসাধন হয়। তিনি-চাৰি বছৰৰ ভিতৰতে গৰ্ভধাৰণৰ ক্ষমতা হ্ৰাস পাবলৈ ধৰে। অকল সেয়াই নহয় অক্সিট'চিনৰ বিষাক্ত প্ৰভাৱ সঞ্চালিত হয় গাখীৰত। নিয়মিত এই গাখীৰ খালে দৃষ্টিশক্তিৰ লগতে শ্ৰৱণশক্তি হ্ৰাস পোৱাৰো আশংকা থাকে। পেটৰ অসুখ বৃদ্ধি পোৱাৰ সম্ভাৱনীয়তাও বৃদ্ধি পায়। শিশুসকলৰ বাবে অতিকৈ বিপজ্জনক এনে গাখীৰ। চিন্তনীয় বিষয় এয়ে যে গাখীৰত এই অক্সিট'চিন আছে নে নাই সেয়া পৰীক্ষা কৰিলেও ধৰা নপৰে। কাৰণ শৰীৰত প্ৰৱেশ কৰাৰ লগে লগে হৰমনবিধ ভাঙি যায়। সেয়েহে আজিকালি পৰাপক্ষত আমি নজনা ঠাইৰ গাখীৰ কিনিবই নালাগে। যি গাখীৰ আমি শৰীৰত শক্তি বৃদ্ধিৰ বাবে খাওঁ সেয়া যেতিয়া বিহতুল্য হৈ পৰে তেতিয়া নিজকে ৰক্ষা কৰাৰ উপায় নিজেই গ্ৰহণ কৰিব লাগিব।

# অতিৰিক্ত ভিটামিন গ্ৰহণ কৰিলে...

ভিটামিন 'এ'ৰ আধিক্যৰ বাবে মূৰৰ বিষ, ওকালি ভাব, ভোক নলগা, ছালত অসহ্য খজুৱতি, ভৰিৰ হাড় ফুলা আদি সমস্যাই দেখা দিব পাৰে। যদিও ভিটামিন 'এ'ৰ অভাৱত কুকুৰি কণা আদি ৰোগ হয় তথাপি এনে ভিটামিন গ্ৰহণৰ ক্ষেত্ৰত সতৰ্কতা অৱলম্বন কৰিব লাগে। শৰীৰৰ বাবে আন এবিধ প্ৰয়োজনীয় উপাদান হ'ল ভিটামিন 'ডি'। অৱশ্যে যিসকলে দীৰ্ঘদিন এনে ধৰণৰ ভিটামিন ব্যৱহাৰ কৰে তেওঁলোকৰ পাৰ্শ্বক্ৰিয়াৰ ফলত বমি হয়, ওকালি ভাব হোৱাৰ লগতে টোপনি বেছি হয়। আনহাতে, কোষ্ঠকাঠিন্যৰ সমস্যায়ো গা কৰি উঠে। এনে লোকৰ স্বভাৱ খিংখিঙীয়া হ'বলৈ ধৰে। অত্যধিক ভিটামিন 'ডি' গ্ৰহণৰ বাবে ৰেনেল ফেইলিউৰ পৰ্যন্ত হোৱাৰ আশংকা থাকে। ভিটামিন 'ই'ৰ ক্ষেত্ৰত আকৌ অন্য ধৰণৰ পাৰ্শ্বক্ৰিয়া ফুটি উঠে। এইবিধ ভিটামিন দীৰ্ঘদিন ব্যৱহাৰ কৰিলে ছিৰাম লিপিডৰ পৰিমাণ বৃদ্ধি পাবলৈ ধৰে। ৰক্ত সঞ্চালনৰ ক্ষেত্ৰতো স্বাভাৱিক প্ৰক্ৰিয়াত ব্যাঘাত জন্মে। সাধাৰণতে দৈনিক ১০-১২ মিলিগ্ৰাম ভিটামিন 'কে' গ্ৰহণ কৰিলে বিশেষ ক্ষতি হোৱাৰ আশংকা নাথাকে যদিও দীৰ্ঘদিন ব্যৱহাৰ কৰাৰ ফলত শিশুৰ জণ্ডিচ, হিমোলাইটিক এনিমিয়া আৰু মস্তিষ্কৰ স্থায়ী ক্ষতি হ'ব পাৰে। ভিটামিন 'চি' বেছি পৰিমাণে খালে চৰ্মৰোগৰ সমস্যাই গা কৰি উঠা দেখা যায়। বিশেষকৈ বেছি পৰিমাণে ভিটামিন 'চি' খালে ছালত চকলা-চকল হৈ খজুৱাবলৈ আৰম্ভ কৰে। এইবিধ ভিটামিন বেছিকৈ গ্ৰহণ কৰিলে প্ৰস্ৰাৱত অক্সালেটৰ পৰিমাণ বৃদ্ধি পায় আৰু কিডনীৰ ক্ষতি কৰে। গৰ্ভাৱস্থাত খালে বিকলাংগ শিশুৰ জন্ম হোৱাৰো আশংকা থাকে। ভিটামিন 'বি কমপ্লেক্স' বেছি পৰিমাণে গ্ৰহণ কৰিলে চকু ৰঙা হোৱা, খজুৱতি, ফোঁহা, পেটৰ অসুখ, গেছট্ৰিক আলচাৰ, জণ্ডিচ আদি হ'ব পাৰে। ইয়াৰ উপৰি ভিটামিন 'বি' অতিৰিক্ত পৰিমাণে ব্যৱহাৰ কৰিলে পেটত ঘা হোৱা, ৰক্তচাপ হ্ৰাস পোৱা, লিভাৰৰ ক্ষতি হয়। ভিটামিন 'ই'ৰ দীৰ্ঘদিন ব্যৱহাৰৰ ফলত মাংসপেশী দুৰ্বল হয় আৰু ওকালি ভাব হয়, ক্লান্তিবোধ কৰে। আনকি দৃষ্টিশক্তিৰ সমস্যায়ো দেখা দিব পাৰে। আগতে উল্লেখ কৰা হৈছে যে ভিটামিন 'ডি' বেছিকৈ খালে কেলছিয়ামৰ পৰিমাণ বৃদ্ধি পায়।

# হঠাৎ ষ্ট্ৰোকত আক্ৰান্ত হ'লে কেনেধৰণৰ সমস্যাৰ সৃষ্টি হ'ব পাৰে



সাধাৰণতে যিকোনো ব্যক্তিক যিবোৰ ৰোগে আক্ৰমণ কৰে সেইবোৰৰ ভিতৰত অকস্মাৎ হোৱা ৰোগ হ'ল ষ্ট্ৰোক। ইস্কেমিক ষ্ট্ৰোকত মগজুৰ এটা বিশেষ অংশত তেজ চলাচল বন্ধ হৈ পৰে। যেতিয়া মগজুলৈ তেজৰ চলাচল বন্ধ হয় তেতিয়া মগজুৰ সেই অংশটোৰ কোষবোৰ ধ্বংস হয়। ফলত স্বাভাৱিকভাৱে কাৰ্য সম্পাদন কৰিব নোৱাৰিলে অংশটো অকামিলা হ'বলৈ ধৰে। ষ্ট্ৰোক মূলতঃ দুই ধৰণৰ হয়— ইস্কিমিক আৰু হেমাৰেজিক বা ৰক্তক্ষৰণজনিত। ইস্কিমিক ষ্ট্ৰোক হোৱাৰ আঁৰত থাকে তেজৰ সৰবৰাহত ব্যাঘাত জন্মা প্ৰক্ৰিয়া। ইস্কিমিক ষ্ট্ৰোক হ'লে মস্তিষ্কলৈ তেজ আৰু অক্সিজেনৰ সৰবৰাহ স্বাভাৱিকভাৱে নহয়। যেতিয়া অক্সিজেন আৰু তেজৰ সৰবৰাহ নহয় তেতিয়া মস্তিষ্কৰ কিছুমান অংশৰ টিছ্যু বা কলা ধ্বংস হ'বলৈ আৰম্ভ কৰে। এনে হোৱাৰ ক্ষেত্ৰত চাৰিটা কাৰণ থাকে আৰু এইকেইটা হ'ল— থ্ৰম্ব'ছিছ, ইমব'লিজম, ছিষ্টেমেটিক হাইপ'পাৰডিউছন আৰু ভেনাছ থ্ৰম্ব'ছিছ। যেতিয়া পুনৰাই মস্তিষ্কলৈ ৰক্ত সঞ্চালন হয় তেতিয়া কোষসমূহে স্বাভাৱিকভাৱে কাৰ্য আৰম্ভ হোৱাটোৱে হ'ল থ্ৰম্ব'ছিছ ইমব'লিজম হ'লে শৰীৰৰ আন ঠাইত ধমনীত তেজ চলাচলত ব্যাঘাত জন্মে। ইস্কিমিক ষ্ট্ৰোকত আক্ৰান্ত হ'লে ৰোগীৰ মৃত্যু পৰ্যন্ত হ'ব পাৰে।

আনহাতে, হেমাৰেজিক ষ্ট্ৰোক হ'লে মস্তিষ্কৰ যিকোনো স্থানত ৰক্তক্ষৰণ হৈ তেজ জমা হয়। সহজ অৰ্থত ক'বলৈ হ'লে লাওখোলাৰ ভিতৰত বিভিন্ন অংশত ৰক্তক্ষৰণ হৈ তেজ জমা হোৱাটোৱেই হ'ল হেমাৰেজিক ষ্ট্ৰোক। কেতিয়াবা কোনো আঘাত নোহোৱাকৈ মস্তিষ্কৰ সৰু সৰু সিৰা ফাটি যায়। এনেদৰে সৰু সিৰা ফাটি যোৱাৰ ফলত তেজ জমা হয়। সাধাৰণতে সাৰে থকা অৱস্থাত অথবা কাম কৰি থাকোতে নতুবা অত্যধিক উত্তেজনাৰ বাবে এনে ধৰণৰ ষ্ট্ৰোক হোৱা পৰিলক্ষিত হয়। মস্তিষ্কৰ ধমনীত এক ধৰণৰ টেমুনাৰ সৃষ্টি হৈ নিজে ফাটি যোৱাৰ ফলত ছাব এৰাকনইড নামৰ ঠাইডোখৰত ৰক্তক্ষৰণ হ'ব পাৰে। সচৰাচৰ মস্তিষ্কৰ আঘাত পালে ছাবডিউৰেল, এপিডিউৰেল আদি ঠাইত ৰক্তক্ষৰণ হোৱা দেখা যায়। সহজ অৰ্থত ক'বলৈ হ'লে হেমাৰেজিক ষ্ট্ৰোকত সিৰাসমূহ ফাটি গৈ প্ৰচুৰ পৰিমাণে মস্তিষ্কত ৰক্তক্ষৰণ হয়। ইয়াৰ ফলত পক্ষাঘাত হোৱাৰ লগতে চকুৰে নেদেখা পৰ্যন্ত হ'ব পাৰে। সাধাৰণতে বিদেশত ইস্কিমিক ষ্ট্ৰোকত ৮০ শতাংশ লোকৰ মৃত্যু হোৱাৰ বিপৰীতে মাত্ৰ ২০ শতাংশ লোকৰহে হেমাৰেজিক ষ্ট্ৰোক হোৱা দেখা যায়। আনহাতে, ভাৰতত ইয়াৰ ওলোটা প্ৰতিচ্ছবি দেখা পোৱা যায়। ভাৰতত দুয়োটা ৰোগতে আক্ৰান্তৰ সংখ্যা ৫০ শতাংশ। শৰীৰৰ যিকোনো অংগত ষ্ট্ৰোক নহয়। ষ্ট্ৰোকৰ স'তে মস্তিষ্কৰ সম্পৰ্ক আছে। কাৰণ মস্তিষ্কৰ বিশেষ অংশ কিছুমানত ষ্ট্ৰোক হোৱা দেখা যায়। এই অংশসমূহৰ ভিতৰত অন্যতম হ'ল— বেজেল গেংলিয়া, ইণ্টাৰনেল কেপছুল, ইনট্ৰা ভেনট্ৰিকুল বা লোৱাৰ ষ্ট্ৰোক, ব্ৰেইন ষ্টেম আদি। কেতিয়াবা একেলগে দুই-তিনি ঠাইত ষ্ট্ৰোক হ'ব পাৰে। অৰ্থাৎ হেমাৰেজিক আৰু ইস্কিমিক ষ্ট্ৰোক দুয়োবিধ একেলগে হ'ব পাৰে। এনে হ'লে সমস্যাই জটিল ৰূপ ধাৰণ কৰে। বহুতেই ষ্ট্ৰোক আৰু হাৰ্ট এটেকৰ মাজত পাৰ্থক্য নিৰ্ণয় কৰিব নোৱাৰে। সেইবাবে হাৰ্ট এটেক আৰু ষ্ট্ৰোকক উপযুক্তভাৱে উপস্থাপন কৰিব নোৱাৰে। ষ্ট্ৰোক সদায় মস্তিষ্কত হয় আৰু হাৰ্ট এটেক হৃদযন্ত্ৰতহে হয়।

# পেটৰ বিষ উপশম ঘটাই পদিনাই

পদিনাৰ উপকাৰিতা সম্পৰ্কে প্ৰায়ভাগ লোকেই কম বেছি পৰিমাণে জ্ঞাত। পদিনা শাক সহজে পোৱা যায় আৰু প্ৰায়ভাগ লোকেই দৈনন্দিন খাদ্য তালিকাত অন্তৰ্ভুক্ত কৰে। পদিনা বল মাটিৰ ওপৰত বগাই যোৱা এবিধ সৰু কোমল গছ। পাত ছিঙিলে সাধাৰণতে লতাজাতীয় গছডালো উঘালি যায়। ইয়াৰ পাত দুই-তিনি ছেণ্টিমিটাৰমানহে ডাঙৰ হয়। পদিনাৰ ফুল পাতল বেঙুনীয়া। পদিনাৰ গা-গছ-পাত দুয়োটাই সুগন্ধি।

পদিনাৰ পৰা মেন্থল তেল প্ৰস্তুত কৰা হয়।

নিয়মীয়াকৈ পদিনা খালে বিভিন্ন ধৰণৰ চৰ্মৰোগ প্ৰতিৰোধ কৰাটো সম্ভৱ।

যদিহে বমি ভাব বা বমি হৈছে তেতিয়াহ'লে পদিনাৰ পাত খালে এনে সমস্যাৰ পৰা উপশম পাব পাৰি। ছয় গ্ৰাম সৈন্ধৱ লৱণৰ স'তে ২০০ মিলিগ্ৰাম ঠাণ্ডা পানীত পদিনাৰ ৰস মিহলাই খালে বমি ওলোৱাটো বন্ধ হ'ব।

পদিনা খালে পেটৰ সমস্যাৰ পৰা হাত সাৰিব পাৰি।

বেছিকৈ পেট বিষালে পদিনাৰ ৰসত পৰিমাণে জালুকৰ গুড়ি মিহলাই মৌৰ লগত খালে উপকাৰ পোৱা যায়।

পদিনাৰ ৰস আদাৰ লগত খালেও উপকাৰ পোৱা যায়।

যদিহে খজুৱাই খজুৱাই গাত ঘামচিৰ দৰে ৰঙা পৰে তেতিয়াহ'লে পদিনাৰ পাত পিচি অলপ চেনি মিহলাই খালে উপকাৰ পোৱা যাব।

পেট ফুলা আদিত শুকান পদিনাৰ পাত ব্যৱহাৰ কৰিলেও সুফল পোৱা যায়।

# বাৰ্ধক্যত প্ৰস্ৰাৱৰ সমস্যাই জটিল ৰূপ ধাৰণ কৰে



বাৰ্ধক্যৰ আন এক সমস্যা হ'ল প্ৰস্ৰাৱৰ সমস্যা। পুৰুষ-মহিলা সকলোৱে প্ৰস্ৰাৱৰ সমস্যাৰ দ্বাৰা আক্ৰান্ত। বয়স বৃদ্ধি হ'লে পুৰুষৰ হৰম'ন টেষ্টোষ্টেৰণৰ প্ৰভাৱত প্ৰষ্টেট গ্ৰন্থি বৃদ্ধি হয়। উল্লেখ্য যে প্ৰষ্টেট গ্ৰন্থি হ'ল এটি মেক্সিলাৰী পুৰুষ গ্ৰন্থি এই গ্ৰন্থিটো কেৱল পুৰুষৰহে থাকে। হৰম'নৰ দ্বাৰা এই গ্ৰন্থিৰ কাম-কাজ পৰিচালিত। বয়স বৃদ্ধিৰ লগে লগে যেতিয়া গ্ৰন্থিটো বৃদ্ধি হয় তেতিয়া মূত্ৰনলীত চাপ পৰে। প্ৰষ্টেট গ্ৰন্থিৰ বৃদ্ধিজনিত সমস্যাক চিকিৎসা বিজ্ঞানৰ পৰিভাষাত কোৱা হয় 'বিনাইন হাইপাৰপ্লেছিয়া অৱ প্ৰষ্টেট'। বয়স বৃদ্ধিৰ সমান্তৰালভাৱে প্ৰষ্টেটৰ কাম-কাজ দুৰ্বল হৈ থাকে আৰু এই সময়ত টেষ্টোষ্টেৰণৰ পৰিমাণো হ্ৰাস পায়। দৰাচলতে এইবিধ হৰম'নৰ বাবে প্ৰষ্টেট গ্ৰন্থিৰ কাম-কাজ দুৰ্বল হৈ পৰে আৰু সেইবাবে গ্ৰন্থিটো ডাঙৰ হয়। বৃদ্ধি হোৱা গ্ৰন্থিটোৱে মূত্ৰনলীত চাপ দিয়ে। সমান্তৰালভাৱে আৰম্ভ হয় প্ৰস্ৰাৱৰ সমস্যা। এনে হ'লে দুই ধৰণৰ উপসৰ্গই দেখা দিয়ে— প্ৰথমতে, মূত্ৰনলীত বাধাজনিত সমস্যা আৰু দ্বিতীয়তে, মূত্ৰথলীত সঘনাই সংকোচন। মূত্ৰনলীত বাধাজনিত সমস্যা হ'লে প্ৰস্ৰাৱ আৰম্ভ হোৱাৰ বাবে বহু সময় অপেক্ষা কৰিবলগীয়া হয়। প্ৰস্ৰাৱ কম পৰিমাণে হয়। সম্পূৰ্ণৰূপে প্ৰস্ৰাৱ ওলাই নাহে বাবে মূত্ৰথলীত প্ৰস্ৰাৱ বহু পৰিমাণে জমা হৈ থাকে। আনহাতে, মূত্ৰথলীৰ সঘনাই সংকোচন হ'লে ৰোগীয়ে সঘনাই প্ৰস্ৰাৱ কৰিব লাগে আৰু প্ৰস্ৰাৱ লাগিলে বাধা দিয়া সম্ভৱ নহয়। কিছুমান ৰোগীয়ে কাপোৰ-কানিয়ে প্ৰস্ৰাৱ কৰে। ইয়াৰপৰি ডায়েবেটিছত আক্ৰান্তসকলৰ মূত্ৰথলীত প্ৰস্ৰাৱ জমা হৈ থাকে বাবে জীৱাণুৰ সংক্ৰমণ বৃদ্ধি পায়। কিছুমানৰ প্ৰস্ৰাৱৰ স'তে ৰক্তক্ষৰণ হোৱাৰো আশংকা থাকে।

পিটুইটাৰি গ্ৰন্থিৰ প্ৰভাৱত টেষ্টোষ্টেৰণ হৰম'ন পুৰুষৰ অন্তকোষৰ পৰা নিৰ্গত হয়। সেইবাবে প্ৰষ্টেট গ্ৰন্থিৰ বৃদ্ধি হয়।

বাৰ্ধক্যত মহিলাসকলে যি প্ৰস্ৰাৱৰ সমস্যাত ভোগে তাৰ ভিতৰত অন্যতম হ'ল প্ৰস্ৰাৱ ধৰি ৰাখিব নোৱৰা। চিকিৎসা বিজ্ঞানৰ পৰিভাষাত 'আৰ্জেন্সি ইমকণ্টিনেন্স' বুলি কোৱা হয়। মূত্ৰনলীৰ অনিয়ন্ত্ৰিত মাত্ৰাধিক সংকোচনৰ ফলত মূত্ৰথলীত সামান্য পৰিমাণৰ মূত্ৰ জমা হ'লেই সংকোচন হ'ব পাৰে। ইচ্ছা কৰিলেও প্ৰস্ৰাৱ ওলোৱাটো ৰোধ কৰিব নোৱাৰে। ইয়াৰ মূল কাৰণ হ'ল প্ৰস্ৰাৱ ধৰি ৰাখিবলৈ যি মাংসপেশী থাকে, তুলনামূলকভাৱে বয়স্কৰ সেয়া শিথিল 'ইউৰিনেৰী স্পাইনেটাৰ' মাংসপেশীয়ে তেনে চাপ ধৰি ৰাখিবৰ বাবে সবল নোহোৱা বাবে কিছু পৰিমাণে প্ৰস্ৰাৱ ওলাই আহে। এনে পৰিস্থিতিৰ সৃষ্টি হ'লে 'ষ্ট্ৰেছ ইনকনটিনেন্স' বুলি কোৱা হয়। কিছুমানৰ হাঁহি, কাহ মাৰিলে বা শোৱাৰ পাছতে উঠি-বহি থকা সময়ত নিজৰ অজ্ঞাতে প্ৰস্ৰাৱ ওলাই থাকে। যিসকল মহিলাই সঘনাই সন্তান প্ৰসৱ কৰে তেওঁলোকৰ জৰায়ু আৰু মূত্ৰথলী কিছু পৰিমাণে তললৈ নামি অহাৰ আশংকা থাকে।



# নিদ্ৰাহীনতাৰ পৰা পৰিত্ৰাণ পাবলৈ কি কৰিব

টোপনিৰ ক্ষেত্ৰত পৰিৱেশৰ ভূমিকা গুৰুত্বপূৰ্ণ। উপযুক্ত পৰিৱেশ নাথাকিলে কাৰোৱে ভাল টোপনি নাহে। কোলাহলপূৰ্ণ পৰিৱেশত থকাসকলৰ টোপনিত ব্যাঘাত জন্মাতো স্বাভাৱিক। যদিহে টোপনি ভাল নহয় তেতিয়াহ'লে উপযুক্ত পৰিৱেশ এটাৰ সৃষ্টি কৰিব লাগে। শোৱা কোঠাত টিভি, ৰেডিঅ' অথবা আন বিনোদনৰ উৎস নথকাটোৱে মংগলজনক। বহুতে টোপনি ভাল নহ'লে বা টোপনি নাহিলে গান শুনে অথবা চিনেমা চায়। কিতাপ পঢ়ে। কোঠাৰ ভিতৰত পাইচাৰি কৰে। এনে কৰিলে টোপনি অহাতো দূৰৈৰ কথা, ব্যাঘাত জন্মাতহে সহায় কৰে। শোৱা কোঠাৰ লাইট আদি নুমুৱালেও এটা সুস্থ পৰিৱেশ গঢ়ি উঠে। পৰিৱেশ উপযুক্ত নোহোৱালৈকে টোপনিত ব্যাঘাত জন্মিবই।

■ টোপনিত ব্যাঘাত জন্মিলে বহুতে বিভিন্ন ধৰণৰ নিচা জাতীয় দ্ৰব্য সেৱন কৰে। চিগাৰেট সেৱন কৰিলে অথবা মদ্যপান কৰিলে টোপনি ভাল হোৱা বুলি ভবাটো ভ্ৰান্ত ধাৰণাহে মাথোন। এইবোৰ হ'ল অভ্যাস। কিছুমানে শোৱাৰ আগতে চিগাৰেট খায় অথবা মদ্যপান কৰে। কিন্তু যেতিয়া এনে অভ্যাসৰ ফলত মাদক দ্ৰব্যৰ পৰিমাণ বৃদ্ধি হৈ থাকে তেতিয়া পৰিস্থিতিয়ে অন্যফালে ঢাল খায়। লাহে লাহে টোপনিত ব্যাঘাত জন্মিব ধৰে। দীৰ্ঘদিন এনে হোৱাৰ ফলত সৃষ্টি হয় মানসিক ভাৰসাম্যহীনতাৰ। টোপনি অহাৰ বাবে কেতিয়াও মাদক দ্ৰব্য সেৱন কৰিব নালাগে।

■ দিবা নিদ্ৰাৰ বাবেও বহুতৰ নিশা টোপনি নাহে। সেয়েহে নিদ্ৰাহীনতাৰ সমস্যাৰ পৰা পৰিত্ৰাণ পাবলৈ দিবা নিদ্ৰাৰ পৰা আঁতৰি থাকিব লাগিব। অৱশ্যে যিসকলৰ দিনত অলপ সময় বিছনাত বাগৰাৰ অভ্যাস আছে তেওঁলোকৰ কথা সুকীয়া। দিনত অলপ সময় বিছনাত বাগৰিলে কাম কৰাৰ বাবে পুনৰ শক্তি লাভ কৰিব পাৰে যদিও বেছি সময় শুলে আকৌ ক্ষতিহে হয়।

■ টোপনিত ব্যাঘাত জন্মিলে চিকিৎসকে বিভিন্ন ধৰণৰ ঔষধ অথবা ব্যায়াম আদিৰে সেইবোৰ আঁতৰাবলৈ পৰামৰ্শ আগবঢ়ায়। পাৰ্শ্বক্ৰিয়া থকা ঔষধৰ পৰিৱৰ্তে— পাৰ্শ্বক্ৰিয়াহীন ঔষধ অথবা যদিহে থাকেও তেতিয়াহ'লে সেয়া নোহোৱা কৰিবলৈ আন ঔষধ খাবলৈ দিয়ে। ফলত টোপনি স্বাভাৱিক হয়। কিন্তু বহুতে টোপনিত ব্যাঘাত জন্মিলেই চিকিৎসকৰ পৰামৰ্শ গ্ৰহণ নকৰাকৈয়ে ফাৰ্মাচীৰ পৰা ঔষধ কিনি আনে। ফলত পৰৱৰ্তী সময়ত নিদ্ৰাহীনতাৰ লগতে আন সমস্যায়ো গা কৰি উঠে। আনকি চিকিৎসকৰ পৰামৰ্শ গ্ৰহণ নকৰাকৈ ঔষধ খোৱাৰ ফলত মৃত্যু পৰ্যন্ত হ'ব পাৰে। মনত ৰাখিব চিকিৎসকৰ পৰামৰ্শ অবিহনে টোপনিৰ ঔষধ খালে শাৰীৰিক-মানসিক দুয়ো ক্ষেত্ৰতে ক্ষতি হয়।

■ কিছুমান অসুখত বিশেষ ঔষধ দীৰ্ঘদিন খোৱাৰ ফলত পাৰ্শ্বক্ৰিয়াৰূপে নিদ্ৰাহীনতাই গা কৰি উঠে। যদিহে কোনো ঔষধ খোৱাৰ ফলত এনে ধৰণৰ সমস্যাই গা কৰি উঠে তেন্তে শীঘ্ৰে বিষয়টো চিকিৎসকৰ স'তে আলোচনা কৰা উচিত।

■ আনহাতে, কেতিয়াবা কিছুমান অসুখৰ বাবেও টোপনিত ব্যাঘাত জন্মে। এনে ধৰণৰ অসুখৰ চিকিৎসা কৰিলেও সুফল পোৱা যায়।



■ মানসিক চাপ অত্যাধিক হ'লে নিদ্ৰাহীনতাই গা কৰি উঠে। যিমানেই মানসিক চাপ বৃদ্ধি হৈ থাকে সিমানেই টোপনিত ব্যাঘাত জন্মে। সেইবাবে নিদ্ৰাহীনতাৰ পৰা হাত সাৰিবলৈ চাপমুক্ত হৈ থাকিবলৈ চেষ্টা কৰা উচিত। অৱশ্যে আধুনিক জীৱন-যাপনত কোনো লোকেই সম্পূৰ্ণৰূপে চাপমুক্ত হৈ থকাতো সম্ভৱ নহয়। যিবোৰ কামৰ চাপ অধিক তেনে কাম সোনকালে সম্পূৰ্ণ কৰিবলৈ চেষ্টা কৰিব লাগে। আনহাতে, কিছুমান কাম গুৰুত্বপূৰ্ণ নহ'লেও বহুতে তেনে কামক লৈয়ে ব্যস্ত থাকে। ফলত মানসিক চাপ বৃদ্ধি পায়। সেইবাবে যিমান সম্ভৱ সিমানে মানসিক চাপমুক্ত হৈ থাকিবলৈ চেষ্টা কৰা উচিত।

■ কিছুমান খাদ্যৰ বাবেও এনে সমস্যাৰ সৃষ্টি হ'ব পাৰে। বিশেষকৈ গুৰুপাক আহাৰ, অত্যধিক চাইনিজ ফুড, শীতল পানীয়, প্ৰচুৰ পৰিমাণে কফি আদি খালেও নিশা টোপনি ক্ষতি হ'ব পাৰে বুলি বিশেষজ্ঞসকলে মত পোষণ কৰিছে। গতিকে এনে ধৰণৰ খাদ্য বেছি পৰিমাণে খোৱাৰ পৰিৱৰ্তে নিৰ্দিষ্ট পৰিমাণে খালেহে সুফল পোৱা যায়।

■ নিশা বিছনালৈ তেতিয়াহে যাব লাগে যেতিয়া টোপনি ভাব আহে। টোপনি ভাব অহাৰ পূৰ্বে বেছি সময় বিছনাত শুই থাকিলে টোপনিত ব্যাঘাতহে জন্মে।

■ কিছুমানে কম সময় টোপনি যোৱাৰ পৰিৱৰ্তে আন কিছুমানে বেছি সময় টোপনি যায়। এজনে কম সময় টোপনি মাৰিলে বুলিয়ে যে আন এজনেও কম সময় টোপনি যাব লাগে তেনে কোনো কথা নাই। পৰিশ্ৰম, ব্যস্ততা আদিৰ ওপৰতো টোপনিৰ সময় নিৰ্ভৰ কৰে। দিনটো পথাৰত কঠোৰ পৰিশ্ৰম কৰা লোক এজনক যিমান সময়ৰ প্ৰয়োজন এজন ঘৰতে কাম-বন নকৰাকৈ থকা লোকৰ সিমান প্ৰয়োজন নহয়।

■ ধূমপান, মদ্যপান আদিৰ অভ্যাস ত্যাগ কৰিব লাগে।

■ বিছনাখন যাতে আৰামদায়ক হয় তাৰ ওপৰতো গুৰুত্ব প্ৰদান কৰা উচিত। বিছনাত ইকাটি-সিকাটি হ'লেই শব্দ হোৱা, বিছনাৰ কাপোৰ আদিৰ পৰা উৎকট গোন্ধ ওলোৱা আদিৰ বাবেও টোপনিত ব্যাঘাত জন্মে। এনেবোৰ বিষয়তো গুৰুত্ব প্ৰদান কৰিব লাগিব।

অসম দাপোণ

অগ্ৰদূত

গুৱাহাটী, ২৯ মে', দেওবাৰ, ২০২২ পৃষ্ঠা ১২



# যোৰহাটত চাৰিলেনযুক্ত ঘাইপথ নিৰ্মাণত অনিয়ম



খুমটাইত ধুমুহাত গছ উভালি যাতায়াত ব্যাঘাত, শনিবাৰে।

## দুই জুনত এনএইছআইডিচিএলৰ কাৰ্যালয় ঘেৰাও কাৰ্যসূচী

**ষ্টাফ ৰিপৰ্টাৰ**
**যোৰহাট, ২৮ মে' ঃ** চাৰিলেনযুক্ত ঘাইপথলৈ উন্নীতকৰণৰ ক্ষেত্ৰত হোৱা অনিয়ম আৰু গাফিলতিয়ে উজনিত যোগাযোগ আৰু যাতায়াত ব্যৱস্থা বিধ্বস্ত কৰিছে। সেই কথা অনুধাৱন কৰিবলৈ ৩৭ নম্বৰ ঘাইপথেৰে যোৰহাটৰ পৰা ডিব্ৰুগড়লৈ এবাৰ গ'লেই যথেষ্ট। পথছোৱাৰ দুৰৱস্থাই যোগাযোগ আৰু যাতায়াত ব্যৱস্থা সৰ্বাধিক গুৰুত্ব আৰোপ কৰা বুলি ঘোষণা কৰি অহা বিজেপি নেতৃত্বাধীন কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰৰ স্বৰূপ প্ৰকট কৰিছে। সমগ্ৰ উজনি অসমবাসীৰ ৰাজহাঁড় স্বৰূপ ৩৭ নম্বৰ ঘাইপথটো চাৰিশাৰীযুক্ত কৰা হ'ব। ঘোষণাই উজনি অসমবাসী ৰাইজক আনন্দিত কৰি তুলিছিল যদিও সেই আশাত চেঁচা পানী পৰিবলৈ বেছি দিন নালাগিল। বিগত প্ৰায় সাত বছৰে পথছোৱা বহলোৱাৰ নামত হোৱা চৰম অনিয়ম আৰু গাফিলতিৰ পৰিণতি ইয়াৰ ৰাইজে ভুগিব লগা হৈছে। এই সন্দৰ্ভত সদৌ যোৰহাট জিলা ছাত্ৰ সন্থাই দীৰ্ঘদিন ধৰি নিজ সবল স্থিতি প্ৰকাশ কৰি আহিছে। শেহতীয়াকৈ আন্দোলনৰ কাৰ্যসূচী গ্ৰহণ কৰিবলৈ বাধ্য হৈছে। এই সন্দৰ্ভত এক বিবৃতিত যোৰহাট জিলা ছাত্ৰ সন্থাই কয়, যোৰহাটৰ অজন্তা বাইপাছৰ পৰা জাঁজীলৈকে নিৰ্মীয়মাণ এই চাৰিলেনযুক্ত ঘাইপথৰ নিৰ্মাণৰ দায়িত্ব কে'বাটাও প্ৰতিষ্ঠানলৈ বাগৰিল যদিও মুখ্য দায়িত্বত থকা এনএইছআইডিচিএলৰ গাফিলতি আৰু অহমিকা মনোভাৱৰ বাবে এই নিৰ্মাণকাৰ্য সম্পূৰ্ণ হৈ উঠা নাই। দীৰ্ঘদিন ধৰি ঘাইপথ উন্নয়ন প্ৰাধিকৰণ চমুকৈ এনএইছআইডিচিএলৰ উন্নয়ন বিমুখ চৰিত্ৰৰ প্ৰতি জাণ্ডুৰ খাই উঠি প্ৰতিষ্ঠানটোৰ বিৰুদ্ধে ধাৰাবাহিক আন্দোলন ঘোষণা কৰিছে সদৌ যোৰহাট জিলা ছাত্ৰ সন্থাই। বিবৃতিটোত সদৌ যোৰহাট জিলা ছাত্ৰ সন্থাৰ ১৩ পৃষ্ঠাত চাওক

# ধলাইবিলৰ বিএছএনএলৰ ম'বাইল ফোন নিয়ন্ত্ৰণ কক্ষত পুনৰ চুৰি

■ ধলাইবিলত এমাহতে চোৰে নিলে ৩২টা বেটাৰী



**অগ্ৰদূত বাৰ্তা**
**নদুৱাৰ, ২৮ মে' ঃ** শোণিতপুৰ জিলাৰ জামুগুৰি আৰক্ষী নিবেশৰ অন্তৰ্গত ধলাইবিলত ১৫ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথৰ নিচেই কাষত সংঘটিত হৈছে এক চুৰিকাণ্ড। ভাৰত সঞ্চাৰ নিগম লিমিটেড চমুকৈ বিএছএনএলৰ ধলাইবিলস্থিত ম'বাইল ফোনৰ বৃহৎ টাৱাৰৰ নিয়ন্ত্ৰণ কক্ষৰ পৰা আজি পুৱতি নিশা আঠটা বেটাৰী চুৰি হয়। আজি পুৱতি নিশা চাৰি বজাত এখন বলেৰ' পিকআপ ভান ধলাইবিল ব্যৱসায় কেন্দ্ৰ তথা ৰাষ্ট্ৰীয় ঘাইপথৰ নিচেই কাষত থকা নিয়ন্ত্ৰণ কক্ষটোৰ পৰা ১৬টাকৈ বেটাৰী উঠাই থকাৰ সময়তে নিয়ন্ত্ৰণ কক্ষটোৰ সন্মুখত থকা নাট্যকৰ্মী শিশিৰ বৰঠাকুৰে নিজ গৃহৰ পৰা কিবা কাৰণত বাহিৰলৈ ওলাই আহোতে বাহনখনত বেটাৰীবোৰ ভৰাই থকা দেখি চিঞৰ-বাখৰ কৰাত চোৰৰ দলটোৱে আঠটাকৈ বেটাৰী বাহনত তুলি আন আঠটা বেটাৰী কাষৰ হাবিত দলিয়াই থৈ যায়। উল্লেখ্য যে যোৱা চাৰি মে'ৰ নিশাও উক্ত ম'বাইল টাৱাৰৰ নিয়ন্ত্ৰণ কক্ষৰ পৰা ২৪টা বেটাৰী চুৰি হৈছিল। এমাহতে দুবাৰ ৩২টাকৈ বেটাৰী চোৰ হয়। এক বৃহৎ অঞ্চলৰ ম'বাইল ফোনৰ গ্ৰাহকৰ চাহিদা পূৰণ হোৱাকৈ ধলাইবিলত স্থাপন কৰা বিএছএনএলৰ বৃহৎ টাৱাৰটোৰ নিয়ন্ত্ৰণ কক্ষত পূৰ্বতে একোজন গৃহৰক্ষী জোৱান নিয়োগ কৰিছিল যদিও পৰৱৰ্তী সময়ত ৰহস্যজনক কাৰণত উক্ত কক্ষটোৰ পৰা গৃহৰক্ষী জোৱান প্ৰত্যাহাৰ কৰে।

# টিহুৰ বিভিন্ন বিদ্যালয়ত প্ৰাচীৰ পত্ৰিকা উন্মোচন



**অগ্ৰদূত বাৰ্তা**
**টিহু, ২৮ মে' ঃ** টিহু ছোৱালী হাইস্কুলত আজি এখন প্ৰাচীৰ পত্ৰিকা উন্মোচন কৰা হয়। বিদ্যালয়খনৰ শিক্ষক অবিনাশ গোস্বামীৰ তত্ত্বাৱধানত 'অন্তৰীক্ষ' নামৰ প্ৰাচীৰ পত্ৰিকাখন উন্মোচন কৰে শিক্ষানুষ্ঠানখনৰ পৰিচালনা আৰু উন্নয়ন সমিতিৰ সভাপতি অক্ষয় ঠাকুৰীয়াই। এই উপলক্ষে আয়োজিত অনুষ্ঠানত পৰিচালনা সমিতিৰ সভাপতি ঠাকুৰীয়াই কয় যে বৰেণ্য সাহিত্যিকসকলে নিজ নিজ শিক্ষানুষ্ঠানৰ প্ৰাচীৰ পত্ৰিকা আৰু আলোচনীতে সাহিত্য প্ৰতিভা বিকাশৰ পাতনি মেলিছিল। উক্ত অনুষ্ঠানত শিক্ষানুষ্ঠানখনৰ প্ৰধান শিক্ষয়িত্ৰী লাৱণ্য ডেকা, শিক্ষক অবিনাশ গোস্বামীয়েও ভাষণ আগবঢ়ায়। ইফালে, টিহু হাইস্কুলতো 'এনাজৰী' নামৰ এখন প্ৰাচীৰ পত্ৰিকা উন্মোচন কৰা হয়। প্ৰাচীৰ পত্ৰিকাখন উন্মোচন কৰে টিহু হাইস্কুলৰ প্ৰাক্তন ছাত্ৰ তথা টিহু মহাবিদ্যালয়ৰ অধ্যক্ষ ড° কিশোৰ কুমাৰ তালুকদাৰে। এই উদ্দেশ্যে আয়োজিত সভাত পৌৰোহিত্য কৰে টিহু হাইস্কুলৰ প্ৰধান শিক্ষয়িত্ৰী মঞ্জুৰাণী তালুকদাৰে আৰু অনুষ্ঠানৰ আঁত ধৰে কমল হালৈয়ে। টিহুৰ ১৮৬ নম্বৰ খলিহাগুৰি প্ৰাথমিক বিদ্যালয়তো 'আলোকৰ সন্ধান' নামৰ প্ৰাচীৰ পত্ৰিকা এখন উন্মোচন কৰে টিহু পৌৰসভাৰ উপ-পৌৰপতি ড° সুৰজিৎ বৰ্মনে। শিক্ষানুষ্ঠানখনৰ প্ৰধান শিক্ষক সুভাষ ঠাকুৰীয়াই আঁত ধৰা উন্মোচনী অনুষ্ঠানত বন্তি প্ৰজ্বলন কৰে টিহু পৌৰসভাৰ ৱাৰ্ড কমিছনাৰ ইভা দাসে আৰু মাল্যাৰ্পণ কৰে বিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি ফুলেন দাসে।

# শিক্ষক ৰাজীৱ বৰাৰ মৃত্যুত শোক

**অগ্ৰদূত বাৰ্তা**
**বৰুৱাবামুণগাঁও, ২৮ মে' ঃ** দেৰগাঁও ৰাজহ চক্ৰৰ অন্তৰ্গত মামৰণি পঞ্চৰত্ন হাইস্কুলৰ সহকাৰী শিক্ষক দাধৰা অঞ্চলৰ দৈয়াংগীয়া গাঁও নিৱাসী ৰাজীৱ বৰা (৫২)ৰ কালি পুৱা যোৰহাটৰ এখন ব্যক্তিগত চিকিৎসালয়ত মৃত্যু ঘটে। উক্ত বিদ্যালয়ৰ প্ৰতিষ্ঠাপক শিক্ষক বৰাৰ মৃত্যুৰ খবৰ পোৱাৰ লগে লগে নিজৰ জন্মগাঁৱৰ লগতে নিজৰ কৰ্মস্থলীতো শোকৰ ছাঁ পৰিছে। কিছুদিন মধুমেহ আৰু বৃক্কজনিত ৰোগত আক্ৰান্ত হৈ মৃত্যু ঘটা সৰবৰহী শিক্ষকজনৰ পাৰ্থিৱ শৰীৰ আজি পুৱা তেওঁৰ কৰ্মস্থলীলৈ নিয়াৰ লগে লগে অঞ্চলটো শোকস্তব্ধ হৈ পৰে। বিদ্যালয় চৌহদত অনুষ্ঠিত হোৱা শ্ৰদ্ধাঞ্জলি অনুষ্ঠানত বিদ্যালয়ৰ শিক্ষক-কৰ্মচাৰী আৰু ছাত্ৰ-ছাত্ৰীসকলৰ উপৰি বিদ্যালয়ৰ পৰিচালনা আৰু উন্নয়ন সমিতি, মাতৃগোট, প্ৰাক্তন ছাত্ৰ-ছাত্ৰী আৰু স্থানীয় ৰাইজে এক শোকাকুল পৰিৱেশত শেষ শ্ৰদ্ধাঞ্জলি নিবেদন কৰে। শ্ৰীমন্ত শংকৰদেৱ সংঘৰ মিলন প্ৰাথমিক শাখাৰ সংগী ৰাজীৱ বৰাই মৃত্যুৰ সময়ত তেওঁ পত্নী, একমাত্ৰ কন্যা সন্তানৰ লগতে বহু আত্মীয়ক এৰি গৈছে।

# অ'এনজিচিৰ হঠকাৰী সিদ্ধান্তৰ বিৰুদ্ধে সৰৱ বীৰ লাচিত সেনা

## গৱেষণা বিভাগ উঠাই নিয়াৰ সিদ্ধান্ত প্ৰত্যাহাৰ নকৰিলে আন্দোলনৰ হুংকাৰ

**অগ্ৰদূত বাৰ্তা**
**নাজিৰা, ২৮ মে' ঃ** ৬০ৰ দশকৰ পৰাই অসমৰ ভূগৰ্ভৰ পৰা পনীয়া সোণ আৰু প্ৰাকৃতিক গেছৰ খনন-উদ্‌ঘাটনেৰে বছৰি লক্ষ লক্ষ কোটি টকা আহৰণ কৰি দেশৰ ৰাজভঁৰালৰ লগতে মুনাফা আদায় কৰি অহা মহাৰত্ন উদ্যোগ 'তৈল আৰু প্ৰাকৃতিক গেছ নিগম, (অ'এনজিচি) অসম সম্পদৰ অধিকাংশ বহিৰাগত বিষয়াৰ থলুৱা বিৰোধী নীতি সম্প্ৰতি ব্যাপক হৈ পৰিছে। ইতিমধ্যে ১৪খনকৈ উৎপাদনশীল তৈল ক্ষেত্ৰ উৎপাদনৰ পৰিমাণ হ্ৰাস হৈ অহা বুলি জনগণক আভুৱা ভাঁৰি একাংশ বহিৰাগত বিষয়াৰ ষড়যন্ত্ৰত বৃহৎ পুঁজিপতি গোষ্ঠীৰ হাতত গতাই দি তেনে ষড়যন্ত্ৰকাৰী বিষয়াই অ'এনজিচিৰ পৰা অগ্ৰীম অৱসৰ লৈ পুনৰ পুঁজিপতি গোষ্ঠীৰ আৱণ্টনত থকা তৈলক্ষেত্ৰসমূহতেই চাকৰি কৰি মুনাফা আদায় কৰি আহিছে। তদুপৰি কে'বাটাও গুৰুত্বপূৰ্ণ বিভাগ অসম সম্পদৰ পৰা উঠাই নি থলুৱা খিলঞ্জীয়া লোকৰ অৰ্থনৈতিক ক্ষেত্ৰত ধ্বংসাত্মক দিশত গতি কৰাইছে। শেহতীয়াকৈ ১৯৬৫ৰে পৰা অবিভক্ত শিৱসাগৰ জিলা তথা উজনি অসমৰ হেজাৰ হেজাৰ ছাত্ৰ-ছাত্ৰীয়ে গৱেষণা কাৰ্যৰ জৰিয়তে লাভান্বিত হোৱা আৰু নিগমৰ তেল-গেছ উদ্‌ঘাটনৰ বাবে মাটিৰ তৰপৰ নমুনা সংগ্ৰহ তথা তথ্য আহৰণৰ দিশত থকা গুৰুত্বপূৰ্ণ বিভাগ ৰিজনেল জিঅ'ছায়েন্স লেবৰেট'ৰী বিভাগটো অসম সম্পদৰ পৰা উঠাই নিয়াৰ সিদ্ধান্ত গ্ৰহণে উজনি অসমৰ খিলঞ্জীয়া লোকৰ মাজত বিৰূপ প্ৰতিক্ৰিয়া সৃষ্টি হৈছে। অ'এনজিচিৰ এনে হঠকাৰী সিদ্ধান্তৰ বিৰোধিতা কৰি ইতিপূৰ্বে কৃষক নেতা তথা বিধায়ক অখিল গগৈৰ লগতে বীৰ লাচিত সেনা, অসমৰ ১৩ পৃষ্ঠাত চাওক

# গৌৰীসাগৰ কৃষি সম্প্ৰসাৰণ বিষয়া কাৰ্যালয় গৃহৰ আধাৰশিলা স্থাপন

**অগ্ৰদূত বাৰ্তা**
**গৌৰীসাগৰ, ২৮ মে'ঃ** 'কৃষক সমাজৰ মেৰুদণ্ড। কৃষি অৰ্থনীতি মজবুত হ'লেই দেশৰ অৰ্থনৈতিক অৱস্থা টনকিয়াল হ'ব। অসমৰ কৃষি ক্ষেত্ৰখনত চাহিদা অনুপাতে উৎপাদন বৃদ্ধি কৰিবলৈ কৃষি বিভাগ আৰু কৃষক ৰাইজ একেলগ হৈ শস্য উৎপাদন কৰিব লাগিব। সামগ্ৰিকভাৱে অসমৰ গাঁও সমূহত বিশেষকৈ শাক-পাচলি উৎপাদন কমি গৈছে। যাৰ বাবে কৃষিজাত দ্ৰব্যৰ মূল্যবৃদ্ধি তৰিৎ গতিত বাঢ়িছে।' কালি ঐতিহাসিক খনাখোকোৰা পুখুৰীৰ পাৰত গৌৰীসাগৰ কৃষি উন্নয়ন বিষয়াৰ নৱনিৰ্মিত গৃহৰ আধাৰশিলা স্থাপন কৰি এইদৰে কয় আমগুৰি সমষ্টিৰ বিধায়ক প্ৰদীপ হাজৰিকাই। অসম চৰকাৰৰ কৃষি বিভাগৰ অসম কৃষি বাণিজ্য আৰু গ্ৰাম্য ৰূপান্তৰকৰণ প্ৰকল্পৰ অধীনত বিশ্ব বেংকৰ ৫১ লাখ টকা ব্যয় সাপেক্ষে নিৰ্মাণ কৰিবলৈ লোৱা কৃষি বিষয়াৰ কাৰ্যালয়টোৰ আধাৰশিলা স্থাপন কৰি এইদৰে কয় আমগুৰি সমষ্টিৰ বিধায়ক প্ৰদীপ হাজৰিকাই। অসম চৰকাৰৰ কৃষি বিভাগৰ অসম কৃষি বাণিজ্য আৰু গ্ৰাম্য ৰূপান্তৰকৰণ প্ৰকল্পৰ অধীনত বিশ্ব বেংকৰ ৫১ লাখ টকা ব্যয় সাপেক্ষে নিৰ্মাণ কৰিবলৈ লোৱা কৃষি বিষয়াৰ কাৰ্যালয়টোৰ আধাৰশিলা স্থাপন অনুষ্ঠানত আপাৰ্টৰ শিৱসাগৰ জিলা নডেল বিষয়া অমৃত শইকীয়া, আমগুৰি মহকুমা কৃষি বিষয়া ৰুমী বৰা, কৃষি অভিযন্তা ব্ৰজেন শৰ্মা, গৌৰীসাগৰ কৃষি সম্প্ৰসাৰণ বিষয়া মোস্তাকিন আহমেদ, ব্লক প্ৰযুক্তি মেনেজাৰ দেৱজ্যোতি বৰুৱা, কৃষি সম্প্ৰসাৰণ সহায়ক উজ্জ্বল শৰ্মা, শিৱসাগৰ জিলা পৰিষদৰ উপ-সভানেত্ৰী ৰেখা কলিতা, গৌৰীসাগৰ আঞ্চলিক পঞ্চায়তৰ উপ-সভানেত্ৰী হেমদা নেওগ, সদস্য ভূপেন বৰা উপস্থিত থাকে। কৃষি বিষয়া ৰুমী বৰাই আঁত ধৰা সভাখনত বিধায়ক হাজৰিকাৰ উপৰি আপাৰ্টৰ জিলা নডেল বিষয়া অমৃত শইকীয়াই বৈজ্ঞানিক পদ্ধতিৰে আন আন দেশৰ লগত ফেৰ মাৰি উন্নত জাতৰ কৃষি কৰিবৰ বাবে কৃষকসকল আগবাঢ়ি আহিবলৈ আহ্বান জনায়।

# ডিজিটেল বাতৰিৰ পৰিবেশনৰ সূক্ষ্মতা বুজিবলৈ গুৰুত্ব আৰোপৰ আহ্বান

## ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ সাংবাদিকতা-গণসংযোগ অধ্যয়ন কেন্দ্ৰৰ প্ৰথমখন সংবাদকেন্দ্ৰিক সন্মিলন

**বিশেষ সংবাদদাতা**
**ডিব্ৰুগড়, ২৮ মে' ঃ** উত্তৰ-পূব ভাৰতৰ অন্যতম শ্ৰেষ্ঠ সংবাদ মাধ্যম আৰু যোগাযোগ প্ৰতিষ্ঠান ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ সাংবাদিকতা আৰু গণসংযোগ অধ্যয়ন কেন্দ্ৰৰ উদ্যোগত দুদিনীয়া সংবাদকেন্দ্ৰিক সন্মিলন 'দ্য কেলেইডো কনক্লেভ'ৰ প্ৰথম সংস্কৰণ অনুষ্ঠিত হয়। অইল ইণ্ডিয়া লিমিটেড, দুলীয়াজান আৰু ব্ৰহ্মপুত্ৰ ক্ৰেকাৰ এণ্ড পলিমাৰ লিমিটেড, লেপেটকাটাৰ সহযোগত ২৬ মে'ৰ পৰা ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ ইন্দিৰা মিৰি কনফাৰেন্স হলত অনুষ্ঠিত সন্মিলনত প্ৰথম দিনা উপস্থিত থাকে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ সমাজবিজ্ঞান বিভাগৰ ছাত্ৰ গুৰু ড° দেৱ কুমাৰ চক্ৰৱৰ্তী, উত্তৰ-পূব ভাৰতৰ বিশিষ্ট সাংবাদিক তথা ইষ্ট ম'জ'ৰ মুখ্য সম্পাদক কৰ্মা পালজ'ৰ, জেষ্ঠ তথা অভিজ্ঞ সাংবাদিক ঐনিতম ওজা, অইলৰ মুখপাত্ৰ ত্ৰিদিৱ হাজৰিকা, 'বাঘজান' খ্যাত স্বতন্ত্ৰ চলচিত্ৰ নিৰ্মাতা জয়চেং জয় দহোটীয়া আৰু দ্বিতীয় দিনা উপস্থিত থাকে গুৱাহাটীৰ মাষ্টাৰ পাপেট আৰ্টিষ্ট বিনীতা দেৱী। দুদিনীয়া অনুষ্ঠানটোত সমগ্ৰ সংবাদ মাধ্যম যেনে সাংবাদিকতা, জনসংযোগ, চিনেমা, অনলাইন সংবাদ মাধ্যম, আৰু এই সমূহ মাধ্যমৰ মাজত নিত্য বৃদ্ধি পোৱা গুৰুত্বপূৰ্ণ পদ্ধতি আৰু এই বৈচিত্ৰ ময়তাৰ মাজেৰে কাৰিকৰী সূক্ষ্মতাসমূহ বুজি পোৱাৰ তাৎপৰ্যৰ সন্দৰ্ভত চৰ্চা লাভ কৰে। উদ্বোধনী অধিবেশনত সাংবাদিকতাৰ নতুন জগতখন, তথ্য আৰু গল্প কোৱাৰ জৰিয়তে ১৩ পৃষ্ঠাত চাওক

# টীয়কৰ জ্ঞানজ্যোতি বিদ্যাপীঠত প্ৰাক্তন ছাত্ৰ-ছাত্ৰী সমাৰোহৰ আয়োজন

**চেলেংহাট, ২৮ মে' ঃ** যোৰহাট জিলাৰ টীয়কৰ জ্ঞানজ্যোতি বিদ্যাপীঠত প্ৰাক্তন ছাত্ৰ-ছাত্ৰী মঞ্চৰ উদ্যোগত অহা চাৰি জুনৰ পৰা দুদিনীয়া কাৰ্যসূচীৰে প্ৰাক্তন ছাত্ৰ-ছাত্ৰী সমাৰোহৰ আয়োজন কৰা হৈছে। প্ৰাক্তন ছাত্ৰ-ছাত্ৰী মঞ্চৰ সভাপতি কুশল মিলি আৰু সম্পাদক ঋতম দত্ত আৰু উদয়ন বড়াই উল্লেখ কৰা মতে উক্ত সমাৰোহৰ প্ৰথমদিনাৰ মূল সভাখনত উপস্থিত থাকিব। সম্পাদক নন্দন প্ৰতীম শৰ্মা বৰদলৈ, শাংকৰ কৌশিক বৰুৱা, কামৰূপ জিলাৰ সহকাৰী আয়ুক্ত হিমাদ্ৰী বৰা, কাকজান মহাবিদ্যালয়ৰ ইংৰাজী বিভাগৰ মুৰব্বী অধ্যাপক ড° পংকজ গোস্বামী, জাঁজী সহকাৰী অধ্যাপক ড° মন্টু কুমাৰ বড়া আদি। সিদিনা বিয়লি তিনি বজাৰ পৰা বিহু কুঁৱৰী, সৃষ্টিশীল নৃত্য আৰু সত্ৰীয়া নৃত্য প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। অহা পাঁচ জুনত সাংস্কৃতিক শোভাযাত্ৰা আৰু দুপৰীয়ালৈ প্ৰাক্তন ছাত্ৰ-ছাত্ৰীসকলৰ মাজত অন্তৰংগ আলাপ অনুষ্ঠিত হ'ব।

# এজন ভাল মানুহ হোৱাটো জীৱনৰ মূল লক্ষ্য হ'ব লাগে ঃ ৰাজু চুব্বা

■ ওদালগুৰি এছবোফ'ৰ্ড একাডেমীত কেৰিয়াৰ গাইডেন্স অনুষ্ঠান



**বিশেষ সংবাদদাতা**
**ওদালগুৰি, ২৮ মে' ঃ** শিক্ষাৰ্থীসকলক সঠিক পথ প্ৰদৰ্শন তথা মানসিক উৎকৰ্ষ সাধনৰ উদ্দেশ্যে ওদালগুৰিৰ এছবোফ'ৰ্ড একাডেমী ছিনিয়ৰ ছেকেণ্ডাৰী বিদ্যালয়ৰ উদ্যোগত আজি এক বিশেষ অনুষ্ঠান অনুষ্ঠিত হয়। এই কাৰ্যসূচী দিনৰ ১১ বজাত আৰম্ভ কৰে একাডেমীৰ অধ্যক্ষ ৰাহুল দেৱ ব্ৰহ্মই। তেওঁ এনে অনুষ্ঠানসমূহৰ বিদ্যালয়-মহাবিদ্যালয় পৰ্যায়ত যথেষ্ট গুৰুত্ব থকাৰ কথা উল্লেখ কৰে। এনে অনুষ্ঠানৰ দ্বাৰা শিক্ষাৰ্থীসকলৰ চিন্তাৰ ক্ষমতা বৃদ্ধিৰ লগতে অধ্যয়নৰ প্ৰতি ধাউতি বৃদ্ধি পোৱা বুলিও প্ৰকাশ কৰে। একাডেমীখনৰ শিক্ষক বিকাশ শৰ্মা আৰু অনচুমৈ ব্ৰহ্মই আঁত ধৰা উক্ত অনুষ্ঠানত মুখ্য অতিথিৰূপে উপস্থিত থাকি বঙাইগাঁও দীনদয়াল উপাধ্যায় মহাবিদ্যালয়ৰ সহকাৰী অধ্যাপক ড° ৰাজু চুব্বাই শিক্ষাৰ্থীসকলক শিক্ষাকে ধৰি আন সকলো দিশতে সমানে আগবাঢ়ি যাবলৈ আহ্বান জনায়। উক্ত কাৰ্যসূচীত অংশগ্ৰহণ কৰি এছবোফ'ৰ্ড একাডেমীৰ প্ৰাক্তন শিক্ষক তথা বৰ্তমানৰ তেজপুৰ বিহগুৰি উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ শিক্ষক লক্ষ্মণ উপাধ্যায়ে নিয়মানুৱৰ্তিতাৰ লগতে শিক্ষাৰ ক্ষেত্ৰত মনোনিৱেশ কৰাৰ বাবে আহ্বান জনায়। বিশেষকৈ বৰ্তমান ম'বাইল ফোন আসক্তিয়ে যে শিক্ষাৰ্থীসকলক অধ্যয়নৰ ক্ষেত্ৰৰ পৰা ক্ৰমাৎ আঁতৰাই নি আছে সেই প্ৰসংগ উল্লেখ কৰি নিজৰ লক্ষ্যত উপনীত নোহোৱা ১৩ পৃষ্ঠাত চাওক

# চাইবাৰ ছিকিউৰিটিৰ সজাগতা সভা

**অগ্ৰদূত বাৰ্তা**
**লখিমপুৰ, ২৮ মে' ঃ** লখিমপুৰ বাণিজ্য মহাবিদ্যালয়ত আজি চাইবাৰ ছিকিউৰিটিৰ এক সজাগতা সভা অনুষ্ঠিত হয়। মহাবিদ্যালয়ৰ চাইবাৰ ছিকিউৰিটি কোষৰ উদ্যোগত আয়োজিত উক্ত সজাগতা সভাত নতুন দিল্লীৰ গ্ৰাছিয়া টেকন'লজিৰ বিজু পেগু আৰু বৰুণ পাঠকে বিশিষ্ট ব্যক্তি হিচাপে অংশগ্ৰহণ কৰে। ছিকিউৰিটি কোষৰ সদস্য মৃদুস্মিতা হাজৰিকাই উদ্দেশ্য ব্যাখ্যা কৰা অনুষ্ঠানটোৰ সভাত সমল ব্যক্তিৰূপে উপস্থিত থকা পেগু আৰু পাঠকে চাইবাৰ জগতৰ ডিজিটেল লেনদেন ছ'চিয়েল মিডিয়াৰ বিভিন্ন ছাইটৰ একাউণ্ট হেক হোৱা আৰু হেক ৰোধ কৰাৰ বিভিন্ন ব্যৱস্থা আৰু কৌশল ছাত্ৰ-ছাত্ৰী তথা শিক্ষক-কমচাৰীক বিষদ বিশ্লেষণেৰে প্ৰদৰ্শন কৰে। উক্ত অনুষ্ঠানটোত মহাবিদ্যালয়ৰ অধ্যক্ষ ড° লোহিত হাজৰিকাসহ সকলো শিক্ষক-কৰ্মচাৰীয়ে অংশগ্ৰহণ কৰে।

# টেঙাখাতত প্ৰাক্তন আছুৱে আহ্বান কৰা সভাক কেন্দ্ৰ কৰি আছুৱে সংঘাত

**অগ্ৰদূত বাৰ্তা**
**টেঙাখাত, ২৮ মে' ঃ** সদৌ অসম ছাত্ৰ সন্থাৰ প্ৰাক্তন কৰ্মীসকলৰ মাজত প্ৰাক্তন আছু সতীৰ্থ সন্মিলন নামেৰে ডিব্ৰুগড় জিলা সমিতি গঠনৰ উদ্দেশ্যৰে অহা ৩০ মে'ত টেঙাখাত মহাবিদ্যালয়ৰ প্ৰেক্ষাগৃহত টেঙাখাত প্ৰাক্তন আছু সতীৰ্থ সন্মিলনে এখন সভাৰ আয়োজন কৰিছে। ইয়াকে কেন্দ্ৰ কৰি টেঙাখাতত প্ৰাক্তন আছু আৰু আছুৰ মাজত সংঘাতৰ সৃষ্টি হৈছে। এই বিষয়ত কালি টেঙাখাত আঞ্চলিক ছাত্ৰ সন্থাই এখন সংবাদমেলত প্ৰাক্তন আছুৱে আহ্বান কৰা সভাখনৰ বিৰোধিতা কৰে। আছুৰ ডিব্ৰুগড় জিলা সমিতিৰ উপ-সভাপতি ধনজিৎ সন্দিকৈয়ে কয় যে টেঙাখাতত আছুৱে সভাখন অনুষ্ঠিত কৰাত বাধা দিব, কিয়নো যিসকল প্ৰাক্তন আছুৰ নাম লৈ সভাখন অনুষ্ঠিত কৰিবলৈ আহ্বান জনাইছে সেইসকলৰ ভিতৰত বিভিন্ন ৰাজনৈতিক দলৰ লগত জড়িত হৈ থকা লোক আছে, দুজনমানক আছুৰ পৰা বহিষ্কাৰ কৰা হৈছিল আৰু এজনে আছুৰ কৰ্মীৰ বিৰুদ্ধে গোচৰ তৰিছিল। ইতিমধ্যে এইসকলক আছুৰ পৰা নাম কৰ্তন কৰা হৈছে। ছাত্ৰ নেতাজনে পুনৰ অভিযোগ কৰে যে ৰাজনৈতিক দলৰ পৰা অহা লোকে কেতিয়াও অৰাজনৈতিকভাৱে কাম কৰিব নোৱাৰে। গতিকে আছুৰ অৰাজনৈতিক ভাবমূৰ্তি ম্লান হ'বলৈ দিব নোৱাৰি। এচাম প্ৰাক্তন আছুৱে ছাত্ৰ সন্থাক নিঃশেষ কৰিবলৈ উঠি-পৰি লাগিছে। যদি এইসকল প্ৰাক্তন ছাত্ৰই সঁচাকৈ আন্তৰিকতাৰে আছুক ভাল পায় তেন্তে এনে কাৰ্যৰ পৰা বিৰত থাকিবলৈ আহ্বান জনায় নেতাজনে। আনহাতে, অপ্ৰীতিকৰ পৰিস্থিতি সৃষ্টি হ'লে টেঙাখাত আঞ্চলিক ছাত্ৰ সন্থাক জগৰীয়া কৰিব নোৱাৰিব বুলি সকীয়াই দিয়ে। টেঙাখাত আঞ্চলিক ছাত্ৰ সন্থাৰ উপদেষ্টা অৰ্জুন ছেত্ৰীয়ে দৃঢ়তাৰে কয় যে সদৌ অসম ছাত্ৰ সন্থাক জনমানসত সেও প্ৰতিপন্ন কৰিবলৈ দিয়া নহ'ব। প্ৰাক্তন আছুক আছুৰ ভ্ৰাতৃ সংগঠনত অংশগ্ৰহণ কৰিবলৈ আহ্বান জনায়। আছুৰ নেতাজনে কোনো কাৰণতে সভাখন অনুষ্ঠিত কৰিবলৈ দিয়া নহ'ব বুলি দৃঢ় মত পোষণ কৰে। ইফালে, প্ৰাক্তন আছু সতীৰ্থ সন্মিলনৰ টেঙাখাত আঞ্চলিক সমিতিৰ সভাপতি তীৰ্থ বৰুৱাই এই প্ৰতিবেদকক জনোৱা মতে, সভাখন অনুষ্ঠিত কৰাত আছুৱে বাধা দিয়াটো নিবিচাৰে। সংঘাত পৰিহাৰ ১৩ পৃষ্ঠাত চাওক

# কৃষ্ণাইত বিজেপিৰ বিশেষ কাৰ্যনিৰ্বাহক সভা সম্পন্ন

**অগ্ৰদূত বাৰ্তা**
**কৃষ্ণাই, ২৮ মে' ঃ** বিজেপিৰ বিশেষ কাৰ্যকৰী সভা এখন আজি দিনজোৱা কাৰ্যসূচীৰে কৃষ্ণাই মণ্ডল কাৰ্যালয়ত অনুষ্ঠিত হয়। বিজেপিৰ কৃষ্ণাই মণ্ডলৰ সভাপতি সুব্ৰত কুমাৰ দাসৰ সভাপতিত্বত অনুষ্ঠিত সভাখনত জিলা উপ-সভাপতি শ্যামজিৎ ৰাভা, প্ৰাক্তন উপ-সভাপতি স্বপন বসু, সহঃ প্ৰভাৰী ৰূপালী ৰাভা, জিলা মহিলা মৰ্চাৰ সম্পাদিকা ৰূপালী নাথ, কৃষ্ণাই মণ্ডলৰ সাধাৰণ সম্পাদক উত্তম সৰকাৰ আৰু মহিলা মৰ্চাৰ সভানেত্ৰী দীপমালা ৰায়কে ধৰি বিজেপিৰ বহুকেইজন নেতা-কৰ্মী উপস্থিত থাকে। ইফালে, কাৰ্যনিৰ্বাহক সভাখনৰ পাছত মহিলা মৰ্চাৰো সভা এখন অনুষ্ঠিত হয়। বিজেপিৰ কৃষ্ণাই মণ্ডল কাৰ্যালয়ত অনুষ্ঠিত সভাখনত ৰাজ্যিক মহিলা মৰ্চাৰ সম্পাদিকা আশা বৰদলৈ, লাৱন্য দেৱী, জিলা মৰ্চাৰ সভানেত্ৰী বিনীতা দাস, মহিলা মণ্ডল সভানেত্ৰী দীপমালা ৰায় উপস্থিত থাকে।

# শ্ৰদ্ধাঞ্জলি বনদেৱী বৈশ্য



**গুৱাহাটীৰ** শ্ৰীমন্তপুৰ নিৱাসী, সৰবৰহী মহিলা বনদেৱী বৈশ্য (৮৭)ৰ যোৱা ১৭ মে'ত মৃত্যু হয়। শ্ৰীমন্তপুৰ ৰূপনগৰস্থিত চিলাৰায় নগৰৰ সমাজসেৱী হিচাপে জনাজাত ধাৰ্মিক মহিলা বনদেৱী অঞ্চলটোত বহুতৰ বাবে বৈশ্য বাইদেউ, জেঠাই, আইতা, খুৰী, মামী আদি বিভিন্ন আত্মিক সম্বন্ধ আছিল। দুখীয়াক সহায় কৰাত তেওঁ আছিল আগৰণুৱা। তেওঁ সদৌ অসম মইনা পাৰিজাত শাখাৰ সম্পাদিকা, সভানেত্ৰী হিচাপেও অৱদান আগবঢ়াইছিল। তদুপৰি অসম আন্দোলনত আগভাগ লৈছিল। তেওঁৰ নেতৃত্বত মহিলা সমিতি, ভঙাগড় কালীমন্দিৰৰ সমিতি আদি সক্ৰিয় হৈ উঠিছিল। এই গৰাকী মহিলাৰ মৃত্যুত অঞ্চলটোত শোকৰ ছাঁ পৰিছে। তেওঁৰ মৃত্যুত পৰিয়াল-পৰিজনৰ উপৰি অঞ্চলবাসীয়ে বিদেহ আত্মাৰ চিৰশান্তি কামনা কৰাৰ লগতে তেওঁলৈ সশ্ৰদ্ধ শ্ৰদ্ধাঞ্জলি আগবঢ়াইছে। আজি ২৯ মে'ৰ আদ্যশ্ৰাদ্ধৰ দিনা পৰিয়ালবৰ্গই তেওঁক শ্ৰদ্ধাৰে সুঁৱৰিছে। আমিও গভীৰ শ্ৰদ্ধা নিবেদিছো। তেওঁৰ আত্মাৰ চিৰশান্তি কামনাৰে মাথোঁ চকুলো নিগৰাই কওঁ- আপুনি য'তেও আছে তাতেই কুশলে থাকক। বৈকুণ্ঠত বসতি হওক। ওম শান্তি।

**ড° দীপা ডেকা বৈশ্য**

# লংকাত নিশা পথ দুৰ্ঘটনা যুৱকৰ মৃত্যু

**অগ্ৰদূত বাৰ্তা**
**লংকা, ২৮ মে' ঃ** লংকা চহৰৰ মাজমজিয়াত লংকা-নগাঁও পথৰ লংকা আৰক্ষী থানাৰ সন্মুখতে যোৱা নিশা পথ দুৰ্ঘটনাত শংকৰ মালাকাৰ (২৫) নামৰ এজন যুৱকৰ মৃত্যু হয়। নিশা লংকা বজাৰস্থিত লংকা সাংবাদিক সন্থাৰ কাৰ্যালয়ৰ কাষতে থকা হোটেল বন্ধ কৰি মটৰ চাইকেলেৰে ঘৰলৈ উভতি যোৱাৰ পথত লংকা-নগাঁও পথৰ ভঙা গাঁতত পৰি মটৰ চাইকেলৰ নিয়ন্ত্ৰণ হেৰুৱাই পথৰ ওপৰত উফৰি পৰাত তেওঁৰ মৃত্যু হয়। নম্বৰপ্লেটবিহীন নতুন মটৰ চাইকেলেৰে গৈ থকা অৱস্থাত নিয়ন্ত্ৰণ হেৰুৱাই দুৰ্ঘটনাগ্ৰস্ত হয় যুৱকজনৰ। তেওঁৰ মৃত্যুত লংকা সাংবাদিক সন্থাই শোক প্ৰকাশ কৰিছে।

# চতিয়া সমষ্টিৰ নামঘৰলৈ অসম দৰ্শন আঁচনিৰ ২৫ লাখ প্ৰদান বিধায়কৰ

**অগ্ৰদূত বাৰ্তা**
**নদুৱাৰ, ২৮ মে' ঃ** চতিয়া সমষ্টিৰ বিধায়ক পদ্ম হাজৰিকাই আজি জামুগুৰিহাটৰ পৰিদৰ্শন ভৱনত অসম দৰ্শন আঁচনিৰ জৰিয়তে সমষ্টিটোৰ বিভিন্ন প্ৰান্তৰ নামঘৰসমূহ বিজ্ঞানসন্মতভাৱে নিৰ্মাণ কৰিবলৈ ১০ টা নামঘৰলৈ আঢ়ৈ লাখ টকাকৈ মুঠ ২৫ লাখ টকাৰ নগদ ধন প্ৰদান কৰে। এই সন্দৰ্ভত বিধায়ক হাজৰিকাই কয়, 'অসম দৰ্শন আঁচনিৰ জৰিয়তে যিসকল ৰাইজে নামঘৰসমূহৰ গৃহ নিৰ্মাণৰ বাবে আবন্টিত ধন লৈছে তেওঁলোকে যেন বিজ্ঞান সন্মতভাৱে আটকধুনীয়াকৈ নামঘৰসমূহৰ গৃহ নিৰ্মাণ কৰি লয়।' তেওঁ পুনৰ কয় যে নামঘৰসমূহ হৈছে আমাৰ আধ্যত্মিক চিন্তা আৰু কৃষ্টি সংস্কৃতিৰ প্ৰাণ কেন্দ্ৰ স্বৰূপ। অসমীয়া সমাজ জীৱনৰ চালিকা শক্তি স্বৰূপ এই নামঘৰসমূহতেই ঈশ্বৰৰ গুণানুকীৰ্তনৰ শ্ৰৱণকীৰ্তন হৈ ভক্তিৰস গুঞ্জৰিত হয়। অসমী আইৰ পবিত্ৰ ভূমিৰ আধ্যাত্মিক পীঠস্থানসমূহলৈ চৰকাৰৰ আৰ্থিক অনুদান তথা সশ্ৰদ্ধ সহযোগিতাৰ লগতে সংস্কৃতি আধ্যাত্মিকতা আৰু পৰ্যটন ক্ষেত্ৰলৈ এক অনুভৱী সংযোজন এক অভিলাষী আঁচনি হৈছে এই 'অসম দৰ্শন আঁচনি' এই আঁচনিৰ অধীনত আজি নদুৱাৰ উন্নয়ন খণ্ডৰ অধীনৰ উত্তৰ জামুগুৰি আঞ্চলিক নামঘৰ উজৰাচুক নামঘৰ চেচাসত্ৰ নামঘৰ, বাঁহবাৰী সত্ৰ নামঘৰ, শেনচোৱা নামঘৰ, বনীয়াচুবুৰি নামঘৰ জামুগুৰি আঞ্চলিক সত্ৰ নামঘৰ, ৰাভাগাঁও নামঘৰকে ধৰি চতিয়া সমষ্টিৰ অন্তৰ্গত ১০খনকৈ নামঘৰক দুই লাখ ৫০ হেজাৰ টকাকৈ নগদ ধন বিতৰণ কৰা হৈছে। অসম দৰ্শন আঁচনিৰ ধন বিতৰণ অনুষ্ঠানটোত নদুৱাৰ ৰাজহ চক্ৰ বিষয়া আকাশদীপ কাকতি, নদুৱাৰ মণ্ডল বিজেপিৰ সভাপতি জয়ন্ত বৰা, নদুৱাৰ আঞ্চলিক পঞ্চায়তৰ সভাপতি অজিত পায়েং, নৱ নিযুক্ত পৌৰপতিৰ লগতে বহুকেইগৰাকী বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

# শুৱালকুছি কে আৰ কে হাইস্কুলত প্ৰাচীৰ পত্ৰিকা উন্মোচন

**অগ্ৰদূত বাৰ্তা**
**শুৱালকুছি, ২৮ মে' ঃ** বস্ত্ৰিনগৰী শুৱালকুছিৰ কালিৰাম কাৰিকৰ হাইস্কুলৰ গুণোৎসৱৰ লগত সংগতি ৰাখি ২৪ মে'ত বিদ্যালয়খনৰ প্ৰধান শিক্ষক দিবাকৰ কলিতাই উন্মোচন কৰে। প্ৰাচীৰ পত্ৰিকাখনৰ তত্ত্বাৱধাক তথা বিদ্যালয়ৰ সহকাৰী শিক্ষয়িত্ৰী সোণমাই ৰাভাই আঁত ধৰা উন্মোচনী অনুষ্ঠানত উন্মোচক প্ৰধান শিক্ষকজনে প্ৰাচীৰ পত্ৰিকা ছাত্ৰ-ছাত্ৰী বাবে এক মাইলৰ খুঁটি বুলি দোহাৰে। প্ৰাচীৰ পত্ৰিকাত লেখা-মেলা কৰা শিক্ষাৰ্থীসকলে ভৱিষ্যতৰ দিনত একো একোগৰাকী প্ৰতিষ্ঠিত লেখক, প্ৰৱন্ধকাৰ, গল্পকাৰ, কবি আদি হোৱাৰ প্ৰচুৰ সম্ভাৱনা থাকে। সেয়েহে ছাত্ৰ-ছাত্ৰীসকলক বিদ্যালয়ৰ প্ৰাচীৰ পত্ৰিকা আৰু বিদ্যালয়ৰ আলোচনীত লেখ-মেলা কৰিবলৈ তেওঁ আহ্বান জনায়। উন্মোচনী সভাত বন্তি প্ৰজ্বলন কৰে বিদ্যালয়ৰ জ্যেষ্ঠ শিক্ষক বাবুল কলিতাই।

### নৰেন্দ্ৰ মোদী ষ্টেডিয়ামত আজি আই পি এলৰ খিতাপ দখলৰ যুঁজ
# গুজৰাট টাইটানছৰ বিৰুদ্ধে ৰাজস্থান ৰয়েলছ



**আহমেদাবাদ, ২৮ মে’ ঃ** বিশ্বৰ সৰ্ববৃহৎ ক্ৰিকেট ষ্টেডিয়াম আহমেদাবাদৰ নৰেন্দ্ৰ মোদী ষ্টেডিয়ামত অভিলেখ সংখ্যক দৰ্শকক উপস্থিত কাইলৈ অনুষ্ঠিত হ’ব চলিত টাটা আই পি এলৰ ফাইনেল মেচ। উল্লেখ্য যে এইবাৰ আইপিএল 2022 ৰ খিতাপৰ যুঁজত দুটা শ্ৰেষ্ঠ দল মুখামুখি হৈছে। পইণ্ট তালিকাৰ শীৰ্ষত থকা গুজৰাট টাইটানছ আৰু ৰাজস্থান ৰয়েলছৰ মাজত এক লাখৰো অধিক দৰ্শকৰ সন্মুখত ট্ৰফী দখলৰ ক্ৰিকেট যুঁজ কাইলৈ। ইফালে এই মেচ উপভোগ কৰাৰ বাবে সাজু হৈ উঠিছে আহমেদাবাদৰ লগতে দেশ-বিদেশৰ ক্ৰিকেটপ্ৰেমী। উল্লেখ্য যে দ্বিতীয় কোৱালিফায়াৰত ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰুক সাত উইকেটত পৰাস্ত কৰি ৰাজস্থান ৰয়েলছে অভিষেক বৰ্ষৰ পাছত দ্বিতীয়বাৰলৈ এইবাৰ আইপিএলৰ ফাইনেলত প্ৰৱেশ কৰিছে। বিপৰীতে আইপিএলৰ অভিষেক বৰ্ষতে চমক দি গুজৰাট টাইটানছ দলে খিতাপ জয়ৰ লক্ষ্য পুৰণৰ বাবে এতিয়া এখন মেচৰ সফলতা লাভ কৰিবলৈ বাকী। ইয়াৰপূৰ্বে লীগৰ প্ৰথম কোৱালিফায়াৰত গুজৰাট টাইটানছ দলে তিনি দিন পূৰ্বে পৰাস্ত কৰিছিল আই পি এল প্ৰথমৰ চেম্পিয়ন ৰাজস্থান ৰয়েলছক। কিন্তু কাইলৈ এটা নতুন দিন। অৱশ্যে ফাইনেলত গুজৰাট টাইটানছৰ ৰাজস্থান ৰয়েলছৰ ওপৰত চাপ দিব। কাৰণ তেওঁলোকে ঘৰত খেলিব তথা চাৰি-পাঁচ দিনৰ ভাল জিৰণি লৈছে। ইফালে, চাৰিটা শতক অৰ্জন কৰা জোছ বাটলাৰৰ বেটিং ধাৰাবাহিকতা ৰাজস্থান ৰয়েলছৰ বাবে ইতিহাস গঢ়াৰ সুযোগ। আহমেদাবাদৰ উইকেট বেটিং সহায়ক। সেয়েহে বেটছমেনসকলৰ পৰা বিশাল শ্বট আশা কৰিব পাৰি। অনুৰাগীৰ বাবে এক মহাকাব্যিক ক্ৰিকেট সংঘৰ্ষ হ’ব কাইলৈৰ ফাইনেলত।



### এছিয়া কাপ হকী প্ৰতিযোগিতা
# জাপানৰ বিৰুদ্ধে ভাৰতৰ জয়

**জাকাৰ্টা, ২৮ মে’ ঃ** চলিত এছিয়া কাপ হকী প্ৰতিযোগিতাৰ আজি অনুষ্ঠিত ছুপাৰ 4 ৰ প্ৰথমখন খেলত ভাৰতে জাপানক 2-1 গ’লত পৰাস্ত কৰি তিনিটা পইণ্টেৰে শীৰ্ষত উপনীত হৈছে। ভাৰতৰ এই বিজয়ত তাৰকা হিচাপে পৰিগণিত হয় মনজিত সিং আৰু পৱন ৰাজভৰ। প্ৰথম কোৱাৰ্টাৰৰ সাত মিনিটত ভাৰতৰ হৈ মনজিতে এটা গ’ল দিয়ে যদিও দ্বিতীয় কোৱাৰ্টাৰত জাপানৰ তাকুমা নিৱাই সমতা স্থাপন কৰে আৰু হাফ টাইমত স্ক’ৰ 1-1 হয়। পাছত জাপানে দুয়োটা কোৱাৰ্টাৰতে দখলৰ ক্ষেত্ৰত অধিক প্ৰভাৱশালী দল আছিল, আৰু চাৰিটা পেনাল্টি কৰ্ণাৰ লাভ কৰিছিল। অৱশ্যে ভাৰতে দুৰ্গ ৰক্ষা কৰে। তৃতীয় কোৱাৰ্টাৰত পৱন ৰাজভাৰৰ গ’লৰ জৰিয়তে ভাৰতে প্ৰত্যাৱৰ্তন ঘটায়, আৰু আত্মবিশ্বাস বৃদ্ধি পায়। উল্লেখ্য যে এছিয়া কাপ হকী প্ৰতিযোগিতাৰ গ্ৰুপৰ প্ৰথমখন মেচত পাকিস্তানেৰে ড্ৰ খেলাৰ পিছত দ্বিতীয়খন মেচত 2-5 গ’লৰ ব্যৱধানত জাপানৰ বিৰুদ্ধে পৰাস্ত হৈছিল ভাৰতীয় পুৰুষ দলটো। আজি সেই পৰাজয়ৰ পোতক ল’লে দলে। উল্লেখ্য যে এছিয়া কাপ হকী প্ৰতিযোগিতাৰ গ্ৰুপৰ অন্তিমখন মেচত ভাৰতীয় পুৰুষ হকী দলে ইণ্ডোনেছিয়াৰ বিৰুদ্ধে 16-0 গ’লত জয়ী হৈ চমক সৃষ্টিৰে ছেমিফাইনেলত প্ৰৱেশ কৰিছিল। ছেমিফাইনেল লৈ যোগ্যতা অৰ্জন কৰিবলৈ ভাৰতে সেই মেচত 15-0 ৰ ব্যৱধানত জয়ী হোৱাৰ প্ৰয়োজন আছিল আৰু দলটোৰ যুৱ খেলুৱৈসকলে চমকপ্ৰদ প্ৰদৰ্শন কৰি লক্ষ্যত উপনীত হয়। ভাৰতীয় পুৰুষ হকী দলে অন্তিম কোৱাৰ্টাৰত ছটা গ’ল দি এছিয়া কাপৰ নক আউট পৰ্যায়লৈ উত্তৰণ কৰে। বিপৰীতে পাকিস্তানৰ আশাত চেচাপানী ঢালি দিয়াৰ লগতে পাকিস্তানৰ বাবে বিশ্বকাপৰ দুৱাৰখনো আজিয়েই বন্ধ কৰি দিয়ে।

# ৰাজ্যিক ভিত্তিক কিক বক্সিঙৰ প্ৰশিক্ষণ শিবিৰ

**দেৰগাঁও, ২৮ মে’ ঃ** গোলাঘাট প্ৰ’ কিক বক্সিং আৰু বক্সিং এছচিয়েছনৰ উদ্যোগত দেৰগাঁৰৰ নদীকাষৰীয়া ব্ৰহ্মপুত্ৰ অঞ্চলৰ বাঁহগুৰি হোলী গ্ৰেইছ স্কুলৰ প্ৰাংগণত দুদিনীয়াকৈ ৰাজ্যিক ভিত্তিক কিক বক্সিঙৰ প্ৰশিক্ষণ শিবিৰ অনুষ্ঠিত হয়। শিবিৰত যোৰহাট মৰিগাঁওকে ধৰি বহু অন্য স্থানৰ শতাধিক প্ৰশিক্ষাৰ্থীয়ে অংশগ্ৰহণ কৰে। অসম প্ৰ কিকঞ্জ বক্সিং আৰু বক্সিং এছচিয়েছনৰ সভাপতি বিশাল তালুকদাৰ, অসম মুৱাই থাই কাউঞ্চিলৰ কাৰ্যকৰী সভাপতি মিন্টু ৰাজবংশী, আন্তঃৰাষ্ট্ৰীয় খেলুৱৈ জানু কৰ্ণ, প্ৰশিক্ষক সৌৰভ পাছুং, চন্দন হাজৰিকা, আৰু পদ্ম বড়ো উপস্থিত থাকি প্ৰশিক্ষাৰ্থী সকলক প্ৰশিক্ষণ প্ৰদান কৰে। শিৱিৰটি সামৰণি অনুষ্ঠানৰ লগত সংগতি ৰাখি এটি সম্বৰ্ধনা অনুষ্ঠানৰ আয়োজন কৰা হয়। গোলাঘাট প্ৰ কিক বক্সিং আৰু বক্সিং এছচিয়েছনৰ প্ৰেছ উপদেষ্টা কুমুদ বৰাই আঁত ধৰা অনুষ্ঠানটিত কিক বক্সিং আৰু বক্সিং এছচিয়েছনৰ প্ৰশিক্ষক তথা ৰাজ্যিক বিষয়ববীয়া সকলৰ লগতে শিৱিৰটোত আমন্ত্ৰিত অতিথি হিচাপে উপস্থিত থকা ৰমানন্দ দাস, প্ৰনৱ চক্ৰবৰ্ত্তী, সুব্ৰত শীল, কন্দৰ্প বৰুৱা, পংকজ গগৈ আৰু পলাশ বৰাক সম্বৰ্ধনা জনোৱা হয়। দেৰগাঁও নগৰৰ পৰা বহু ভিতৰুৱা অঞ্চলটোত প্ৰথম বাৰৰ বাবে অনুষ্ঠিত ৰাজ্যিক ভিত্তিক প্ৰশিক্ষণ শিবিৰটোক লৈ স্থানীয় ৰাইজ উৎফুল্লিত হৈ পৰে।

### বিদায় দিলে উইম্বলডনৰ চেম্পিয়নক
# ফ্ৰেন্স অপেনৰ ডাবলছৰ কোৱাৰ্টাৰ ফাইনেলত বোপান্না



**পেৰিছ, ২৮ মে’ ঃ** ভাৰতৰ ৰোহন বোপান্না আৰু মেটৱে মিডেলকুপ যুটিয়ে চলিত ফ্ৰেন্স অপেনৰ পুৰুষৰ ডাবলছ শাখাৰ কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰিছে। উল্লেখ্য যে আজিৰ তৃতীয় ৰাউণ্ডৰ মেচত ৰ’লেণ্ড গাৰোছৰ পৰা ৰোহন বোপান্না আৰু মেটৱে মিডেলকুপে পাঁচটা মেচ পইণ্ট ৰক্ষা কৰি বৰ্তমানৰ উইম্বলডন চেম্পিয়ন মেট পাভিচ আৰু নিকোল মেকটিকক চলিত ফ্ৰান্স অপেনৰ পুৰুষৰ ডাবলছ শাখাৰ পৰা নক আউট কৰি দিয়ে। তৃতীয় ছেটৰ আৰম্ভণিতে চাৰ্ভৰ ব্ৰেকে তেওঁলোকক অসুবিধাজনক অৱস্থাত পেলাইছিল যদিও বোপান্না আৰু মিডেলকুপৰ দক্ষতা আৰু দৃঢ়তাৰ অভাৱ নাছিল, যিয়ে অৱশেষত 6-7), 7-6), 7-6 ব্যৱধানত দুঘণ্টা 32 মিনিটত মেচ জয় কৰিবলৈ সক্ষম হয়। উল্লেখ্য যে ফ্ৰান্স অপেনৰ পুৰুষৰ ডাবলছ শাখাত পূৰ্বে চাৰিবাৰকৈ কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰিছিল কৰিছিল বোপান্না।

# অসম পাঞ্জা সংস্থাৰ ৰাজ্যিক সমিতিৰ বিশেষ সাধাৰণ সভা
## নতুন কমিটী গঠন

**বিশেষ সংবাদদাতা**
**নগাঁও, ২৮ মে’ ঃ** অসম পাঞ্জা সংস্থাৰ এখন বিশেষ সাধাৰণ সভা নগাঁৱত অনুষ্ঠিত হয়। নগাঁও চহৰৰ পানীগাঁও শিৱনগৰস্থিত নৱৰূপ জাতীয় বিদ্যাপীঠ প্ৰাঙ্গনত অনুষ্ঠিত সংস্থাৰ সাধাৰণ সভাত ৰাজ্য খনৰ বিভিন্ন জিলাৰ প্ৰায় অৰ্ধ শতাধিক ক্ৰীড়া সংগঠক, পাঞ্জা খেলুৱৈয়ে অংশগ্ৰহণ কৰে। প্ৰবীণ খেলুৱৈ ৰাহুল দেৱ কলিতাৰ সভাপতিত্বত অনুষ্ঠিত সভাখনত সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে অসম পাঞ্জা সংস্থাৰ সাধাৰণ সম্পাদক দেৱজিৎ শৰ্মাই। বিশিষ্ট সাংবাদিক কনক হাজৰিকা, ভাস্কৰজ্যোতি মেধি, ক্ৰীড়া সংগঠক অশোক কুমাৰ বৰা, জীৱন ভৰালী, মানৱজ্যোতি বৰা আদি উপস্থিত থকা সভাখনতে সংস্থাৰ পঞ্জীয়নৰ নৱীকৰণ, সংস্থাৰ সাংগঠনিক পুনৰ্গঠন , সংবিধান সংশোধনী আৰু নতুন ৰাজ্যিক সমিতি গঠন কৰাৰ বাবে সকলোৱে ঐক্যমত প্ৰকাশ কৰে। সভাৰ সিদ্ধান্ত অনুসৰি সংস্থাৰ পঞ্জীয়নৰ নৱীকৰণ কৰাৰ লগতে আগন্তুক 44 সংখ্যক ৰাজ্যিক পাঞ্জা চেম্পিয়নশ্বিপ তথা ৰাষ্ট্ৰীয় চেম্পিয়নশ্বিপ অনুষ্ঠিত কৰাৰ বাবে যাৱতীয় কাম-কাজ ক্ষীপ্ৰ গতিত আৰম্ভ কৰিবলৈ ৰাজ্যিক নেতৃত্বক দায়িত্ব অৰ্পণ কৰে। এই সভাতেই ৰাজ্যিক সমিতি খন পুনৰ গঠনৰ বাবে সৰ্বসন্মতিক্ৰমে প্ৰস্তাৱ গ্ৰহণ কৰি অসম পাঞ্জা সংস্থাৰ অধ্যক্ষ হিচাপে মুনীন্দ্ৰ শইকীয়া, ৰাহুল দেৱ কলিতাক সভাপতি, দেৱজিৎ শৰ্মাকে পুনৰ সাধাৰণ সম্পাদক আৰু শান্তনু কুমাৰ দাসক কোষাধ্যক্ষ হিচাপে নিৰ্বাচিত কৰে। তদুপৰি কনক হাজৰিকা,জীৱন ভৰালী আৰু অশোক কুমাৰ বৰাক নগাঁও জিলাৰ পৰা ৰাজ্যিক সমিতি লৈ প্ৰেৰণ কৰাৰ বাবে সিদ্ধান্ত গ্ৰহণ কৰে।



পেৰিছত লিভাৰপুলৰ সমৰ্থক।

### নুৰুদ্দিন আহমেদ ট্ৰফী ছিনিয়ৰ আন্তঃজিলা ক্ৰিকেট প্ৰতিযোগিতা
# ফাইনেলত শিলচৰৰ মুখামুখি হ’ব বিশ্বনাথ



**গুৱাহাটী, ২৮ মে’ ঃ** চলিত ছিজনৰ নুৰুদ্দিন আহমেদ ট্ৰফী ছিনিয়ৰ আন্তঃজিলা ক্ৰিকেট প্ৰতিযোগিতাৰ ফাইনেল মেচখন শিলচৰ আৰু বিশ্বনাথৰ মাজত অনুষ্ঠিত হ’ব। উল্লেখ্য যে বৰ্ষাপাৰা ক্ৰিকেট ষ্টেডিয়ামত অনুষ্ঠিত হোৱা তেজপুৰ আৰু শিলচৰৰ মাজৰ ছেমিফাইনেল মেচখন ড্ৰ ৰূপে সমাপ্ত হয় যদিও প্ৰথম ইনিংছত অগ্ৰগতি লাভ কৰাৰ বাবেই শিলচৰ ফাইনেলত প্ৰৱেশ কৰে। উল্লেখ্য যে তিনি দিনীয়া মেচখনৰ প্ৰথমদিনা তেজপুৰে 163 ৰাণত প্ৰথম ইনিংছ সামৰাৰ পাছত শিলচৰে প্ৰথম ইনিংছত 228 ৰাণ কৰি অগ্ৰগতি অৰ্জন কৰে। ইফালে, তেজপুৰে দ্বিতীয় ইনিংছত 281 ৰাণ কৰাৰ পাছত শিলচৰে দ্বিতীয় ইনিংছত কোনো উইকেট নেহেৰুৱাকৈ






76 ৰাণ কৰাৰ সময়তে মেচখন ড্ৰৰূপে সমাপ্ত হয়। শিলচৰৰ ৰাহুল সিঙে মেচত নটা উইকেট দখল কৰে। ইফালে, আনখন ছেমিফাইনেলত ডিব্ৰুগড়ৰ বিৰুদ্ধে আজি 15 ৰাণত জয়লাভ কৰে বিশ্বনাথ চাৰিআলিয়ে। নেহৰু ষ্টেডিয়ামত অনুষ্ঠিত হোৱা মেচখনত প্ৰথমদিনা বিশ্বনাথে 140 ৰাণত প্ৰথম ইনিংছ সামৰাৰ পাছত ডিব্ৰুগড়ে প্ৰথম ইনিংছত কৰে 121 ৰাণ। ফলত বিশ্বনাথে অগ্ৰগতি অৰ্জন কৰে। ইফালে, দ্বিতীয় ইনিংছত বিশ্বনাথ পুনৰ 131 ৰাণত আউট হয়। আনহাতে, আজি ডিব্ৰুগড়ে দ্বিতীয় ইনিংছ 135 ৰাণত সামৰি পৰাজয় স্বীকাৰ কৰে। এতিয়া ফাইনেল মেচখন অহা 30 মে’ৰ পৰা দুই জুনলৈ বৰ্ষাপাৰা ক্ৰিকেট ষ্টেডিয়ামত অনুষ্ঠিত হ’ব।

### গ্ৰেণ্ডশ্লাম টেনিছ প্ৰতিযোগিতা ফ্ৰেন্স অপেন
# প্ৰি-কোৱাৰ্টাৰ ফাইনেলত ইগা



**পেৰিছ, ২৮ মে’ ঃ** বিশ্বৰ এক নম্বৰ স্থানৰ মহিলা টেনিছ খেলুৱৈ ইগা ছিয়াটেকে চলিত গ্ৰেণ্ডশ্লাম টেনিছ প্ৰতিযোগিতা ফ্ৰেন্স অ’পেনৰ প্ৰি-কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰিছে। ইফালে, তৃতীয় ৰাউণ্ডৰ মেচত জয়ী হৈ ইগা ক্ৰমাগত 31 সংখ্যক জয় লাভৰ গৌৰৱো অৰ্জন কৰিছে। পেৰিছৰ 2020 ৰ চেম্পিয়ন শ্বিয়াটেকে 95 নম্বৰ ৰেংকিঙৰ প্ৰতিদ্বন্দ্বীক 6-3, 7-5 ৰ ব্যৱধানত পৰাস্ত কৰে। কোৱাৰ্টাৰ ফাইনেলত স্থান লাভৰ বাবে ছিয়াটেকে চীনৰ কিশোৰী ঝেং কিনৱেন বা ফ্ৰান্সৰ এলিজ কৰ্নেটৰ সৈতে মুখামুখি হ’ব। উল্লেখ্য যে 2013 ত ছেৰেনা উইলিয়ামছেÃ 34 খন মেচত জয়লাভ কৰাৰ পিছত পেৰিছত 2020 ৰ চেম্পিয়ন পোলেণ্ডৰ ছিয়াটেকে শ্ৰেষ্ঠ ধাৰাত আছে। ইয়াৰপূৰ্বে বিশ্বৰ এক নম্বৰ স্থানৰ ইগা ছুয়াটেকে আমেৰিকাৰ এলিছন ৰিস্কেক 6-0, 6-2 ত পৰাস্ত কৰি ফ্ৰেন্স অ’পেনৰ তৃতীয় ৰাউণ্ডত প্ৰৱেশ কৰিছিল।

# আজি জিলা ক্ৰীড়া সন্থাৰ সাধাৰণ সভা

**তেজপুৰ, ২৮ মে’ ঃ** তেজপুৰ জিলা ক্ৰীড়া সন্থাৰ বাৰ্ষিক সাধাৰণ সভা খন অহা 29 মে’ত পলফিল্ডৰ ক্ৰীড়া সন্থাৰ কাৰ্যালয়ত অনুষ্ঠিত হ’ব। পুৱা 10Â বজাত আৰম্ভ হ’বলগীয়া সাধাৰণ সভা খনৰ বাবে ইতিমধ্যে যাবতীয় প্ৰস্তুতি গ্ৰহণ কৰা হৈছে বুলি প্ৰকাশ কৰি ক্ৰীড়া সন্থাই জনোৱা অনুসৰি ইয়াতে আগন্তুক কাৰ্যকালৰ বাবে এখন নতুন কাৰ্যনিৰ্বাহক সমিতি গঠন কৰা হ’ব আৰু ক্ৰীড়া সন্থাৰটোৰ বিভিন্ন দিশৰ ওপৰতো আলোচনা কৰা হ’ব। সভাখনত ক্ৰীড়া সন্থাৰটোৰ সকলো আজীৱন সদস্য তথা সাধাৰণ সদস্যকে উপস্থিত থাকিবলৈ ক্ৰীড়া সন্থাৰ তৰফৰ পৰা আহ্বান জনোৱা হৈছে।

### ইনড’ৰ ষ্টেডিয়াম নিৰ্মানৰ আশ্বাস বিধায়কৰ
# ৰাষ্ট্ৰীয় পদক জয়ী খেলুৱৈক সম্বৰ্ধনা

**ডিমৌ, ২৮ মে’ ঃ** ৰাষ্ট্ৰীয় টাং চু ডো প্ৰতিযোগিতাত পদকপ্ৰাপ্ত খেলুৱৈসকলক উষ্ম আদৰণি জনাই ডিমৌত সম্বৰ্ধনা জনোৱা হয়। এই অনুষ্ঠানত উপস্থিত থাকে বিধায়ক সুশান্ত বৰগোঁহাই ।উল্লেখ্য যে ডিমৌ শংকৰদেৱ বিদ্যা নিকেতনৰ প্ৰেক্ষাগৃহত ডিমৌ টাং চু ডো ক্লাবৰ উদ্যোগত আয়োজন কৰা হয় এই সম্বৰ্ধনা অনুষ্ঠান । স্মৰ্তব্য যে শিৱসাগৰত অনুষ্ঠিত হৈ যোৱা প্ৰথম উজনি অসম টাং চু ডো চেম্পিয়নশ্বিপত ডিমৌৰ টাংচু ডো একাডেমীয়ে লাভ কৰিছিল শ্ৰেষ্ঠ দলৰ সন্মান । ইয়াৰ উপৰি, এই একাডেমীৰ ন গৰাকী খেলুৱৈয়ে দিল্লীত অনুষ্ঠিত অষ্টম ৰাষ্ট্ৰীয় টাংচু ডো চেম্পিয়নশ্বিপতো পদক লাভেৰে অসমলৈ গৌৰৱ কঢ়িয়াই আনিছিল । সেইসকল প্ৰতিভাৱান খেলুৱৈক উৎসাহিত কৰিবৰ বাবে একাডেমীৰ তৰফৰ পৰা আয়োজন কৰা হয় এই সম্বৰ্ধনা অনুষ্ঠানৰ । ডিমৌ টাংচু ডো ক্লাবৰ সভাপতি তথা অধ্যাপক অজয় কুমাৰ গগৈৰ সভাপতিত্বত খেলুৱৈসকলক উষ্ম আদৰণি জনোৱা হয় ।এই বিশেষ অনুষ্ঠানত উপস্থিত থাকি বিধায়ক সুশান্ত বৰগোঁহায়ে আগন্তুক সময়ত ডিমৌ টাংচু ডো ক্লাবক সহযোগিতা আগবঢ়োৱাৰ প্ৰতিশ্ৰুতি প্ৰদান কৰে । খেলুৱৈসকলক অনুশীলনৰ বাবে এটা ইনড’ৰ ষ্টেডিয়াম নিৰ্মাণৰ আশ্বাস দিয়াৰ বাবে ধন্যবাদ জনাই শিৱসাগৰ জিলা টাংচু ডো ক্লাবৰ সহকাৰী সম্পাদক তথা ডিমৌ টাংচু ডো ক্লাবৰ সম্পাদক দীপাংকৰ চেতিয়াই ।





# খেলো ইণ্ডিয়াত অভিষেক ঘটিব মনিপুৰৰ পৰম্পৰাগত ক্ৰীড়া থাং-টাৰ

**চণ্ডীগড়, ২৮ মে’ ঃ** আসন্ন চতুৰ্থ খেলো ইণ্ডিয়া গেমছত পাঁচবিধ পৰম্পৰাগত খেল অন্তৰ্ভূক্ত কৰা হৈছে। ইয়াৰে এবিধ হ’ল মণিপুৰী মাৰ্চেল আৰ্ট থাং-টা। উল্লেখ্য যে প্ৰথমবাৰৰ বাবে থাং-টা ক্ৰীড়া প্ৰদৰ্শিত হ’ব ৰাষ্ট্ৰীয় পৰ্যায়ৰ মেগা ক্ৰীড়া প্ৰতিযোগিতাত। এখন বিশাল মঞ্চত এই খেলবিধৰ প্ৰৱৰ্তনৰ বিষয়ে বিশদভাৱে উল্লেখ কৰি চাৰি জুনৰ পৰা ছয় জুনলৈকে থাং-টা প্ৰতিযোগিতা পৰিচালনা আৰু তদাৰক কৰিবলগীয়া প্ৰেমকুমাৰ সিঙে প্ৰকাশ কৰে যে এই খেলত প্ৰায় 140 জন ল’ৰা-ছোৱালীয়ে অংশগ্ৰহণ কৰিছে। ইয়াৰে অধিকাংশ অসম, মণিপুৰ, ত্ৰিপুৰা, নাগালেণ্ড, বংগ, বিহাৰ, দিল্লী, জম্মু-কাশ্মীৰ, গুজৰাট, ঝাৰখণ্ড, তামিলনাডু, মহাৰাষ্ট্ৰ, পঞ্জাৱ, হাৰিয়ানা আৰু চণ্ডীগড়ৰ। উল্লেখ্য যে এই খেলবিধৰ বিষয়ে বিশেষ একো জনা নাযায় যদিও ইয়াৰ উৎপত্তি 1404-1432 খ্ৰীষ্টাব্দলৈ বুলি ধৰা হয়। ভাৰতৰ থাং-টা ফেডাৰেচনৰ মতে পুনছিবা নামৰ এজন ৰজাই শ্বিংচেপ মেইৰা হাইজৌৰোই নামৰ এটা সামৰিক বিভাগ স্থাপন কৰিছিল। 1709-1748 খ্ৰীষ্টাব্দলৈকে ৰজা পামহেইবাই এই প্ৰতিৰক্ষা ব্যৱস্থাক শক্তিশালী কৰি তুলিছিল আৰু 16 বছৰৰ উৰ্দ্ধৰ প্ৰতিজন যুৱকক এবছৰত নিৰ্দিষ্ট সংখ্যক দিন স্বেচ্ছাই ৰাজ্যৰ সেৱা আগবঢ়াবলৈ আৰু যুদ্ধ কলাৰ প্ৰশিক্ষণ ল’বলৈ নিৰ্দেশ দিছিল। সিঙে লগতে কয়, ‘আমি বাৰ্মা লগত সীমান্ত ভাগ কৰিছো আৰু আশে-পাশে থকা ৰাজ্যসমূহৰ পৰাও আক্ৰমণ সঘনাই হৈছিল। মণিপুৰ উপত্যকাৰ মাংগাং, লুৱন্ত, খুমান, আংগোম, খাবা-নগানবা, মইৰাং আৰু সৰং লেইছাং থেম আদি জনজাতীয় বংশইও প্ৰায়ে নিজৰ মাজতে যুঁজিছিল। সেয়ে সকলো গাঁৱতে শক্তিশালী প্ৰতিৰক্ষা ব্যৱস্থাৰ প্ৰয়োজনীয়তাত গুৰুত্ব দিয়া হৈছিল।’ উল্লেখ্য যে বিশ্ব থাং-টা ফেডাৰেচনৰ সভাপতিও হিচাপে কৰ্মৰত এই কলাৰ বিশেষজ্ঞ সিঙে থাং-টা প্ৰশিক্ষণ কেন্দ্ৰ স্থাপন কৰাৰ লগতে ভাৰত আৰু বিদেশত চেম্পিয়নশ্বিপৰ আয়োজনত যথেষ্ট সহায় কৰিছে। ইফালে, নিৰ্বাচিত দৰ্শকৰ আগত প্ৰদৰ্শনৰ বাহিৰে আসন্ন খেলো ইণ্ডিয়া ইভেণ্টত তৰোৱালৰ ব্যৱহাৰ নহ’ব আৰু খেলুৱৈসকলে চেইবি বা ফুনাচেইৰে প্ৰতিদ্বন্দ্বিতা কৰিব, যিবোৰ চামৰাৰে ঢাকি থোৱা বেত। প্ৰতিযোগিতাখন 30 ফুট ব্যাসৰ বৃত্তাকাৰ এৰিনাত অনুষ্ঠিত হ’ব। এখন মেচত ল’ৰা-ছোৱালীৰ বাবে দুইৰ পৰা তিনি মিনিটকৈ দুটা ৰাউণ্ড অনুষ্ঠিত হয় আৰু এমিনিটৰ জিৰণি লৈ থাকে। প্ৰতিখন মেচৰ বাবে এজন কেন্দ্ৰীয় ৰেফাৰী, ছয়জন স্ক’ৰাৰ, এজন টাইমকিপাৰ আৰু হয় এজন বা দুজন মুখ্য জুৰীৰ সদস্য নিযুক্তি দিয়া হয়।



# অসমীয়াৰ স্বাভিমান গামোচাত তামুলপুৰৰ যুৱক বিজয় দাসৰ অসাধাৰণ সৃষ্টি

**ৰমেন দাস**

**তামুলপুৰ, ২৮ মে' ঃ** তামুলপুৰ জিলাৰ বৰখোপা গাঁৱৰ এজন অসাধাৰণ প্ৰতিভাৰ অধিকাৰী যুৱক বিজয় দাস। শিল্পকৰ্মৰ সাধকজনে সম্প্ৰতি শিপিনীৰ দৰে তাঁতশালতে প্ৰায় অসাধ্য সাধন কৰি সকলোকে চমক খুৱাবলৈ সক্ষম হৈছে। অসমীয়াৰ স্বাভিমান গামোচাত ৰাছ-কাঠিৰ অপূৰ্ব সমন্বয়ৰে এক বিশেষ ফুল বাছি ভগৱানপ্ৰদত্ত শিল্পকৰ্মেৰে উজলি উঠিল তামুলপুৰ বৰখোপা গাঁও নিবাসী শুক্ৰাৰাম দাস আৰু জোনালী দাসৰ জ্যেষ্ঠ পুত্ৰ বিজয়। সম্প্ৰতি তেওঁ শিপিনী হৈ তাঁতশালত অসমীয়াৰ স্বাভিমান গামোচাত খোদিত কৰিছে অসম গৌৰৱ বৰেণ্য ব্যক্তিৰ প্ৰতিচ্ছৱি, ঐতিহাসিক মঠ-মন্দিৰ, অসম সংগীত। নিজৰ জাতি-মাটি, সাহিত্য-সংস্কৃতিক অগাধ ভালপোৱা প্ৰচাৰবিমুখ, অতি মেধাসম্পন্ন ৰঙিয়া মহাবিদ্যালয় স্নাতক বিজ্ঞান শাখাৰ ৰসায়ন বিজ্ঞান বিভাগৰ চতুৰ্থ ষান্মাসিকৰ ছাত্ৰ বিজয়ৰ এই সাধনা আৰম্ভ হৈছিল ষষ্ঠ শ্ৰেণীৰ পৰাই। অথচ গাঁৱৰ ৰাইজে এই বিষয়ত আজিকোপতি অৱগত নাছিল। গামোচা এখনত বুটা বচা ফুলেৰে সৃষ্টি কৰিলে নজনকৈ অসমৰ সাহিত্যিক-শিল্পীক, অসমৰ ঐতিহাসিক কীৰ্তিচিহ্ন, কৃষ্টি-সংস্কৃতি, অসমৰ মানচিত্ৰ। অতি দৰিদ্ৰ পৰিয়ালৰ বিজয়ে প্ৰায় সাত ফুট দৈৰ্ঘৰ গামোচাত অতি নিখুঁতভাৱে বুটা বাচি তোলা অসমীয়া সাহিত্যৰ কাণ্ডাৰী লক্ষ্মীনাথ বেজবৰুৱা, ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালা, কলাগুৰু বিষ্ণু প্ৰসাদ ৰাভা, সুধাকণ্ঠ ড° ভূপেন হাজৰিকা, বিশিষ্ট সাহিত্যক ড° মামনি ৰয়চম গোস্বামী, জনপ্ৰিয় কবি হীৰেন ভট্ট, জনপ্ৰিয় কণ্ঠশিল্পী পাপন অংগৰাগ মহন্ত আৰু যুৱ প্ৰজন্মৰ হাৰ্ট থ্ৰ'ব জুবিন গাৰ্গৰ প্ৰতিচ্ছৱিয়ে যেন প্ৰাণ পাই উঠিছে। নিখুঁতভাৱে খোদিত কৰিছে অসমৰ ঐতিহাসিক মঠ কামাখ্যা মন্দিৰ, ৰংঘৰ, কাৰেংঘৰ, এশিঙীয়া গঁড়ৰ লগতে অসমৰ মানচিত্ৰ আদি। বিজয়ৰ হাতৰ পৰশত প্ৰাণ পাই উঠিছে সকলো।

উল্লেখ্য যে তিনি বছৰৰ আগতে বিজয়ে নিজ হাতে তাঁতশালত বই উলিয়াইছিল অসম সংগীত 'অ' মোৰ আপোনাৰ দেশ'। বিজয়ে ষষ্ঠ শ্ৰেণীত পঢ়ি থাকোতে মাতৃক তাঁতশালত কাপোৰ বোৱাত সহায় কৰি দিছিল। সেয়াই আৰম্ভণি। পৰৱৰ্তী সময়ত তাঁতশালত ফুলাম বিহুৱান ববলৈ আৰম্ভ কৰা বিজয়ৰ সৃষ্টিশীল মনত পুহি ৰাখিছিল কিবা এটা বিশেষ সৃষ্টি কৰাৰ। বিগত এবছৰ জোৰা অক্লান্ত প্ৰচেষ্টাৰ অন্তত কালি বিজয়ে তেওঁৰ ইপ্সিত লক্ষ্যত উপনীত হ'বলৈ সক্ষম হয়। পঢ়া-শুনাতো অতি মেধাৱী বিজয়ৰ সৃতিশীল প্ৰতিভাৰ বিষয়ে জানিব পাৰি তেওঁৰ সহপাঠী কেইজনমানে কালি সামাজিক মাধ্যমযোগে প্ৰচাৰ কৰাৰ লগে লগে ভাইৰেল হৈ পৰে বিজয়ৰ প্ৰতিভা। সামাজিক মাধ্যমত বিজয়ৰ প্ৰতিভাৰ খবৰ লাভ কৰি আজি তেওঁৰ ঘৰত ভিৰ কৰেহি বিভিন্ন প্ৰান্তৰ শুভাকাংক্ষীয়ে। বিজয়ৰ সৃষ্টিৰাজিৰ বাবে অভিনন্দন জনাই সকলোৱে বিচাৰিছে যুৱকজনৰ অসাধাৰণ প্ৰতিভাই বিশ্বব্যাপী স্বীকৃতি লাভ কৰক।



## শিপিনী হৈ তাঁতশালত গামোচাত তুলিলে অসম গৌৰৱ বৰেণ্য ব্যক্তিৰ প্ৰতিচ্ছবি, ঐতিহাসিক মঠ-মন্দিৰ, অসম সংগীত

নিজৰ জাতি-মাটি আৰু সংস্কৃতিক ভালপোৱা বিজয়ৰ সৃষ্টিয়ে এতিয়া সকলোৰে দৃষ্টি আকৰ্ষণ কৰিবলৈ সক্ষম হৈছে। এটা বছৰৰ পৰিকল্পনাৰ অন্তত নিজৰ সৃষ্টিত আপ্লুত হৈ পৰা বিজয়ে 'দৈনিক অগ্ৰদূত'ৰ আগত নিজৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰি কয়, 'মই প্ৰথমতে নিজৰ জাতি-মাটি-ভেটি, সাহিত্য-সংস্কৃতিক ভাল পাওঁ। সেই কাৰণে অসমৰ সাহিত্য-সংস্কৃতিৰ লগত জড়িত কিবা এটা কৰাৰ পৰিকল্পনা কৰিছিলো। এবছৰ আগতে মোৰ পৰিকল্পনাক বাস্তৱ ৰূপ দিয়াৰ বাবে আৰম্ভ কৰিছিলো অসমীয়াৰ স্বাভিমান গামোচাত অসমীয়া সভ্যতা-সংস্কৃতিৰ প্ৰতীক তথা কেইগৰাকীমান স্বনামধন্য বৰেণ্য ব্যক্তিৰ প্ৰতিচ্ছবি বুটা বচা ফুলেৰে তুলি ধৰা কাম। মোৰ লক্ষ্য, মোৰ সৃষ্টিৰ জৰিয়তে অসমৰ সভ্যতা-সংস্কৃতিৰ প্ৰতি বাহিৰৰ মানুহক আকৰ্ষিত কৰা।'

# মৰিয়নিত সুৰাসক্ত নগা ট্ৰাক চালকৰ উদ্ভণ্ডালিৰ অভিযোগ

## আছুৰ কাৰ্যালয় মহটিয়াই ভাঙি পলায়নৰ অপচেষ্টা

**অগ্ৰদূত বাৰ্তা**

**মৰিয়নি, ২৮ মে' ঃ** সুৰামত্ত ট্ৰাক চালকৰ উদ্ভণ্ডালিয়ে এতিয়া মৰিয়নিত এক প্ৰকাৰ সীমা চেৰাই গৈছে। যোৱা নিশা এক বৃহৎ অঘটনৰ পৰা কথমপি ৰক্ষা পৰে মৰিয়নি। সুৰামত্ত চালকে চলোৱা এখন ট্ৰাকে যোৱা নিশা মৰিয়নি আঞ্চলিক ছাত্ৰ সন্থাৰ কাৰ্যালয়টো মহটিয়াই নিয়াৰ লগতে তীব্ৰ বেগেৰে পলায়ন কৰাৰ সময়ত ভয়াৱহ দুৰ্ঘটনাৰ পৰা কথমপি ৰক্ষা পৰে বহুতো লোক।



অভিযোগ অনুসৰি, যোৱা নিশা প্ৰায় ৯-৩০ বজাত এএছ-০৩ বিচি-৬৮২২ নম্বৰৰ এখন ট্ৰাকে মৰিয়নিৰ ৰাজ্যিক পৰিবহণ নিগমৰ আস্থানৰ সন্মুখত অৱস্থিত মৰিয়নি আঞ্চলিক ছাত্ৰ সন্থাৰ কাৰ্যালয়টো মহটিয়াই ভাঙি পেলায়। সুৰামত্ত অৱস্থাত থকা ট্ৰাকখনৰ চালকে পথৰ পৰা বহু আঁতৰত থকা কাৰ্যালয়টো মহতিয়াই নিয়াত সম্পূৰ্ণৰূপে ক্ষতিসাধন হয়। স্থানীয় লোকে ঘটনাটো প্ৰত্যক্ষ কৰি আছু কৰ্মীসকলক খবৰ দিয়ে আৰু আৰক্ষীকো জনোৱা হয়। মৰিয়নি আৰক্ষী থানাৰ সন্মুখত ট্ৰাকখনক ৰখাবলৈ নিৰ্দেশ দিয়ে যদিও তীব্ৰ বেগত পলায়ন কৰে। তীব্ৰ বেগত পলায়ন কৰা ট্ৰাকখনে একাধিক স্থানত দুৰ্ঘটনা সংঘটিত কৰাৰ পৰা কথমপি ৰক্ষা পৰে যদিও কঁঠালগুৰি তিনি আলিৰ সমীপত দোকানৰ সন্মুখত থকা কে'বাখনো চাইনব'ৰ্ডৰ ষ্টেণ্ড ওফৰাই নিয়ে। তদুপৰি নিজৰাপাৰ অঞ্চলত এখন মাৰুতি গাড়িক মহটিওৱাৰ পৰা কোনো মতে ৰক্ষা পৰে। ইফালে, মৰিয়নিৰ পৰা ট্ৰাকখনৰ পাছে পাছে যোৱা দুখনমান বাহনে নাগাজাংকা অঞ্চলৰ স্থানীয় যুৱকৰ সহায়ত নাগাজাংকা তিনি আলিৰ সমীপত ট্ৰাকখন ৰখাবলৈ সক্ষম হয়। ট্ৰাকখনত থকা চালক আৰু হেণ্ডিমেন সেই সময়ত সুৰামত্ত অৱস্থাত আছিল। আনকি প্ৰথম অৱস্থাত ভালদৰে কথাই ক'ব পৰা নাছিল। ৰাইজে ট্ৰাকখনৰ লগতে চালক আৰু হেণ্ডিমেনক আবদ্ধ কৰি ৰাখে। পাছত মৰিয়নি আৰক্ষীৰ এটা দলে উক্ত স্থানত উপস্থিত হৈ চালকসহ দুজনক আটক কৰাৰ লগতে ট্ৰাকখন জব্দ কৰি আৰক্ষী থানালৈ আনে। উল্লেখ্য যে ট্ৰাকখন যোৰহাটৰ যদিও চালক জোছা চাং আৰু হেণ্ডিমেন চাং লিম্বা নগা যুৱক। যোৰহাট -নগালেণ্ডৰ মাজত সামগ্ৰী কঢ়িওৱা ট্ৰাকখনৰ নগা চালক আৰু হেণ্ডিমেনে মৰিয়নিত ঘটনা সংঘটিত কৰি নগালেণ্ডলৈ পলায়ন কৰিব বিচাৰিছিল। অভিযোগ অনুসৰি, নগা পাহাৰলৈ চলাচল কৰা একাংশ ট্ৰাক চালকৰ দৌৰাত্ম্যই পথচাৰীক বিভিন্ন সময়ত বাৰুকৈয়ে সমস্যাত পেলাই আহিছে। সৰু-সুৰা বাহনক গুৰুত্বই দিব নোখোজা একাংশ ট্ৰাক চালকৰ বাবেই একাধিক দুৰ্ঘটনা সংঘটিত হৈছে। ইতিমধ্যে ছাত্ৰ সন্থাই চালকৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণৰ লগতে ক্ষতিগ্ৰস্ত কাৰ্যালয়টো পুনৰ্নিৰ্মাণৰ দাবী জনাইছে। ইফালে, মৰিয়নি জিলা কৰ্মচাৰী পৰিষদে এই ঘটনাত তীব্ৰ অসন্তুষ্টি ব্যক্ত কৰিছে। মৰিয়নি জিলা কৰ্মচাৰী পৰিষদৰ সভাপতি মনোজ কুমাৰ শৰ্মাই এই ঘটনাক গৰিহণা দিয়াৰ লগতে সুৰামত্ত চালকৰ বিৰুদ্ধে আইনী ব্যৱস্থা গ্ৰহণ কৰিবলৈ আহ্বান জনাইছে। লগতে ক্ষতিসাধন হোৱা কাৰ্যালয়টো পুনৰ নিৰ্মাণ কৰাৰ বাবেও আহ্বান জনাইছে। মৰিয়নিৰ কিংশুক চ'ৰায়ো এই ঘটনাক গৰিহণা দি সুৰামত্ত ট্ৰাক চালকক নাকী লগাবলৈ দাবী জনাইছে।

■ বিগত পাঁচ বছৰে ৰহস্যজনক নীৰৱতা আলফা (স্বাঃ)ৰ ■ মানসিকভাৱে অসুস্থ কন্যাক লৈ উৰুখা পঁজাত আশাত বন্দী অশীতিপৰ মাতৃ

# আজিও সদৰী নহ'ল সোণাৰিৰ আলফা নেত্ৰী কুসুম গগৈৰ মৃত্যুৰ কাৰণ



**অগ্ৰদূত বাৰ্তা**

**সোণাৰি, ২৮ মে' ঃ** কে'বা বছৰৰ পূৰ্বে আলফা (স্বাধীন)ত যোগদান কৰা চৰাইদেউ জিলাৰ কুসুম গগৈ ওৰফে কাঞ্চন নামৰ যুৱতীগৰাকী সম্প্ৰতি জীৱিত নে মৃত, সেই বিষয়ত ৰাইজৰ মাজত বিভিন্ন প্ৰশ্ন উত্থাপন হৈছে। সমগ্ৰ বিষয়টোৱেই এতিয়া ৰহস্যৰ মাজত সোমাই পৰিছে। বিভিন্ন সূত্ৰই আলফা (স্বাঃ)ৰ নেত্ৰীগৰাকীৰ ইতিমধ্যে মৃত্যু হোৱা বুলি দাবী কৰিলেও এই বিষয়ত কোনেও এই পৰ্যন্ত নিশ্চিত তথ্য দাঙি ধৰিব পৰা নাই। যদিও বিভিন্ন উৎসৰ পৰা আলফা (স্বাঃ)ৰ নেত্ৰীগৰাকীৰ ইতিমধ্যে মৃত্যু হোৱা বুলিয়ে প্ৰায় নিশ্চিত কৰা হৈছে। এই ক্ষেত্ৰত কুসুমৰ মৃত্যুৰ কাৰণক কেন্দ্ৰ কৰিও বিভিন্ন প্ৰশ্ন উত্থাপন হৈছে। বিশেষকৈ সমগ্ৰ ঘটনাত নিষিদ্ধ সংগঠনটোৰ অস্বাভাৱিক নীৰৱতায়ো বিষয়টোৰ ৰহস্যঘন কৰি তুলিছে। এটা উৰুখা পঁজাত বাস কৰা কুসুমৰ অশীতিপৰ মাতৃয়েও নাজানে তেওঁৰ জ্যেষ্ঠা কন্যা জীৱিত নে মৃত।

উল্লেখ্য যে চৰাইদেউ জিলাৰ সীমান্তৱৰ্তী তথা সংৰক্ষিত অভয়পুৰ বনাঞ্চলৰ নামনি অঞ্চলৰ চিংল'পথাৰ গাঁৱৰ যুৱতী কুসুমে বিগত ২০০৮ত আলফা (স্বাঃ)ত যোগদান কৰিছিল আৰু পৰৱৰ্তী পৰ্যায়ত তেওঁ সংগঠনটোৰ লেন্স কৰ্প'ৰেলৰ দায়িত্ব গ্ৰহণ কৰিছিল। যদিও পৰৱৰ্তী সময়ত কুসুমৰ তথ্য ৰহস্যজনকভাৱে নাইকিয়া হয়। ইয়াৰ পৰিপ্ৰেক্ষিততে কুসুম জীৱিত নে মৃত, সেই প্ৰসংগত শেহতীয়াকৈ ব্যাপক চৰ্চা চলিছে। উল্লেখ্য যে কুসুমৰ চিংল'পথাৰস্থিত উৰুখা পঁজাত সম্প্ৰতি বৃদ্ধা মাতৃ আৰু মানসিকভাৱে অসুস্থ ভগ্নী এগৰাকীৰ বাহিৰে কোনো নাই। কাণেৰে নুশুনা বৃদ্ধা মাতৃয়ে কুসুম জীয়াই আছে নে নাই, সেই বিষয়ত অৱগত নহয়। মন কৰিবলগীয়া যে কুসুম ওৰফে কাঞ্চনৰ আলফাৰ সামৰিক শিবিৰত থকা অৱস্থাতে মৃত্যু হোৱা বুলি প্ৰায় পাঁচ বছৰৰ পূৰ্বৰ পৰাই চৰ্চা হৈ আছে যদিও এই বিষয়টোত আলফা (স্বাঃ)ৰ তৰফৰ পৰা স্থিতি স্পষ্ট কৰা নাই। কি পৰিস্থিতিত কুসুমৰ মৃত্যু হ'ল, সেয়া আজিকোপতি স্পষ্ট নহ'ল। অৱশ্যে ইয়াৰ মাজতে আলফা (স্বাঃ)ৰ পৰা ওলাই অহা একাধিক সদস্যই কুসুম ওৰফে কাঞ্চনক আলফা (স্বাঃ)ৰ নেতৃত্বই মৃত্যুদণ্ড দিয়া বুলি বিস্ফোৰক ভাষ্য দিছিল। নিষিদ্ধ সংগঠনটো ত্যাগ কৰা একাধিক সদস্যৰ তেনে ভাষ্যৰ উপৰি কুসুমৰ সন্দৰ্ভত কোনো তথ্য সদৰী নোহোৱাৰ বাবেই আলফা (স্বাঃ) নেত্ৰী কুসুম অদ্যাপি জীৱিত নথকা বুলিয়ে অধিকাংশ লোক নিশ্চিত হৈছে। আনহাতে, সেনা-আৰক্ষীৰ চোৰাংচোৱায়ো কুসুম জীৱিত নথকাটো নিশ্চিত কৰা বুলি আৰক্ষী সূত্ৰই জনাইছে। উল্লেখ্য যে এক বিশেষ সূত্ৰই প্ৰকাশ কৰা অনুসৰি, ম্যানমাৰৰ সীমান্তত আছাম ৰাইফলছ আৰু আলফা (স্বাঃ)ৰ মাজত হোৱা সংঘৰ্ষত নেত্ৰীগৰাকীৰ মৃত্যু হয়। ইয়াৰ বিপৰীতে আৰক্ষী সূত্ৰই দাবী কৰা মতে, আলফা (স্বাঃ)ৰ শিবিৰতে সতীৰ্থই গুলীয়াই হত্যা কৰিলে কুসুমক। অৱশ্যে কিহৰ বাবে কুসুমক নিজৰ সংগঠনেই গুলীয়াই হত্যা কৰিলে, সেই বিষয়টো অস্পষ্ট হৈ আছে। লক্ষ্যণীয় দিশটো হ'ল, সামৰিক সংঘৰ্ষত সংগঠনৰ সদস্যৰ মৃত্যু হ'লে আলফা (স্বাঃ)ৰ তৰফৰ পৰা মৃতকক সন্মান দি 'অমৰ মৃতক' ঘোষণা কৰে। অথচ কুসুমৰ ক্ষেত্ৰত এনে হোৱা নাই আৰু এনে প্ৰেক্ষাপটতে তেওঁক আলফা (স্বাঃ)ই মৃত্যুদণ্ড দিয়াৰ সম্ভাৱনাহে অধিক বুলি স্থানীয় লোকে সন্দেহ প্ৰকাশ কৰিছে।

ইপিনে, কুসুম এদিন ঘৰলৈ উভতি আহিব বুলি আজিও অধীৰ অপেক্ষাত ৰৈ আছে অশীতিপৰ মাতৃ ইন্দ্ৰেশ্বৰী গগৈ। কন্যাক চাবলৈ অধীৰ আগ্ৰহেৰে ৰৈ থকা বৃদ্ধা মাতৃয়ে কেতিয়াবা চাওঁ বুলি চাবলৈ ঘৰত কুসুমৰ ফটো এখনো নথকা বুলি আক্ষেপ প্ৰকাশ কৰে সাংবাদিকৰ আগত। এটা জৰাজীৰ্ণ ঘৰত বাস কৰা ৰুগীয়া বৃদ্ধাগৰাকীয়ে শেহতীয়াকৈ এটা চৰকাৰী গৃহ লাভ কৰিছে যদিও এসাঁজ ভালকৈ খাবলৈও তেওঁলোকৰ অভাৱ। আলফা (স্বাঃ)ৰ নেত্ৰী কুসুমৰ মৃত্যু হোৱা বুলি শেহতীয়াকৈ প্ৰায় নিশ্চিত তথ্য আহিছে যদিও এই কথা ঘূণাক্ষৰেও গম নাপায় তেওঁৰ বৃদ্ধা মাতৃগৰাকীয়ে।

# যমুনামুখত নিষিদ্ধ নিচাযুক্ত সামগ্ৰীসহ ধৃত দুই

অগ্ৰদূত বাৰ্তা

যমুনামুখ, ২৮ মে' ঃ মাৰাত্মক ড্ৰাগছৰ বিৰুদ্ধে অসম আৰক্ষীৰ অভিযান অব্যাহত আছে। ৰাজ্যৰ সৰ্বত্ৰে সৰ্বগ্ৰাসী ড্ৰাগছৰ বিৰুদ্ধে আৰক্ষীৰ অভিযান অব্যাহত থকাৰ সময়ত যোৱা নিশা হোজাই জিলাৰ ডবকা আৰু যমুনামুখ আৰক্ষীৰ অভিযানত যমুনামুখ এৰাকপিলী গাঁৱৰ পৰা বৃহৎ পৰিমাণৰ সন্দেহযুক্ত হেৰ'ইন আৰু গাঞ্জাসহ দুজন লোকক গ্ৰেপ্তাৰ কৰে। সৰবৰাহকাৰী দুজন ক্ৰমে হুছেইন আহমেদ আৰু আইনুল হক। আৰক্ষীয়ে ডবকা আৰু যমুনামুখ আৰক্ষীয়ে যৌথ অভিযান চলায়। পাঁচটা চাবোনৰ বাকচভৰ্তি হেৰ'ইনসহ গ্ৰেপ্তাৰ কৰে সৰবৰাহকাৰী দুজনক। লোক দুজনক গ্ৰেপ্তাৰ কৰি থানাত জেৰা চলোৱাৰ পাছত পুনৰ ডবকাৰ হুছেইন আহমদৰ ঘৰৰ পৰা ১০ কেজি গাঞ্জা আৰু এটা চাবোনৰ বাকচভৰ্তি হেৰ'ইন জব্দ কৰে। ঘটনা সংক্ৰান্তত যমুনামুখ আৰক্ষীয়ে এন ডি পি এছ আইনৰ অধীনত নিজাবাবীয়াকৈ ৪৮/২০২২ নম্বৰৰ এক গোচৰ ৰুজু কৰি তদন্ত অব্যহত ৰাখিছে।

# যমুনা নৈত অচিনাক্ত মৃতদেহ উদ্ধাৰ

অগ্ৰদূত বাৰ্তা

যমুনামুখ, ২৮ মে' ঃ ডবকাৰ যমুনা নৈত আজি এটা অচিনাক্ত মৃতদেহ উদ্ধাৰ হয়। যমুনা নৈত ওপঙি থকা অৱস্থাত উদ্ধাৰ এই মৃতদেহটো ছাৰ্ট-পেন্ট পৰিহিত হাত-ভৰি বন্ধা অৱস্থাত আছিল। হাত-ভৰি বন্ধা অৱস্থালৈ চাই লোকজনক কোনো লোকে হত্যা কৰি নৈত পেলাই দিছে। ঘটনাস্থলীত ডবকা আৰক্ষী উপস্থিত হৈ মৃতদেহটো উদ্ধাৰ কৰি মৰণোত্তৰ পৰীক্ষাৰ বাবে নগাঁও অসামৰিক চিকিৎসালয়লৈ প্ৰেৰণ কৰে ।

## সামাজিক মাধ্যমত ভাইৰেল হ'ল সন্তানৰ ওপৰত তালিবানী নিৰ্যাতনৰ দৃশ্য

# মেৰাপানীত মাতৃয়ে শিশু কন্যাক হত্যাৰ অপচেষ্টা চলোৱাৰ অভিযোগ

**অগ্ৰদূত বাৰ্তা**

**মেৰাপানী, ২৮ মে' ঃ** মেৰাপানী আৰক্ষী থানাৰ অন্তৰ্গত উদয়পুৰ গাঁৱৰ এগৰাকী মহিলাৰ বিৰুদ্ধে উত্থাপন হৈছে নিজৰ শিশু কন্যাক হত্যাৰ অপচেষ্টা চলোৱাৰ অভিযোগ। এগৰাকী পাষাণ মাতৃয়ে নিজৰ কণমানি সন্তানটিক নিৰ্দয়ভাৱে লাঠিৰে প্ৰহাৰ কৰি হত্যাৰ অপচেষ্টা চলোৱা ঘটনা পোহৰলৈ অহাত সমগ্ৰ মেৰাপানী অঞ্চলত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। এই কাণ্ড সামাজিক মাধ্যমত ভাইৰেল হোৱাৰ পাছতে অভিযুক্ত মহিলাগৰাকীক গ্ৰেপ্তাৰৰ দাবী উঠিছে। প্ৰাপ্ত অভিযোগ অনুসৰি, কালি গাঁওখনৰ লখিমী বিশ্বকৰ্মা দাস নামৰ মহিলাগৰাকীয়ে অনুশাসনৰ নামত নিজৰ কণমানি কন্যা সন্তানটিক এডাল বাঁহেৰে নিৰ্দয়ভাৱে মৰিয়াই থকা হৃদয়বিদাৰক দৃশ্য ইতিমধ্যে ভাইৰেল হৈ পৰিছে সামাজিক মাধ্যমত। ইয়াৰ পাছতে মহিলাগৰাকীৰ এই কাৰ্যক তালিবানী শাস্তিৰ স'তে তুলনা কৰিছে বিভিন্নজনে। লগতে সাধাৰণ লোকৰ লগতে বিভিন্ন দল-সংগঠনেও হৃদয়হীনা মহিলাগৰাকীৰ শাস্তিৰ দাবী তুলিছে।

## চিকিৎসালয় কৰ্তৃপক্ষৰ চৰম গাফিলতিৰ ফলতে এনে ঘটনা সংঘটিত হোৱাৰ দাবী প্ৰত্যক্ষদৰ্শীৰ

# বিশ্বনাথ অসামৰিক চিকিৎসালয়ত চিকিৎসাৰ অভাৱত ৰোগীৰ মৃত্যুৰ অভিযোগ

**অগ্ৰদূত বাৰ্তা**

**বিশ্বনাথ চাৰিআলি, ২৮ মে' ঃ** বিশ্বনাথত চিকিৎসাৰ অভাৱত চিকিৎসালয় চৌহদতে ৰোগীৰ মৃত্যু হোৱাক কেন্দ্ৰ কৰি আজি উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি হয়। চিকিৎসালয় কৰ্তৃপক্ষৰ বিৰুদ্ধে তীব্ৰ ক্ষোভ উজাৰে পৰিয়াল তথা প্ৰত্যক্ষদৰ্শীয়ে। চিকিৎসকৰ চৰম গাফিলতিৰ ফলতে আজি এইদৰে ৰোগীয়ে অকাল মৃত্যুক সাৱটি লোৱা বুলি অভিযোগ কৰে প্ৰত্যক্ষদৰ্শীয়ে।

উল্লেখ যে যোৱা নিশা বিশ্বনাথৰ প্ৰতাপগড় চাহ বাগিচাৰ গাণ্ডিয়া মুণ্ডা নামৰ ৰোগীজনক পৰিয়ালৰ লোকে লৈ আনিছিল বিশ্বনাথ চাৰিআলি অসামৰিক চিকিৎসালয়লৈ। চিকিৎসকে যোৱা নিশা ৰোগীজনক এক্স-ৰে' কৰাবলৈ পৰামৰ্শ প্ৰদান কৰিছিল। নিশাৰ ভাগত চিকিৎসালয়ৰ এক্স-ৰে' বিভাগ বন্ধ থকাৰ বাবে পুনৰ ৰোগীৰ পৰিয়ালে পুৱা আঠ বজাত ৰোগীক চিকিৎসালয়লৈ আনে। পুৱা আঠ বজাৰ পৰা ৰোগীৰ স'তে পৰিয়ালৰ লোক চিকিৎসালয় চৌহদতে বহি থাকিল। যদিও এবাৰো চিকিৎসকে খবৰ নল'লে ৰোগীজনৰ। যাৰ বাবে চিকিৎসালয় চৌহদতে ৰোগীজনে চিকিৎসাৰ পৰা বঞ্চিত হৈ অৱশেষত দুপৰীয়া প্ৰায় ১২ বজাত মৃত্যুক সাৱটি লয়। এই দৃশ্যৰ সাক্ষী হৈ ৰ'ল বিশ্বনাথ অসামৰিক চিকিৎসালয়লৈ অহা অসংখ্য লোক। যাৰ বাবে মৃত ৰোগীজনৰ পৰিয়ালৰ লগতে প্ৰত্যক্ষদৰ্শীয়েও ক্ষোভ উজাৰে চিকিৎসালয় কৰ্তৃপক্ষৰ বিৰুদ্ধে। সকলোৰে অভিযোগ, চিকিৎসালয় কৰ্তৃপক্ষৰ চৰম গাফিলতিৰ বাবেই ৰোগীজনে এইদৰে সকলোৰে চকুৰ সন্মুখত অকাল মৃত্যুক সাৱটি ল'লে।

# কামৰূপ মহানগৰ জিলাত ঋতুস্ৰাৱ স্বচ্ছতা দিৱস পালন

## মহিলাৰ বাবে ঋতুস্ৰাৱ কাৰ্ডৰ ব্যৱস্থা ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযান, অসমৰ




**গুৱাহাটী, ২৮ মে' ঃ** আজি সমগ্ৰ ৰাজ্যৰ লগতে কামৰূপ মহানগৰ জিলাতো পালন কৰা হয় ঋতুস্ৰাৱ স্বচ্ছতা দিৱস। এই উপলক্ষে ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযান, অসমৰ উদ্যোগত আৰু কামৰূপ মহানগৰ জিলা স্বাস্থ্য সমিতিৰ সহযোগত মহানগৰীৰ দিছপুৰ চৰকাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ত কেন্দ্ৰীয়ভাৱে এক বিশেষ সজাগতা অনুষ্ঠানৰ আয়োজন কৰা হয়। ঋতুস্ৰাৱৰ স'তে জড়িত অন্ধবিশ্বাস দূৰ কৰাৰ লগতে স্বচ্ছতা সন্দৰ্ভত সজাগতা বৃদ্ধিৰ বাবে পালন কৰা এই দিৱসৰ লগত সংগতি ৰাখি পুৱা অনুষ্ঠিত কৰা হয় এক সজাগতামূলক শোভাযাত্ৰা।

শোভাযাত্ৰাত অংশ লয় বিদ্যালয়খনৰ ছাত্ৰ-ছাত্ৰী, শিক্ষক-শিক্ষয়ত্ৰী আৰু ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযানৰ বিষয়ববীয়াসকলে। শোভাযাত্ৰা মুকলি কৰি ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযান, অসমৰ মিছন সঞ্চালিকা ডাঃ এম.এছ লক্ষ্মীপ্ৰিয়াই জনায় যে মহিলাসকলে ঋতুস্ৰাৱ চক্ৰৰ তথ্য যাতে নিয়মিত লিপিবদ্ধ কৰি যাব পাৰে তাৰ বাবে ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযান অসমৰ তৰফৰ পৰা শীঘ্ৰে আৰম্ভ কৰা হ'ব ঋতুস্ৰাৱ কাৰ্ডৰ ব্যৱস্থা। শোভাযাত্ৰাৰ পাছত ছাত্ৰীসকলৰ মাজত সজাগতা সৃষ্টিৰ লক্ষ্যৰে এখন সজাগতা সভাও অনুষ্ঠিত কৰা হয়। সজাগতা সভাখনত মিছন সঞ্চালিকা ডাঃ এম. এছ লক্ষ্মীপ্ৰিয়াৰ লগতে উপস্থিত থাকে অভিনেত্ৰী ৰিছা ছেত্ৰী, কামৰূপ মহানগৰৰ যুটীয়া স্বাস্থ্য সেৱা সঞ্চালক ডাঃ কন্দৰ্প কুমাৰ দাস আৰু পাণ্ডু এফআৰইউৰ স্ত্ৰী আৰু প্ৰসূতি ৰোগ বিশেষজ্ঞ ডাঃ অনুৰাধা বৰঠাকুৰ আৰু দিছপুৰ চৰকাৰী উঃ মাঃ বিদ্যালয়ৰ অধ্যক্ষাও।

এই দিৱসৰ লগতে সংগতি ৰাখি ২৮ মে'ৰ পৰা ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযান অসমে অনুষ্ঠিত কৰিছে এখন অনলাইন ঋতুস্ৰাৱজনিত স্বচ্ছতা সজাগতা প্ৰতিযোগিতাৰো। ইচ্ছুকসকলে www.nhm.assam.gov.inত গৈ এই প্ৰতিযোগিতাত অংশ ল'ব পাৰিব। সকলো অংশগ্ৰহণকাৰীয়ে লাভ কৰিব একোখনকৈ ই-প্ৰমাণপত্ৰ। লগতে তেওঁলোকৰ প্ৰমাণপত্ৰ ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযানৰ সামাজিক মাধ্যমৰ পেজতো আপল'ড কৰা হ'ব।




অগ্ৰদূত পাব্লিচাৰ্ছ প্ৰাইভেট লিমিটেড, গুৱাহাটী-৬ৰ হৈ বি এছ ডেকাৰ দ্বাৰা অগ্ৰদূত ভৱন, দিছপুৰ, গুৱাহাটী-৬, তৰাজান, যোৰহাট আৰু দোলাবাৰী, তেজপুৰত মুদ্ৰিত আৰু প্ৰকাশিত। সম্পাদক ঃ প্ৰাঞ্জলসেন ডেকা। মুখ্য সম্পাদক ঃ কনকসেন ডেকা।
ফোন ঃ (গুৱাহাটী) সম্পাদনা ঃ (০৩৬১) ২২৬১৯২৩, ২২২৪৯৩৩, চাৰ্কুলেচন- ২২৩৪২০৯ ফেক্স ঃ (০৩৬১) ২২৬০৬৫৫, ২২৬৯১৪৭, আৰু বিজ্ঞাপন - ৯৮৬৪৮৯৭১৭৫। ফোন (যোৰহাট) ঃ (০৩৭৬) ২৩৭১৮৯৫, তেজপুৰ ঃ (০৩৭১২) ২২১৫৫১, ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৭৮৫৯।
E-MAIL : agradoot@gmail.com, editor.agradoot@gmail.com